

# জৱাহৰ জ্যোতি

## বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ আলোচনী

চতুৰ্দশ সংখ্যা ঃ

তত্বাৱধায়ক
অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া

সম্পাদক
শ্ৰীগণেশ চন্দ্ৰ বড়ো

## সম্পাদনা সমিতি ঃ

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ, সভাপতি
অধ্যাপক বসন্ত কুমাৰ দত্ত, উপ-সভাপতি
অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া, তত্বাৱধায়ক
অধ্যাপক মৃগেন্দ্ৰ কুমাৰ শৰ্মা, সদস্য
অধ্যাপক যুগলকিশোৰ নাথ, সদস্য
গণেশ বড়ো, সম্পাদক
খগেশ্বৰ ৰাভা ( সাধাৰণ সম্পাদক )
ছাত্ৰ সদস্য, ছাত্ৰ একতা সভা

বেটুপাত শিল্পী ঃ অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া

অঙ্গসজ্জা ঃ সম্পাদক, তত্বাৱধায়ক

আলোক চিত্ৰ ঃ ষ্টুডিঅ' ৰূপা, বকো

ছপা ঃ জনতা প্ৰেছ, মিৰ্জা

বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ইং ১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ হৈ শ্ৰীগণেশ চন্দ্ৰ বড়োৰ দ্বাৰা প্ৰকাশিত আৰু জনতা প্ৰেছ ( মিৰ্জা )ত মুদ্ৰিত ।

# অশ্ৰু অঞ্জলি



## আমাৰ মাজত যি সকল আৰু নাই ঃ

বিশ্ববিশ্ৰুত চিত্ৰ নিৰ্মাতা সত্যজিৎ ৰায়, সিংহলৰ প্ৰধানমন্ত্ৰী ৰাণাসিংহে প্ৰেমদাসা, চিত্ৰাভিনেত্ৰী দিব্য ভাৰতী, দেশৰ বিভিন্ন প্ৰান্তত হিংসাৰ বলি হৈ মৃত্যু বৰণ কৰা খ্যাত-অখ্যাত লোকসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ দুলাল পাঠকৰ অকাল বিয়োগত আমি গভীৰ শোক প্ৰকাশ কৰি অশ্ৰু অঞ্জলি যাচি[illegible] আৰু [illegible]খিতসকলৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিছোঁ।

কৰ্মব্যস্ততাৰ এটি মুহূৰ্তত



অধ্যক্ষ শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ

# বিষয়সূচী


| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| সম্পাদকীয় --- | | |
| **॥ কবিতা ॥** | | |
| অনাবৃত ব'হাগ | ১ | ললিত চন্দ্ৰ ৰাভা |
| যন্ত্ৰণা | ২ | অৰুণ চন্দ্ৰ বড়ো |
| আমাৰ স্বাধীনতা | ৩ | সত্যজিৎ কলিতা |
| মোৰ মন | ৩ | ধনঞ্জয় তালুকদাৰ |
| তেজাল ঘোঁৰা | ৪ | নৃপেন কুমাৰ বড়ো |
| বিপন্ন দিনৰ চৰম ক্ষণতো | ৪ | ৰণিত ৰাভা |
| মহাকাল | ৫ | জগদীশ কুমাৰ ৰাভা |
| নিজম বাঁহীৰ সুৰ | ৫ | বদন দাস |
| অভিযাত্ৰী | ৬ | প্ৰভা কলিতা |
| মানৱ স্বত্ব | ৬ | সবিন কুমাৰ বৈশ্য |
| কাৰ বাবে | ৭ | অপূৰ্ব্ব কুমাৰ দাস |
| প্ৰলয় ধুমুহা | ৭ | নিৰঞ্জন মজুমদাৰ |
| প্ৰতিজ্ঞা | ৮ | বাসৱ ঠাকুৰীয়া |
| মানুহবোৰ কাঁইটীয়া কেকৃটাচ | ৮ | বিজয় কুমাৰ নাথ |
| ভঙা বুকুৰ কলিজা | ৯ | হেমন্ত কুমাৰ ৰাভা |
| মৰা কলহীৰ প্ৰতি | ১০ | দ্দুল বাৰিক আল-আমান |
| শলিতাৰ ৰঙা শিখা নুমাই যোৱা নাই | ১১ | ना কলিতা |
| বৈৰী বিভৱ | ১১ | বসন্ত কুমাৰ দত্ত |
| প্ৰেম | ১২ | ললিত চন্দ্ৰ ৰাভা |
| ডাষ্টবিন | ১৪ | সুৰজিৎ কাকতি |
| ডাষ্টবিন | ১৫ | নীলিম দত্ত |
| ডাষ্টবিন | ১৬ | বিমল কুমাৰ তামুলী |

*॥ বিষয় ॥ ॥ পৃষ্ঠা ॥ ॥ লেখক ॥*

## ॥ প্ৰবন্ধ ॥


| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| শৰতৰ কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত | ॥ ১৭ ॥ | খৰ্গেশ্বৰ ৰাভা |
| জনপ্ৰিয় লঘু শাস্ত্ৰীয় সংগীত গজল | ॥ ২০ ॥ | জ্যোতিকণা দেৱী |
| বৰ্ত্তমান আৰু ইতিহাসৰ পটভূমিত ছমৰীয়া সত্ৰ | ॥ ২৩ ॥ | প্ৰণৱ বৈশ্য |
| বহুৰঙী ৰাভা লোকগীতত প্ৰেম আৰু ইয়াৰ ওপৰত বিহুগীতৰ প্ৰভাৱ | ॥ ২৬ ॥ | দিগন্ত কুমাৰ ৰাভা |
| পূজা-পাৰ্বনত লোক-সংস্কৃতিৰ প্ৰভাৱ | ॥ ৩০ ॥ | অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী |
| মান্দানিৰাবা : ছবি জগতত মোৰ প্ৰথম পদক্ষেপ | ॥ ৩৪ ॥ | নমিতা ৰাভা |
| অৰুণাচলত এভুমুকি [ ভ্ৰমণ ] | ॥ ৩৮ ॥ | ললিত চন্দ্ৰ বড়ো |
| বাৰ্চিলোনা '৯২ [ অলিম্পিক ] | ॥ ৪৩ ॥ | গণেশ চন্দ্ৰ বড়ো |
| অসমীয়া লোক সাহিত্যত আইনাম : এটি দৃষ্টিপাত | ॥ ৪৭ ॥ | ক্ষীৰদা মালী |


## ॥ গল্প ॥


| বিষয় | পৃষ্ঠা | লেখক |
|---|---|---|
| বাজুলি | ॥ ৫১ ॥ | ললিত চন্দ্ৰ ৰাভা |
| বালিঘৰ | ॥ ৫৬ ॥ | তুলিকা বড়ো |
| পৰিণাম | ॥ ৫৯ ॥ | ধনঞ্জয় তালুকদাৰ |
| বিভাগীয় সম্পাদকৰ প্ৰতিবেদন | ॥ ৬২ ॥ | |
| মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল | ॥ ৭১ ॥ | |


—:□:—

# সম্পাদকীয়

## উশৃঙ্খল যুৱ-মানসিকতা ঃ

আজিৰ যুৱক কাইলৈৰ নাগৰিক। সাধাৰণ নাগৰিক কিন্তু আজি অসমৰ যুৱ-মানসিকতাক লৈ ভীষণ উদ্বিগ্ন। বন্ধনহীন উশৃঙ্খল, ক্ৰমবৰ্দ্ধমান অসমীয়া যুৱ-সমাজৰ ভূমিকা মুঠেই আশাব্যঞ্জক নহয়। চিনেমা, টি-ভি, কেবল টি-ভি, ভি-ডি-অ, ভি-চি-আৰ, ভি-চি-পিৰ বিকৃত সংস্কৃতিয়ে আকণ্ঠ নিমজ্জিত কৰিছে যুৱ-সমাজক। ফলস্বৰূপে ড্ৰাগছ, চোৰ-ডকাইতি, হত্যাকাণ্ডৰ দৰে ঘৃণনীয় কাৰ্যৰ লগত জড়িত হৈ পৰিছে স্কুলৰ ফুলকুমলীয়া ছাত্ৰ-ছাত্ৰীৰ পৰা বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ। এচাম যুৱকে এহাতে তুলি লৈছে অস্ত্ৰ, আনহাতে আইন। ক্ষমতাত অধিষ্ঠিত সকলেও যেন সন্ত্ৰাসৰ বাহিৰে আন ভাষা বুজিবলৈ চেষ্টা নকৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চৰম উৎকৰ্ষেৰে একবিংশ শতিকালৈ ধাৱমান হোৱা বিশ্বত অসমীয়া সমাজ জীৱনৰ আজি এই অৱক্ষয়।

প্ৰখ্যাত ৰাজনীতিবিদ, ইতিহাসপ্ৰিয় কবি দেৱকান্ত বৰুৱাই এটি সাক্ষাৎকাৰত কৈছে যে,— অসমৰ এচাম যুৱকে অস্ত্ৰ তুলি লৈছে, যুৱ-মানসিকতাৰ স্খলন ঘটিছে যদিও ই কোনো বিশেষ ব্যতিক্ৰম নহয়। আজি পৃথিৱীৰ প্ৰায়বোৰ দেশতে অসমৰ দৰে পৰিস্থিতিৰ উদ্ভৱ হৈছে। গতিকে অসমৰ জনজীৱনো এনেদৰেই চলিব।

যুদ্ধ-গৃহযুদ্ধই ইৰাণ-ইৰাক, লেবানন, মিচৰ, আফগানিস্থান, চোমালিয়া, ইথিওপি 'দি দেশৰ জনজীৱন কৰি তুলিছে বিপৰ্যস্ত। যুদ্ধ-বিধ্বস্ত এই দেশ..ৰ জনসাধাৰণে তাৰ মাজতে গতানুগতিক জীৱন-যাপন কৰাৰ অভিনৱ প্ৰচেষ্টা চলাইছে। ভাৰতবৰ্ষতো আজি মন্দিৰ-মছজিদ, পঞ্জাব, কাশ্মীৰ, ক্ষুদ্ৰ গোষ্ঠীৰ আত্মনিয়ন্ত্ৰণৰ অভিলাষে দেশৰ বাতাবৰণ অশান্ত কৰি তুলিছে। সেই বুলিয়ে দেশৰ প্ৰগতি স্থবিৰ হৈ ৰ'ব এনে কথা হ'ব নোৱাৰে। এইবোৰৰ লগত সহাৱস্থান কৰি জাতীয় জীৱনৰ উত্তৰণ ঘটাব লাগিব।

## পৰীক্ষাগৃহত নকল ঃ

পৰীক্ষাত নকল বৰ্তমান ছাত্ৰ সমাজৰ এক ভয়াবহ ব্যাধি বুলি পৰিগণিত হৈ আহিছে। অৱশ্যে ই এটা নতুন কথা নহয়; পুৰণি প্ৰথা। অসমত ১৯৭৫ চনত মহাবিদ্যালয়ৰ শিক্ষকসকলৰ ধৰ্মঘটক লৈ ছাত্ৰ-ছাত্ৰীসকলে পৰীক্ষা বৰ্জন কৰিছিল। চৰকাৰী বিষয়াৰ উদ্যোগত সেই বছৰ পৰীক্ষা পৰিচালিত হৈছিল। তেতিয়াই পৰীক্ষাৰ্থীয়ে মুকলিমূৰীয়াকৈ নকল কৰাৰ প্ৰৱণতা লাভ কৰে। বিদেশী খেদা আন্দোলনৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া-শুনাত ব্যাপকৰূপে ব্যাঘাত ঘটিছিল। সেই সময়ত পৰীক্ষাৰ্থীয়ে নকল কৰাৰ অবাধ সুযোগ লাভ কৰিছিল। বৰ্তমান অসমৰ শিক্ষাবিভাগটোৱেই সকলোতকৈ দুৰ্নীতিগ্ৰস্ত অনুষ্ঠান বুলি খ্যাতি লাভ কৰিছে। টকা আৰু ৰাজনীতিৰ প্ৰভাৱত অধে-মধে শিক্ষক নিযুক্তি, পৰ্য্যাপ্ত পৰিমাণৰ পাঠ্যপুথিৰ অভাৱ, শিক্ষানুষ্ঠানত পাঠদান অসম্পূৰ্ণ হৈ থকা, কম আয়াসতে সফলতা লাভ কৰাৰ প্ৰৱণতা আদিয়েই হ'ল নকল কাৰ্যৰ মূল কাৰণ। তদুপৰি এচাম আদৰ্শবান ছাত্ৰ-ছাত্ৰীয়ে শ্ৰম আৰু ধৈৰ্য্যেৰে পঢ়া-শুনা কৰি সফলতা লাভ কৰিলেও চাকৰি-বাকৰি প্ৰাপ্তিৰ সময়ত হাতদীঘল ব্যক্তি আৰু ধনৰ প্ৰভাৱে এইসকল ন্যায়পৰায়ণ ছাত্ৰ-ছাত্ৰীক সদায়ে হতাশ কৰি আহিছে। কেতিয়াবা আকৌ একোখন পৰীক্ষাৰ বহী পুনৰ পৰীক্ষা কৰাই পোৱা ফলাফলে চকু কপালত উঠাইছে।

ভাৰতীয় আদৰ্শত গুৰু-শিষ্যৰ মধুৰ সম্পৰ্কৰ পৰম্পৰা অতি প্ৰাচীন। এতিয়া এই সম্পৰ্ক সম্পূৰ্ণৰূপে বিঘ্নিত হৈছে। পৰীক্ষাগৃহত শিক্ষকে পৰীক্ষাৰ্থীক চোৰৰ দৰে নিৰীক্ষণ কৰে; পৰীক্ষাৰ্থীয়ে অন্তৰ ভৰা ঘৃণাৰে পুলিচৰূপী শিক্ষকক ফাঁকি দিবলৈ চেষ্টা কৰে।

'যি দেশত মূৰ্খতাই হ'ল আদৰ্শ, মূৰ্খসকলেই হ'ল সমাজৰ দিকনিৰ্ণায়ক—তেনে দেশত ছাত্ৰ-ছাত্ৰীয়ে কিহৰ দোষত জ্ঞান অৰ্জনৰ প্ৰতি আগ্ৰহান্বিত হ'ব? যেনে-তেনে প্ৰকাৰে ডিগ্ৰীটো হ'লেই

যেতিয়া সকলো হয় কিহৰ দোৱত পঢ়ি-শুনি কষ্ট কৰিবলৈ যাব?' ··'যিখন সমাজত বিশৃঙ্খলাকেই শৃঙ্খলা বুলি কোৱা হয়, ··যিখন দেশত জ্ঞানীক সন্মান কৰা নহয়, যিখন দেশত ধন আৰু দৈহিক শক্তিয়েই সমাজৰ পৰিচালক শক্তি হিচাপে পৰিগণিত হয়, যিখন দেশৰ সকলোবিলাক মানৱীয় প্ৰমূল্য সকলো স্তৰতে শ্মশানগামী হয়, তেনে এখন দেশত কেৱল ছাত্ৰ-ছাত্ৰীসকলক কেনেদৰে তপস্বী কৰি ৰাখিব পাৰি বাৰু?'

পৰীক্ষাগৃহত নকল—এটা নতুন কথা নহয়। ভাৰতবৰ্ষৰ বিভিন্নপ্ৰান্তৰ শিক্ষানুষ্ঠানত নকল কাৰ্যক লৈ উদ্ভৱ হোৱা চমকপ্ৰদ অপ্ৰীতিকৰ ঘটনা প্ৰকাশ পায়ে থাকে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী-সকলকে একমাত্ৰ দায়ী কৰাৰ মানসিকতা পৰিত্যাগ কৰি বৰ্তমান সমাজ ব্যৱস্থা, শিক্ষা-ব্যৱস্থা, শিক্ষক, অভিভাৱক সকলোৱে ইয়াৰ দায়িত্ব গ্ৰহণ কৰি বিকল্প ব্যৱস্থাৰ সন্ধান কৰিব লাগিব। জ্ঞান লাভ কৰাটো যে এটা অতি প্ৰয়োজনীয় কথা; জ্ঞান অবিহনে ব্যক্তি, দেশ আৰু জাতিৰ উন্নতি অসম্ভৱ—এই সত্য কথাটো ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী-সকলক উপলব্ধি কৰাব পাৰিব লাগিব।

**২১২৬ঃ**

'মৃত্যুওতো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য।'

মৃত্যু শিল্প হ'ব পাৰে তেতিয়াহে, যেতিয়া মৃত্যু হয় অৰ্থবহ। অবাঞ্ছিত, অৰ্থহীন মৃত্যু শিল্প হ'ব নোৱাৰে। এনে এক অবাঞ্ছিত, অৰ্থহীন মৃত্যুৰ অশুভ বাৰ্তাই পৃথিৱীৰ মানৱ জাতিক আজি শংকিত কৰি তুলিছে। জীৱজগতৰ ত ত মৃত্যু মুখ্যতঃ দুই প্ৰকাৰে হ'ব পাৰে—মানুহৰ কৃতকৰ্মৰ দ্বা আৰু প্ৰাকৃতিক দুৰ্যোগৰ দ্বাৰা। প্ৰথম প্ৰকাৰ মৃত্যু যিহেতু মানুহৰ কৰ্মৰ ওপৰত নিৰ্ভৰশীল, গতিকেই অপ্ৰতিৰোধ্য নহয়; কিন্তু দ্বিতীয় প্ৰকাৰ মৃত্যুৰ পৰা সৰ্বতো প্ৰকাৰে মুক্তি লাভ কৰিব পৰা ক্ষমতা পূৰ্ণ অৰ্থত মানুহে অৰ্জন কৰিব পৰা নাই। পূৰ্বৰ ছোভিয়েত ৰাছিয়া আৰু আমেৰিকাৰ সহযোগপূৰ্ণ চুক্তি

আৰু সম্প্ৰতি ছোভিয়েত বাছিয়াৰ বিলুপ্তিৰ লগে লগে তৃতীয় বিশ্ব যুদ্ধৰ সম্ভাৱনাৰ অন্ত পৰিল। কিন্তু মানুহৰ অদূৰদৰ্শী কৃতকৰ্মই পৃথিৱীৰ আৱহাৱা কৰি তুলিছে বিষাক্তময়। পৃথিৱীৰ আৱৰণ স্বৰূপ ওজন স্তৰৰ অৱক্ষয়ৰ লগে লগে এই গ্ৰহটোৰ জীৱজগতৰ অপমৃত্যু আসন্ন হৈ পৰিছে। সুখৰ বিষয় ১৯৯২ চনৰ পাঁচ জুনত দক্ষিণ আমেৰিকাৰ ব্ৰাজিলৰ ৰিও দি জেনেইৰো ( Rio de Janeiro )ত অনুষ্ঠিত ভূ-শীৰ্ষ বা বসুন্ধৰা সন্মিলনে পুনৰ মানৱ জাতিৰ মাজত আশাৰ সঞ্চাৰ কৰিছে।

প্ৰাকৃতিক দুৰ্যোগ অপ্ৰতিৰোধ্য। পৃথিৱীৰ জন্মলগ্নৰ পৰাই বিভিন্ন প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈ আহিছে এই গ্ৰহটো। ভাৰতবৰ্ষই এশ ঊনাশীতম্ স্বাধীনতা দিৱস পালন কৰিব সেইদিনা; সেইদিনাই 'ছুইফ্‌ট-টাট্‌ল' নামৰ মহাকাশত বিচৰণ কৰি ফুৰা ধূমকেতু এটাই পৃথিৱীৰ বুকুত খুন্দা মাৰিব। নামি আহিব পৃথিৱীৰ বুকুলৈ ভয়াবহ তুষাৰ যুগ, য'ত জীৱজগত বুলি হয়তো এখন জগত নাথাকিবই।

আজিৰপৰা এশবছৰ পিছত মানুহ বুঢ়া নোহোৱাকৈয়ে মৃত্যুবৰণ কৰিব। মানুহ বুঢ়া নোহোৱা এই মহৌষধ আৱিষ্কাৰ কৰিব আজিৰ তৰুণ সকলেই। সঁচা কথা ২১২৬ চনৰ সেই দুৰ্ভগীয়া দিনটোলৈ আজিলৈ পৃথিৱীত জন্মগ্ৰহণ কৰা এজন মানুহো জীয়াই নাথাকে। কিন্তু উত্তৰ পুৰুষসকলৰ কল্যাণৰ কথা এতিয়াই চিন্তা কৰিব লাগিব। ইতিমধ্যে পৰমাণু বিস্ফোৰণেৰে ছুইফ্‌ট্‌টাট্‌লৰ কক্ষপথ বিচ্যুত কৰিব পৰা যাব বুলি অনুমান কৰা হৈছে। পৃথিৱীৰ সকলো মানুহ ঐক্যবদ্ধ হৈ বৌদ্ধিক তথা আধ্যাত্মিক শক্তিক তৃণমূল পৰ্যায়লৈ ব্যৱহাৰ কৰাৰ সময় সমাগত। এনে অৱস্থাত আমি যদি বিবেকৰ দ্বাৰা পৰিচা৷ হৈ ভুলপথ পৰিত্যাগ নকৰো, মানৱ সভ্যতাৰ যি সময়ত ঘটিব চৰম উত্তৰণ; সেই সময়ত আমি নামি যাম তললৈ আৰু তললৈ। □



বছৰেকীয়া বঁটা বিতৰণী সভাত ভাষণৰত অৱস্থাত

মুখ্য অতিথি ড° মহেশ চন্দ্ৰ ভূঞা,

কুল সচিব, গু, বি,



নির্দিষ্ট বক্তা ড° বনমালী নাথ

ডাইৰেক্টৰ ( প্লেনিং এণ্ড ডেভেলোপমেণ্ট ), গু, বি,

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ একতা সভাৰ কাৰ্যকৰী সমিতি— ১৯৯১-৯২ চন।



বহি : [ বাওঁফালৰ পৰা ] অধ্যাপিকা ক্ষীৰদা মালী ( তত্বাৱধায়িকা, ছাত্ৰী জিৰণি কোঠা ), অধ্যাপক প্ৰাণেশ্বৰ নাথ ( তত্বাৱধায়ক, সাংস্কৃতিক বিভাগ), অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ (সভাপতি), অধ্যাপক বসন্ত কুমাৰ দত্ত (উপ-সভাপতি), অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া ( তত্বাৱধায়ক, 'জৱাহৰ জ্যোতি' ),

থিয় হৈ : [ বাওঁফালৰ পৰা ] মীৰা কুমাৰী (সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা), প্ৰশান্ত শৰ্মা ( সম্পাদক, তৰ্ক আৰু আলোচনা চক্ৰ ), হীৰেণ ৰাভা ( সম্পাদক, সমাজ সেৱা ), খৰ্গেশ্বৰ ৰাভা ( সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ), প্ৰদীপ কলিতা ( সম্পাদক, সাংস্কৃতিক বিভাগ ) গণেশ চন্দ্ৰ বড়ো ( সম্পাদক, 'জৱাহৰ জ্যোতি' ) ।

ছবিত অনুপস্থিত : অধ্যাপক সদানন্দ নাথ ( তত্বাৱধায়ক, তৰ্ক আৰু আলোচনা চক্ৰ ), অধ্যাপক অৱনী কুমাৰ দাস (তত্বাৱধায়ক, খেল বিভাগ), অধ্যাপক উমেশ চন্দ্ৰ কৰ (তত্বাৱধায়ক সমাজ সেৱা), ভবেশ চন্দ্ৰ গোস্বামী (তত্বাৱধায়ক, ছাত্ৰ জিৰণি কোঠা), অনিল কুমাৰ বাভা (সম্পাদক, ছাত্ৰ জিৰণি কোঠা), প্ৰবোধ চন্দ্ৰ বড়ো (সম্পাদক, খেল বিভাগ) ।

# কবিতা

## অনাবৃত ব'হাগ

**ললিত চন্দ্ৰ ৰাভা**
স্নাতক তৃতীয় বাৰ্ষিক

প্ৰতিজন মানুহেই এতিয়া সজাগ
শোষকৰ সঘন কষ্টকৰ কামোৰে
বুকুৰ কামিহাড় ডাল ডাল কৰাৰ পাছতো
মাটিৰ স্তৰে স্তৰে বিয়পি পৰিছে
বিশাল বটবৃক্ষৰ শিপাসমূহৰ দৰে
সিহঁতৰ ধৈৰ্য্য, সাহস আৰু আত্মবিশ্বাস।
আহৰণ কৰি মাটিৰ পৰা
লোণ, পানী কিম্বা খনিজ পদাৰ্থ
বাঢ়িছে এতিয়া পলে পলে প্ৰতিভাৰ শিশু
আৰু বাঢ়িছে সিহঁতৰ বাবে
সোণ পুৰিলেহে উজ্বল হোৱা প্ৰতীতিৰ প্ৰজ্ঞাৰে
বৰ্ণাঢ্য ব'হাগ।

শইচৰ সুঘ্ৰাণ লৈ
কৃষকে কৰ্ষণ কৰিছে মাটি,
মমতাময় মাতৃৰ হাতে হাতে
গঢ় লৈছে
শিশুৰ সুখাদ্য,
ফিৰ্ ফিৰীয়া ফাগুনৰ
উত্তপ্ত জুহালে চেলেকি যোৱা
গা-গছৰ ডালে ডালে
থোৰ মেলে

কণ কণ কুঁহিপাতে
বন্ধ্যা বালিৰ মাজেদিও
পলস পেলাই পেলাই
বাঢ়ি আহে বৰ্ষামুখৰ নদী.
যোৱাবাৰ পোৱালী নিদিয়া গাইজনীও এতিয়া গৰ্ভৱতী,
অমল আত্মীয়তাৰে সাৱটি ধৰে
কৰ্ণক অনুতপ্তা কুমাৰী কুন্তী ।
এতিয়া শিশুৰ খিল্‌খিল্‌ হাঁহি
পুৱাৰ বাটে-ঘাটে,
প্ৰতিজন যুৱকৰ বুকুৱে বুকুৱে
বগাই আছে
ক্ৰান্তিকালৰ সৰিতা সাৱটি
অনাবৃত ব'হাগ
আৰু কোকিল কণ্ঠী কেতেকী । ★

## যন্ত্ৰণা

অৰুণ চন্দ্ৰ বড়ো
স্নাতক প্ৰথম বাৰ্ষিক

সূৰ্য্যৰ তপ্ত বৰ্ষাত সেউজী গছৰ পাত স্খলকি পৰিল
মৰীচিকাৰ ভৱত বিশাল পৰ্ব্বতৰ কুণ্ড ছিটিকি পৰিল চৌপাশে
বেগুনীয়া সূৰ্য্যটিৰ পিশাচ ৰশ্মিয়ে
টুকুৰা-টুকুৰ কৰিলে গৰ্ভস্থ শিশুৰ মূৰটোক
সিহঁতৰ বুকুফালি দিয়া হৈছে
উন্মাদনাৰে শুনো সকলোতে
কাউৰী জাকৰ প্ৰশ্বাস বৈধতাৰ
ন-কন্যাৰ শিৰত তাণ্ডৱলীলা
ভৱিষ্যতৰ সোণালী সপোন
কাল নাগৰ দংশনত শেতা পৰি ৰ'ল
এতিয়া মাথো আছে মৃত্যু জীৱন্ততে ।

## আমাৰ স্বাধীনতা

সত্যজিৎ কলিতা
উঃ মাঃ প্ৰথম বাৰ্ষিক

তেজলগা গামোচাখনেৰে
ঢাকিলোঁ
সাতোজনী ভনীৰ
চকুৰ পানী
স্বাধীনতাৰ কাঠামো
কঁপি উঠে
প্ৰতিটো আঘাতত
কাঠগড়াত থিয় হ'ল
জনতাৰ সপোন
পঙ্গু, সোঁ আৰু বাওঁহাত
মৰণৰ সংবাদ
বিলায় ।
জ্বলি থকা চকুৰ পানীত
সুদূৰৰ মছনদ্
নকঁপে
ধৰ্ষিতা নাৰীৰ আৰ্তনাদত
কেৱল কঁপি উঠে
লুইতৰ শুকান বালি । ★

## মোৰ মন

ধনঞ্জয় তালুকদাৰ
স্নাতক তৃতীয় বাৰ্ষিক

মন মোৰ জ্যোৎস্নাহীন ৰাতিৰ আকাশ
চেতনাৰ দিগন্তত
এটি দুটি আশা জ্বলে টিমিক টামাক :
এন্ধাৰ ওৰণি খুলি
পৃথিৱীক চাওঁ বুলি
বুজি পালোঁ ই যে মোৰ স্বপ্ন বিলাস ।
মন মোৰ বৰষাৰ মেঘালী আকাশ
থিতাতে ধুমুহা আহি
নুমাই তৰাৰ হাঁহি
এন্ধাৰত দিশহাৰা ঘনীভূত বেদনাই
অন্তহীন চকুলোৰে বিচাৰে প্ৰকাশ ।
মন যদি হ'লহেঁতেন
ব'হাগৰ দুপৰৰ মায়াবী আকাশ
এই মেঘ এই নীলা
সাতৰঙী অশ্ৰুমালা
মৰু পৃথিৱীৰ অঙ্গে অঙ্গে সেউজ সুষমা সনা
দীপ্ত প্ৰেম আলোকৰ অবাধ উচ্ছ্বাস ! ★

# তেজাল ঘোঁৰা

নৃপেন কুমাৰ বড়ো
উঃ মাঃ প্ৰথম বাৰ্ষিক

মোৰ আইৰ সুন্দৰ
সেউজীয়া বুকুখন এতিয়া
তেজৰ চেকুৰাবে ভৰপূৰ
যেন বৃহৎ এক ভোজনালয়
কোনোবা বীভৎস দৈত্যৰ
সিহঁতৰ হাতৰ আঙুলিবোৰে
ফুলৰ কলিকো দিছে মোহাৰি
নিৰ্মল নদীৰ ঘাটবোৰত
এতিয়া পৰি আছে ছিঙামূৰৰ খোলা
ৰৰ ঘৰৰ আগচোতালত বুকুৰ এফাল
নথকা কোনো মাতৃৰ উচুপনি শুনি
পুত্ৰৰ নিস্তব্ধতাক কবৰ দিয়া
চৰাইজাকো আজি মৌন
আৰু আইৰ তেজাল ঘোঁৰাবোৰ
নিৰ্লজ্জভাৱে গভীৰ নিদ্ৰাত মগ্ন। ❁

# বিপন্ন দিনৰ চৰম ক্ষণতো

ৰণিত ৰাভা
স্নাতক প্ৰথম বাৰ্ষিক

তুচকুত বেদনা
প্ৰতিটো মুহূৰ্ত্তত মই উপলব্ধি কৰোঁ
মোৰ সত্তাৰ মূল্য
এদল পাষণ্ডই কাঢ়ি ল'ব খোজে
শুচৰ-পাজৰৰ প্ৰতিবাদৰ
সমস্ত ভাষা ;
শান্তিৰ নামত উন্মত্ত কিৰিলি
জীৱনৰ মূল্য সিহঁতৰ বাবে
এটা গুলিৰ এপলক শব্দ,
আৰ্ত্তনাদবোৰ মাৰ যায়
দস্যুালিৰ অট্টহাস্যত,
তথাপিও ঘূৰি থাকে অবিৰত
শোষিতৰ দাবিৰ চকা
ক্ৰান্তিকৰ যাত্ৰাৰ পথত। ☆

## মহাকাল

জগদীশ কুমাৰ ৰাভা
উঃ মাঃ প্ৰথম বাৰ্ষিক

বিপ্লৱৰ অগ্নিশিখা
গোলা-বাৰুদেৰে নিঃশেষ কৰিম
অত্যুৎসাহী আৰু উদ্দীপ্ত কণ্ঠ
অৱৰুদ্ধ কৰিম অটল গৰ্ভত
স্বাধীনতাক ৰূপান্তৰিত কৰিম
পৰাধীনতালৈ
সমাধিস্থ কৰা হ'ব
চেতনাৰ জাগ্ৰত অনুভূতি
এক ক্ৰূৰ সৰ্পৰ দংশনত মূৰ্চ্ছিত কৰিম
শান্তিৰ সৰল কপৌ
মোক অগ্ৰাধিকাৰ নিদিয়াজনক
জাৰি কৰা হ'ব নিষেধাজ্ঞা
ক্ষমতাত উন্মত্ত মই
ক্ষমতা মোৰ আজন্মৰ পিপাসা
জীৱন কিম্বা
অন্য এটা মোৰ নাম
দয়াহীন, ক্ষমাহীন মই মহাকাল!!

## নিজম বাঁহীৰ সুৰ

বদন দাস
উঃ মাঃ প্ৰথম বাৰ্ষিক

এই নিজম ৰাতিখন
কেঁচা ঘুমটিতেই আহি
তুমি মোক জগালাহি।
এতিয়া,
পখিলাৰ পাখি লৈ
উৰি উৰি ঘূৰি ফুৰিছোঁ
পৰ্ব্বতৰ শিখৰে শিখৰে
সোণালী ঈগল হোৱাৰ
দুৰ্ব্বাৰ বাসনাৰে।
এতিয়া,
দোকমোক উজাগৰী পুৱাৰ
প্ৰহেলিকাময় সপোন
দূৰৈত মাথো ৰিনিৰিনি বাজে
তোমাৰ অদৃশ্য বাঁহীৰ
অনুভূত সুৰ। ★

# অভিযাত্ৰী

প্ৰভা কলিতা
উঃ মাঃ প্ৰথম বাৰ্ষিক

মোৰ অন্তৰাত্মা কঁপাই যোৱা
তোমাৰ প্ৰেৰণাৰ বতাহ ছাটিয়ে
নুমাই দিয়া পাই হেঙ্কৰাৰ
নিৰ্মম অত্যাচাৰ
তোমাৰ হাতৰ সুকোমল পৰশেৰে
মচি দিয়া হৃদয় জুৰি বিয়পি পৰা
ত্ৰাসৰ হুঙ্কাৰ
শেষ হৈ যাওক ঘৰৰ মূধচত থকা
নিৰ্য্যাতীজনীৰ বিদ্ৰুপৰ পেচ্‌পেচ্‌নি
এটি মাথো গীত গোৱা
উদাত্ত কণ্ঠত
যি গীত মুখৰিত হ'ব
সংগ্ৰামীজনৰ কণ্ঠে কণ্ঠে।

# মানৱ স্বত্ব

সবিন কুমাৰ বৈশ্য
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

মই প্ৰৱল প্ৰতাপী এটি মুক্ত বিহঙ্গ
মোৰ দুহাতত বাজে আনন্দৰ
মৃদঙ্গ
মোৰ গীতৰ তালে তালে
নাচে সেউজী গছৰ পাতে
মোৰেই ডেউকাৰ শৰদত গৰজে
বাৰিষাৰ বলিয়া মেঘৰ মাদল
মোৰ চকুৰ চাৰনিত বৃথা হয়
বহুতৰ স্বপ্নময় নিদ্ৰা
মোক দেখিলেই ভঙ্গ হয়
ভণ্ড সাধুৰ লগ্নময় যাত্ৰা।
মই প্ৰৱল প্ৰতাপী এটি মুক্ত বিহঙ্গ
পৃথিৱীৰ চৌদিশে
মানুহৰ বুকুৱে বুকুৱে আনি জাগৰণ
অনিৰুদ্ধ গতিৰে কৰিছোঁ ভ্ৰমণ।

## কাৰ বাবে

**অপূৰ্ব্ব কুমাৰ দাস**
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

অসীম সৌন্দৰ্য্য
এই প্ৰকৃতি বুকুৰ
উপভোগ কৰি কৰি
আজিৰ মানুহে
মতলীয়া হৈ
নামিছে ক্ৰমশঃ
এন্ধাৰৰ অটল তলিলৈ
॰ ॰ ॰ ॰
ইয়াতেই হেনো স্বৰ্গ
পুণ্য ভূমি মানুহৰ
শান্তি য'ত অবিৰত
কিন্তু এতিয়া মুখৰিত
শান্তিকন্যা মূক মৌন হৈ
কাৰ বাবে ক'তেবা হেৰাল। ★

## প্ৰলয় ধুমুহা

**নিৰঞ্জন মজুমদাৰ**
উঃ মাঃ প্ৰথম বাৰ্ষিক

চাৰিওফালে কেৱল
বলিব ধৰিছে
প্ৰলয় ধুমুহা
ভালেই হ'ল
কঁপিব ধৰিছে গোটেই পৃথিৱী
ভালেই হ'ল
হয়তো উত্থান কিম্বা পতন
বিচৰাৰ শেষ সময় হ'ল
আধা জী থাকি বিকলাঙ্গৰ দৰে
কৰিমেইবা কি
তেল নোহোৱা বন্তি গছিৰ দৰে
ঢিমিক-ঢামাক পোহৰ দি
নমাই আনক
কাল ধুমুহাৰ বজ্ৰৰ গৰ্জ্জনে
ধাৰাসাৰ বৃষ্টি .....
নিকা হওক কলঙ্কিত সভ্যতা
আৰু সংস্কৃতি। ★

# প্ৰতিজ্ঞা

বাসৱ ঠাকুৰীয়া
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

আহিছোঁ ওলাই মুক্তিৰ বাবে
কৰিম বা মৰিম বাপুজীৰ আদৰ্শেৰে ।
সমাজত আজি অশুভ শক্তিৰ অতপালি
অক্টোপাছৰ দৰে ধৰিছে মেৰিয়াই
সংহাৰ মূৰ্ত্তি ই যে অপশক্তি ।

শোষণ আৰু প্ৰৱঞ্চনাৰ
অসম অন্য এটি নাম,
জন্ম হয় সশস্ত্ৰ বিপ্লৱৰ
কিন্তু ই যে কণ্টকাকীৰ্ণ মাৰ্গ
হিংসাই হিংসা আনে
সুযোগ লয় ৰাষ্ট্ৰযন্ত্ৰই ।

অহিংসাৰেহে আনিব পাৰি মুক্তি
তাৰেই প্ৰমাণ নহয় জানো বাপুজী !
সেয়েহে আজি কৰোঁ আহা প্ৰতিজ্ঞা
অহিংসাৰে আনিম অসমৰ
নৈতিক স্বাধীনতা । ★

# মানুহবোৰ কাঁইটীয়া কেক্‌টাচ

বিজয় কুমাৰ নাথ
স্নাতক দ্বিতীয় বাৰ্ষিক

সেউজ ভূমিৰ পৰা বহুদূৰ
মৰুভূমিৰ প্ৰান্তে প্ৰান্তে গজা
এইবোৰ ;
এইবোৰ কাঁইটীয়া কেক্‌টাচ ।
অঙ্গ তাৰ সহিষ্ণুতাৰ প্ৰতীক
প্ৰতি নিয়ত ধুমুহাৰে ভৰা
এই ভূমিত ;
কিহৰ সন্ধানত অলৰ-অচৰ
এই কেক্‌টাচবোৰ,
যেন সংগ্ৰামী চেতনাৰ
প্ৰতিবাদী কণ্ঠৰ নিৰ্ভীক স্বৰ ।
আজি মই হঠাৎ দেখিলোঁ
মোৰ স'তে এজাক মানুহ
প্ৰাণৰ প্ৰান্তে প্ৰান্তে গজা
এডবা কাঁইটীয়া কেক্‌টাচ । ❋



প্ৰয়াত হেমন্ত কুমাৰ ৰাভা জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ আছিল। ইং ৯।১২।৯১ তাৰিখে ভাৰতীয় সৈনিকৰ হাতত ছাত্ৰ গৰাকীৰ অকাল মৃত্যু হয়। সাহিত্য, সংগীত আৰু চিত্ৰ শিল্পত ব্যুৎপত্তি থকা ৺ হেমন্ত কুমাৰ ৰাভাৰ স্বৰচিত কবিতা এটি প্ৰকাশ কৰি ছাত্ৰ গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ল।

# ভঙা বুকুৰ কলিজা

কলিজাৰ তেজেৰে
মহিয়ান কৰিলা
অসম মাতৃৰ বুকু ভঙা
হৃদয়ৰ কথা।
কিন্তু কৰ্তব্য তাত আৰু বহুত
এয়া মাথো কেঁচা তেজৰ টেঁকুৰাৰ গোন্ধ হে
শত আদৰৰ ধন নহয়।
হে অসমীয়া ল'ৰা!
তুমি মৃত্যু-ভয়কো জিনি ওলাই আহা
সহৃদয় উছৰ্গা কৰি তুমি ওলাই আহা
সময় বৰ তাকৰ
"অসম আৰু অসমীয়া" শব্দৰ অৰ্থ
তোমাৰ দুবাহুত
তোমাৰ কপালত
তোমাৰ বুকুত
তোমাৰ ভঙা বুকুৰ কলিজাত।

—:□:—

# মৰা কলহীৰ প্ৰতি

আব্দুল বাৰিক আল-আমান
স্নাতক প্ৰথম বাৰ্ষিক।

নাজানো কিয় ক্ষুব্ধ হৈ
ক্ৰোধিত হৈ কাক উপলক্ষ কৰি
বৈ আছা একা-বেঁকা কৰি।
প্ৰতিদিনে খং তোৰ
কিয়নো গৈ আছে চৰি?
কবিনে এবাৰ তই মোক প্ৰাণ খুলি?
ককাইদেউতাই কোৱা মতে
তইতো নাছিলি ইমান ক্ৰোধিত
স্ৰোতত নাছিল প্ৰলয়ংকৰী মূৰ্তি।
আজি ৰাক্ষস সাজি
কিয় গ্ৰাস কৰ তই
হাড়ভঙা কৃষকৰ খেতি
এয়ে জানো তোৰ ধৰ্ম আৰ্তজনৰ প্ৰতি!
হে'ৰ কঠোৰ কলহী,
তথাপিও চোন তোক ভাল লাগে
তই দিয় আকৌ আপুৰুগীয়া দান
নিত্য নতুন প্ৰতিশ্ৰুতি॥

—:☆:—

## বৈৰী বিভৱ

বসন্ত কুমাৰ দত্ত
বিভাগীয় প্ৰধান, অসমীয়া বিভাগ।

কিযে অনাহূত অবসন্ন অনুভৱ
সমগ্ৰ সত্তাৰ সজাত
কেনেকৈ কিয় জানো
লেখি লেখি ললেহি থিত
হয়তোবা হব পাৰে ইয়ো এক
লটঙা গছৰ ডালত
সন্তৰ্পণে শুই পৰা
সনাতন সেমেকা শীত।
মনত পৰা নাই
অজানিতে দিলো নেকি এৰি
তোৰে মোৰে এদিনৰ
চেওঁধৰা চেনেহৰ ছবুৰি চিত
মনত পৰা নাই
কুঁৱলীৰ পাল তৰি গ'ল নেকি
কেতিয়াবা ক'ৰবালৈ ঘূৰি
বহুৰঙী এবুকু বুকুৰ বিত।
খুটি চালো ৰ'দে পোৱা
পুৰাতন পাহাৰৰ পীতৰঙী টিং
জুমি চালো মেঘৰ মোহনাত
এটি দুটি টিপ টিপ তৰাৰ মণি
আছে নেকি ক'ৰবাত গুপুতে লুকাই
বৰ্ণালী ব'হাগৰ
প্ৰথম পুৱাৰ প্ৰিয়তম
গোপনৰ সোণালী গীত। ★

## শলিতাৰ ৰঙা শিখা নুমাই যোৱা নাই

সৰলা কলিতা
উঃ মাঃ ২য় বাৰ্ষিক

শলিতাৰ ৰঙা শিখা
ক্ৰমাগত লীন হৈ যায়
পৃথিৱীৰ কোলাত
আকাশৰ বুকুত।

নিঃশব্দে নীৰৱে
বৈ আছোঁ মই
অৰ্দ্ধ জাগ্ৰিত হৈ।

কেতিয়াবা
কুঞ্জলতাৰ আঁৰে আঁৰে
জুমি চাই দেখোঁ
কেতবোৰ নিৰ্জীব পদাৰ্থ,
হঠাৎ সিহঁতৰ ৰুদ্ধকণ্ঠৰ পৰা
ভাহি আহে
অৰ্থহীন হাঁহি
ভাষাহীন চিৎকাৰ
শলিতাৰ ৰঙা শিখা
এতিয়াও নুমাই যোৱা নাই।

—★—

ইং ১৯৯১-৯২ চনত মহাবিদ্যালয় সপ্তাহ উপলক্ষে আয়োজিত প্ৰতিযোগিতাত পুৰস্কাৰপ্ৰাপ্ত কবিতা সমূহ—

## প্ৰেম

ললিত চন্দ্ৰ ৰাভা
স্নাতক ৩য় বাৰ্ষিক

(১)

প্ৰেম !
এই একেটা শব্দই গৰজি ভাঙে মোৰ
সংৰক্ষিত দুৰ্জয় বুকু
কলিজাইদি বগাই আহে
বসন্তক সাৰটি
এটি কেতেকী
সৰ্বশৰীৰত কঁপি উঠে তাৰ
বতাহে ছুই যোৱা
জীয়াপাখি
যেন কাঢ়ি নিব কোনোবাই
মোৰ এই অক্ষত হৃদয়
টানি আঁজুৰি।

(২)

কেনেকৈ যে শিলে শিলে
ইফালে সিফালে
চপলিয়াই মৰিছে পানী !
কিযে এক যন্ত্ৰণাকাতৰ গেঙনি
শুনি নে নুশুনি
প্ৰেমৰ সৰস সঁহাৰি।

(৩)

চকুত মোৰ আজি নিশা
এপলকো টোপনি নাছিল
এক অদ্ভুত প্ৰাপ্তিৰ প্ৰত্যাশাত
কলিজাৰ কোঁহে কোঁহে মোৰ
তাৰেই গুণ গুণ গীত
তাৰ সুৰে সুৰে
কঁপে মোৰ বুকু পলে পলে
দেহৰ সমস্ত শক্তিৰে সাৰটি
বিচিত্ৰ বৰ্ণালী
প্ৰেমৰ দুহাতে কঢ়িয়াই অনা
এই মধুময় মধুক্ষণত
মন মোৰ ৰঙে-ৰসে ৰাঙলী।

(৪)

মোৰ বুকুত আশ্চৰ্য এক ফুলৰ সুবাস
তোমাৰ নিষ্পাপ হৃদয়ৰ ৰঙা ৰঙা গোলাপ
খুচিলেই ওলাই তাত মৰম নামৰ ৰস
যি ৰসত নিমজ্জিত মোৰ সমগ্ৰ সত্তা। ★

---

অদূৰত শুনা যায় প্ৰহৰীৰ পদদাপ, বিপদ সংকেত ধ্বনি
স্তব্ধতা বিদীৰ্ণ কৰি নৈশ নগৰীৰ
শুনা যায় আৰ্তনাদ নামহীন নিহত ব্যক্তিৰ।

—হোমেন বৰগোহাঞি

---

# ডাষ্টবিন

সুৰজিৎ কাকতি
উঃ মাঃ দ্বিতীয় বাৰ্ষিক।

বিভিন্ন আৱৰ্জ্জনাৰ প্ৰতীক মই
গেলা-পচা দুৰ্গন্ধই মোৰ অঙ্গ
মই ঐক্যৰ মূৰ্ত্তিমান ৰূপ
মোৰেই বুকুত ঠাই পায়
ধনী-দুখীয়াৰ সকলো আৱৰ্জ্জনা
মই নিবিচাৰো জাতি ভেদ
সাম্যবাদী ডাষ্টবিন মই
কোনোবাই মোক ঘিণ কৰিব পাৰা
মোক দেখি নাক কোচাব পাৰা
তথাপিও মই কাৰোবাৰ খাদ্যৰ ভঁৰাল
মোৰ বুকুত থকা তোমালোকৰ অখাদ্যবোৰ
আলফুলে সাঁচি ৰাখো
মই জানো অলপ পিছত
এইবোৰেই হ'ব কাৰোবাৰ বাবে
সুখাদ্য অমৃত। □

---

চোৰা মোৰ দেহ নাই
মোৰ দেহকেই সিহঁতে লৈ গ'ল মই বুলি
মোৰ দেহ মই সিহঁতক দিলো
নিদিলোঁ মোৰ কণ্ঠ
মোৰ গান সিহঁতক নালাগে
মাংসই যথেষ্ট।

—নৱকান্ত বৰুৱা

---

# ডাষ্টবিন

নীলিম দত্ত
উঃ মাঃ দ্বিতীয় বাৰ্ষিক ।

চহৰৰ ব্যস্ত ৰাজ আলিৰে
আগবাঢ়ি যায় বিচিত্ৰ মানুহৰ
বিচিত্ৰ সমদল
সকলোৰে সাক্ষী এটা চাৰিচুকীয়া ডাষ্টবিন
যাৰ বুকুত সোমাই আছে অনেক আৱৰ্জনা
এটা মাথোন ডাষ্টবিন
অন্তহীন খাদ্যৰ ভঁৰাল হৈ ৰৈ আছে
ইয়াৰ চৌপাশে ভিৰ কৰে অসংখ্য
ক্ষুধাতুৰ মানুহ আৰু চোৰেলা কুকুৰৰ
জীয়াই থকাৰ স্বপ্নই
হাজাৰ বছৰীয়া শিলৰ মাজত
জীৱাশ্ম বিচৰা একো একোজন
প্ৰত্নতাত্বিকৰ দৰে সিহঁতৰ অফুৰন্ত আকুলতা
সিহঁতৰ চকুত তিৰবিৰণি
ৰাস্তাৰ দাঁতিৰ ডাষ্টবিনৰ বুকুত কৰা
খাদ্যৰ সন্ধানে অজানিতে উদঙাই
আধুনিক সভ্যতাৰ কদৰ্য ডাষ্টবিন ।

—:০:—

# ডাষ্টবিন

তুমি নীৰৱ প্ৰাণহীন
মহান ডাষ্টবিন
সমাজৰ আৱৰ্জনা বুকুত সাৱটি
জাহিৰ কৰা পৰিচ্ছন্ন নগৰৰ
নাম
তুমিতো নাজানা ঘিণ কৰে
এচামে গেলা-পচা দুৰ্গন্ধৰ
বাবে
কিন্তু তুমিয়েইতো হেজাৰ ভোকাতুৰৰ
খাদ্যৰ ভঁৰাল আৰু
পিতৃ পৰিচয়হীন সদ্যজাত
কোনো শিশুৰ আলয়
হ'লা নেকি আন নাম
সহিষ্ণুতা উদাৰতাৰ
তুমি ডাষ্টবিন।

:□:

বিমল কুমাৰ তামুলী
উঃ মাঃ ১ম বাৰ্ষিক



১৯৯১-৯২ চনৰ মহাবিদ্যালয় সপ্তাহৰ কইনা প্ৰতিযোগিতাত অংশ লোৱা কেইগৰাকীমান প্ৰতিযোগী ।

"ভাৰত জনবিজ্ঞান যাত্ৰা ১৯৯২"ত মূল যাত্ৰাত গুৱাহাটীত আয়োজিত কুইজ প্ৰতিযোগিতাত যুটীয়াভাৱে দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত মহাবিদ্যালয়ৰ দলটি : ক্ৰমে হেমেন বৰকাকতি, সম্ভু ৰাম বড়ো, ভদ্ৰেশ্বৰ ৰাভা ।





পদুমী পাঠক
শ্ৰেষ্ঠা গায়িকা
১৯৯১-৯২



মীৰা কুমাৰী
শ্ৰেষ্ঠা অভিনেত্ৰী
১৯৯১-৯২

৩০



অঞ্জলি দৈমাৰী
শ্ৰেষ্ঠা খেলুৱৈ
১৯৯১-৯২



মেঘালী দাস
শ্ৰেষ্ঠা অভিনেত্ৰী
১৯৯১-৯২

## প্ৰবন্ধ

# শৰতৰ কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত

**খৰ্গেশ্বৰ ৰাভা**
স্নাতক প্ৰথম বাৰ্ষিক

পাৰ্বতী প্ৰসাদ বৰুৱা অসমীয়া গীতি সাহিত্য জগতৰ এটি সুপৰিচিত নাম। ১৯০৪ চনত শিৱসাগৰত তেওঁ জন্ম লাভ কৰে। অসমীয়া সাহিত্য জগতত তেওঁ গীতি কবি ৰূপে খ্যাত। পাৰ্বতী প্ৰসাদ বৰুৱা অকল গীতি কবিয়েই নাছিল, তেওঁ আছিল একাধাৰে চিত্ৰ পৰিচালক, সু-অভিনেতা, সু-গায়ক, নৃত্য শিল্পী, সুৰকাৰ আদি।

ভগৱতী প্ৰসাদ বৰুৱা পাৰ্বতী প্ৰসাদ বৰুৱাৰ ককায়েক আছিল। দুই ভাই-ককাই বাটেৰে একেলগে গ'লে মানুহে কৃষ্ণ-বলোৰাম যোৰা বুলি মন্তব্য আগবঢ়াইছিল। লাহী, দীৰ্ঘদেহী পাৰ্বতী প্ৰসাদ বৰুৱা দেখিবলৈ অতি ধুনীয়া ব্যক্তি আছিল। সাজ-পাৰত তেওঁ আছিল অতি পৰিপাটি আৰু নিভাঁজ অসমীয়া সাজপাৰহে তেওঁ পৰিধান কৰিছিল।

সমসাময়িক প্ৰায় কবি সাহিত্যিকৰ ওপৰত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱ পৰাৰ দৰে আমাৰ গীতি কবি পাৰ্বতী প্ৰসাদ বৰুৱাৰ ওপৰতো ৰবীন্দ্ৰ নাথ ঠাকুৰৰ প্ৰভাৱ প্ৰচুৰভাৱে পৰিছিল। সকলো ক্ষেত্ৰতে তেওঁ ৰবীন্দ্ৰ নাথ ঠাকুৰক অনুকৰণ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ গীত-কবিতাত এই প্ৰভাৱ অতি স্পষ্ট। ৰবীন্দ্ৰ নাথ ঠাকুৰে শৰতৰ বৰ্ণনা কৰিছে---

"শৰৎ তোমাৰ অৰুণ আলোৰ অঞ্জলি
ছড়িয়ে গেল চাপিয়ে মোহন অংগুলি
শৰৎ তোমাৰ শিশিৰ ধোওয়া কুন্তলে
বনেৰ পথে লটিয়ে পড়া অঞ্চলে
আজ প্ৰভাতেৰ হৃদয় উঠে অঞ্জলি।"

কবি পাৰ্বতী প্ৰসাদ বৰুৱাই একেদৰে লিখিছে—

"সোণ শৰতৰ পৰশ লাগি
আঙুলি বুলাই হঠাৎ জাগি
পোহৰ বেণুৰ সুৰ উফৰি
গগন ভৰিল ঐ।"

আকৌ—

"দূৰে যাব না আজ ঘৰেৰে ভাই
যাব না আজ ঘৰে
আজ বীণা বাজে বাজিয়ে বাসি
কাটাব সকাল বেলা।"

—ৰবীন্দ্ৰ নাথ

আজি ৰঙৰে দিনতে কিহৰ ঐ চিতনি
থৈ দে ঘৰৰ কাম
শেৱালিৰ মালা পিন্ধি নাচোইক
লগাই দে বিহুৰে নাম।

—পাৰ্বতী প্ৰসাদ

অকল গীত-কবিতাতেই নহয়, ৰবীন্দ্ৰ নাথৰ দৰে

পাৰ্বতী প্ৰসাদ বৰুৱাই পিন্ধা-উৰা কৰিছিল, ৰবীন্দ্ৰ নাথৰ দৰে হুবহু একে ধৰণৰ আখৰো লিখিছিল। ৰবীন্দ্ৰ নাথক তেওঁ অনুকৰণ কৰিলেও তাৰ মাজতে পাৰ্বতী প্ৰসাদ বৰুৱাই নিজস্বতাৰো পৰিচয় দাঙি ধৰিছিল।

হৃদয় বিদাৰক এক দুৰ্ঘটনাই পাৰ্বতী প্ৰসাদ বৰুৱাৰ জীৱনৰ গতিকেই প্ৰৱাহিত কৰি দিছিল অন্য দিশে। শিৱসাগৰত অনুষ্ঠিত থিয়েটাৰ এখন চাবলৈ ভগৱতী প্ৰসাদ বৰুৱা, তেওঁৰ গাভৰু পত্নী সত্যৱতী বৰুৱা, শিশু পুত্ৰ, তেওঁৰ ভনীয়েক আৰু লিগিৰী ছোৱালী জনী এখন গাড়ীত উঠি ৰজাবাৰীৰ পৰা গৈ আছিল। সেইদিনা মটৰ গাড়ীখন চলাইছিল পাৰ্বতী প্ৰসাদ বৰুৱাই নিজে। বিধিৰ দুৰ্বিপাক, ঘটনাক্ৰমে সেই সন্ধিয়া পৰত প্ৰবল গতিত বৈ থকা উত্তাল দিচাঙৰ বুকুত গাড়ীখন সোমাই পৰিল। একমাত্ৰ পাৰ্বতী প্ৰসাদ বৰুৱাৰ বাহিৰে আটাই কেইজন যাত্ৰীৰে সেই নিশা দিচাঙৰ বুকুত সলিল সমাধি ঘটিল। পাৰ্বতী প্ৰসাদ বৰুৱা বাচিল; তাৰ বাবে তেওঁ ভগৱানক কৃতজ্ঞতা নজনালে, দিলে প্ৰচুৰ শাওপাত। এই দুৰ্ঘটনাই পাৰ্বতী প্ৰসাদ বৰুৱাক দৈহিকভাৱে পঙ্গু কৰি পেলালে। দৈহিকভাৱে পঙ্গু হলেও তেওঁ মানসিকভাৱে পঙ্গু হৈ নাথাকবলৈ যৎপৰোনাস্তি চেষ্টা কৰিলে। ফলস্বৰূপে আমি পাওঁ পাৰ্বতী প্ৰসাদ বৰুৱাৰ অসমীয়া সাহিত্য সংস্কৃতিলৈ অতুলনীয় অৱদান।

পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতি-কবিতাৰ সংকলন সমূহ হ'ল— 'সোণৰ সোলেঙ', 'ভঙাটোকাৰীৰ সুৰ', 'গুণ-গুণনি', 'লুইতী', 'শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল' আদি। ৰূপহী তেওঁৰ দ্বাৰা পৰিচালিত কথাছবি। লোকগীতৰ ঠাঁচ তেওঁৰ গীতি-কবিতাৰ বিশেষ বৈশিষ্ট্য। যুক্তধ্বনি পৰিহাৰ কৰি কোমল, স্নিগ্ধ আৰু মঞ্জুল শব্দাৱলী প্ৰয়োগ কৰাত ৰচনাৰীতি শ্ৰুতি মধুৰ হৈছে। জগতৰ ৰূপ-ৰস, গন্ধ-স্পৰ্শ-শব্দৰ ইন্দ্ৰিয়ানুগ্ৰাহ্য সৌন্দৰ্য পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতি কবিতাত এটি তৰল লাস্যময় ৰূপত ধৰা দিছে। জাগতিক সৌন্দৰ্য পোহাৰৰ অন্তৰালত এজন অদৃশ্য মোহন যাদুকৰৰ ৰূপ-কাঠিৰ পৰশ কবিয়ে অনুভৱ কৰিছে!

শৰতৰ এক স্নিগ্ধ মনোৰম ছবি দেখা যায় পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতত, কবিতাত। শৰতৰ উৰণীয়া শুকুলা ডাৱৰ, শুভ্ৰ শেৱালি আৰু লুইত পৰীয়া চোঁৱৰধাৰী কঁহুৱাই পাৰ্বতী প্ৰসাদ বৰুৱাক কৰি তোলে উন্মনা। শৰতৰ শুভ্ৰতা আৰু কোমলতা তেওঁৰ প্ৰধান আকৰ্ষণ। শৰতৰ সংযত সৌন্দৰ্যই পাৰ্বতী প্ৰসাদ বৰুৱাৰ ব্যক্তিত্বৰ প্ৰতীক; সেয়ে তেওঁক শৰতৰ কবি বুলি অভিহিত কৰা হয়।

"আহিন মহীয়া শেৱালি সৰিলে
নিয়ৰত তিতিলে বন
জোনাকত ভাহিলে কিহবাৰে ৰাগী
কেনেবা কৰিলে মন।"

আকৌ—

"বগা ডাৱৰে মূৰতে পাগুৰি
কোন কোঁৱৰলৈ বুলি
দোকমোকালিতে মোৰে দুৱাৰতে
কেলেই ভুমুকিয়ালে হি।"

একেদৰে—

"বজালে আহিনে বাঁহী নে বীণ
সুৰ পালা নে চিন
শুকুলা ডাৱৰ ঐ কঁহুৱা ফুল
ৰূপত গ'লা নে ভুল।"

সাম্প্ৰতিক কালত পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতে অসমীয়া সঙ্গীত জগতত এক স্বকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে। তেওঁৰ গীতৰ ভাব, ভাষা, শব্দচয়ন, সুৰ আৰু লয়ত এটি স্বকীয়া সৌকুমাৰ্য আছে। গীতসমূহ শুনিলেই পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীত বুলি অনুমান কৰিব পাৰি। সুৰৰ ক্ষেত্ৰত তেওঁৰ গীত সম্পূৰ্ণ লোক-সংগীতৰ ওপৰত প্ৰতিষ্ঠিত। বিহুগীত, বিয়াগীত, বনগীতৰ সুৰে তেওঁৰ গীতক কৰি তুলিছে মহীয়ান। কিছুমান গীত অকল সুৰৰ ফালৰ পৰাই নহয় কথাংশৰ ফালৰ পৰাও বনগীতৰ সমতুল্য।

"গ'ৰখীয়া হেৰ' গ'ৰখীয়া
কি সুৰ বজালি দুপৰীয়া
পথাৰৰ মাজতে আহঁতৰ তলতে
ম'হৰ শিঙৰ পেঁপাটি বায়
দুপৰৰ আকাশত কি সুৰ বজালি
জগত নিজম পৰি যায়।"

অসমীয়া জনজীৱনৰ লোক গীতৰ সুৰে পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতক মনোগ্ৰাহী কৰি তুলিছে। কাহাৰবা, দাদ্ৰা আৰু ৰূপক তালেই গীতসমূহত বেছিকৈ প্ৰয়োগ হোৱা দেখা যায়। সঘনাই ব্যৱহাৰ হোৱা পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতৰ সুৰৰ কেইটামান চানেকি সংগীতৰ ভাষাত এনেকুৱা—মাপামাগাৰেসা, মাপামানি পাগাৰেসা, সাঁৰেঁ গাঁৰেঁসাঁ ধানিধামা, সাঁনি ধানি ধাপা, মাগা ৰেগা মাগা ৰেসা, গাৰে সাগা ৰেসানিসা আদি।

পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতত, কবিতাত আছে শৰতৰ স্নিগ্ধতা, বিজুলীৰ চকু চাট্‌ মাৰি যোৱা চমকনি তাত নাই, আছে কামধেনুৰ চকু শাঁত কৰা বৰষুণ। মহা সমুদ্ৰৰ গৰ্জ্জন তাত নাই, আছে লুইতৰ ধল আৰু দিখৌৰ মৃদু কলকলনি। কেতেকী ফুলৰ উগ্ৰ গোন্ধ তাত নাই, আছে শেৱালিৰ মৃদু সুবাস। বিদেশী বাদ্যযন্ত্ৰৰ হিলদল ভঙা ঝংকাৰ তাত নাই, আছে অসমীয়া টোকাৰী গীতৰ মৃদু গুণগুণনি। পাৰ্বতী প্ৰসাদ বৰুৱাৰ গীতি-কবিতাৰ মাজেদি 'সুৰৰ বাগীত কঁপে পোহৰ', 'ডাৱৰে ডাৱৰে মৃদং বজায় গুৰুগুৰু', 'জোনাকত কিহবাৰ বাগী ওপঙে', 'সুৰৰ ভৰত কঁপে তৰা ভৰা আকাশ', 'ডাৱৰৰ যুঁজত সূৰুয জিকে', 'পোহৰৰ কাঁড়েৰে ডাৱৰ সৰকাই' ইত্যাদি। তেওঁৰ কিছুমান গীতত, কবিতাত ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰে করুণ। তাত আছে চকু পানীৰ বান, কেঁচা শোণিতৰ টেঁকুৰা আৰু ৰঙা ৰহটুপি। এই করুণ ৰসৰ বাবেই পাৰ্বতী প্ৰসাদ বৰুৱাৰ এই গীতি-কবিতা সমূহ ইমান মনোৰম— ইমান মৰ্মস্পৰ্শী। শ্বেলীৰ ভাষাত—

"Our sincerest laughter
With some pain is fraught;
Our sweetest songs are those that
tell of saddest thought."

---

সহায় লোৱা পুথি :


১। অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত— ড' সত্যেন্দ্ৰ নাথ শৰ্মা
২। পাৰ্বতী প্ৰসাদ ৰচনাৱলী— প্ৰকাশন পৰিষদ
৩। মহাত্মাৰ পৰা ৰূপ কোঁৱৰলৈ— লক্ষ্মীনাথ ফুকন।

# জনপ্ৰিয় লঘু শাস্ত্ৰীয় সংগীত গজল

জ্যোতিকণা দেৱী
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

ভাৰতবৰ্ষত মোগলসকলৰ ৰাজত্ব কালৰ পৰাই গজল সংগীতৰ প্ৰচাৰ আৰু প্ৰসাৰ হোৱাৰ কথা অনুমান কৰিব পাৰি। সংগীতজ্ঞসকলে অতি ৰক্ষণশীলতাৰে সম্ৰাটসকলৰ ৰাজদৰবাৰৰ মাজতে এই শ্ৰেণী সংগীতক আৱদ্ধ কৰি ৰাখিছিল। আজৰি সময়ত সংগীত পিয়াসী বিলাসী সম্ৰাটে সংগীসকলাৰে সৈতে আকণ্ঠ পান কৰিছিল কোনোবা সুন্দৰী নৃত্যপটিয়সীৰ কণ্ঠৰ সুৱদী সুৰীয়া গজল। সংগীতৰ তালে তালে লাস্যময়ী সুন্দৰীৰ লয়-লাস নৃত্য ভংগিমাই দৰ্শক-শ্ৰোতাক যোগাইছিল বিমল আনন্দৰ খোৰাক। ৰাজদৰবাৰত চলিছিল সংগীতৰ তুমুল প্ৰতিযোগিতা। কোনোবা শিল্পীৰ ভাগ্যত মিলিছিল প্ৰশংসা আৰু কোনোবাই পাইছিল অপমান। ধীৰে ধীৰে বাগৰি যায় সময়। কেতিয়াবা সিংহাসন আৰোহণ কৰে একোজন উদাৰ হৃদয়ৰ সম্ৰাটে। জয় কৰে সকলো শ্ৰেণী প্ৰজাৰে মন। ৰজা-প্ৰজাৰ মাজত গঢ়ি উঠে প্ৰীতিৰ সমন্বয়। ৰাজদৰবাৰৰ চাৰি-বেৰৰ মাজৰ গোপন কথাৰ সম্ভেদ কেতিয়াবা সাধাৰণ প্ৰজায়ো হৃদয়ংগম কৰিবলৈ সক্ষম হয়। এনেদৰেই ৰক্ষণশীল শ্ৰেণীটোৰ মাজতে আৱদ্ধ হৈ থকা গজলে এদিন প্ৰজা সাধাৰণৰ মাজতো জনপ্ৰিয়তা লাভ কৰে।

প্ৰথম অৱস্থাত গজলৰ ভাষা আছিল উৰ্দু আৰু পাৰ্চী প্ৰধান। যেতিয়া এই শ্ৰেণীৰ সংগীতে ৰাজপ্ৰাসাদৰ বন্দীত্বৰ পৰা মুক্তি লাভ কৰিলে, ভাষাৰ ক্ষেত্ৰতো ৰচকসকলে স্বাধীনতা গ্ৰহণ কৰিলে। পাৰ্চী আৰু উৰ্দুৰ লগতে হিন্দী ভাষাই প্ৰাধান্য লাভ কৰিলে গজলৰ ভাষাত। পূৰ্বতে ভাষাৰ জটিলতাৰ কাৰণেও গজলে সাধাৰণ শ্ৰোতাৰ মাজত প্ৰসাৰ লাভ কৰাত প্ৰতিবন্ধক স্বৰূপ আছিল। ভাষাৰ সৰলতাই এই শ্ৰেণীৰ লঘু-শাস্ত্ৰীয় সংগীতক কৰি তুলিলে সৰ্বজনপ্ৰিয়।

আধুনিক সাহিত্যৰ গীতি-কবিতাৰ দৰে গজলৰ বিষয়বস্তু ৰচকৰ একান্ত ব্যক্তিগত। ব্যক্তিগত আশা-আকাঙ্ক্ষা, দুখ-সুখ, আবেগ-অনুভূতিৰ বৰ্ণময় প্ৰকাশ হয় গজলত। প্ৰিয়া আৰু মদিৰাৰ হৃদয় বিগলিত কৰা বৰ্ণাঢ্য বৰ্ণনাই গজলক কৰি তোলে সংগীতৰ ভিতৰতেই অনন্য সুন্দৰ।

স্বৰ্গদেউ ৰুদ্ৰসিংহই ভাৰতীয় ধ্ৰুপদী সংগীতৰ বাবে অসমৰ ৰুদ্ধদ্বাৰ পোন প্ৰথমে উন্মুক্ত কৰি দিয়ে। শাস্ত্ৰীয় সংগীতে কেতিয়া কেনেদৰে অসমত প্ৰৱেশ কৰিলে তাৰ এটি প্ৰতিচ্ছবি পণ্ডিতে দাঙি ধৰে। শাস্ত্ৰীয় সংগীতৰ অন্তৰ্ভুক্ত হলেও গজলৰ প্ৰৱেশ, প্ৰসাৰ আৰু সাম্প্ৰতিক কালত অসমত এই শ্ৰেণী সংগীতৰ যি বিপুল জনপ্ৰিয়তা

ইয়াৰ অন্তৰ্নিহিত কাৰণ বিশ্লেষণ কৰাটো অলপ অসুবিধা।

ভাৰতীয় উচ্চাংগ সংগীতৰ বেগম আখ্তাৰ এটি প্ৰসিদ্ধ নাম। বেগম আখ্তাৰৰ সংগীত জগতলৈ বৰেণ্য অৱদান হ'ল তেওঁ পোন প্ৰথমে ভাৰতীয় জনমানসত লঘুসংগীত গজলক প্ৰকৃত অৰ্থত জনপ্ৰিয় কৰি তোলে। এই গৰাকী শিল্পীকেই ৰক্ষণশীল সংগীত প্ৰেমীসকলৰ মাজতে সীমাবদ্ধ গজল, সৰ্বসাধাৰণৰ মাজত প্ৰচাৰ কৰা প্ৰথম শিল্পী বুলি কোৱা হয়। অৱশ্যে তেওঁৰ গজলৰ মাধুৰ্য অৱগাহন কৰিবলৈ হ'লে শাস্ত্ৰীয় সঙ্গীতৰ প্ৰাথমিক জ্ঞানৰ প্ৰয়োজন।

মেহ্দী হাচানক গজল সম্ৰাট বুলি অভিহিত কৰা হয়। বেগম আখ্তাৰৰ পিচত মেহদী হাচানে গজলক এক নতুন ফৰ্মত শ্ৰোতাৰ আগত দাঙি ধৰে। কেইবা বছৰৰো কৃচ্ছ সাধনাৰ অন্তত তেওঁ শ্ৰোতাৰ সন্মুখত গজল পৰিৱেশন কৰিলে অনন্য এক ৰূপত। এই পাক্-মহান শিল্পী গৰাকীৰ প্ৰচেষ্টাতেই যেন গজলে হিন্দুস্তান পাকিস্তানৰ পৰিসীমা অতিক্ৰম কৰি বিশ্বৰ দৰবাৰ পালেগৈ। মেহ্দী হাচানৰ গজল শুনিবলৈ ভাষা কোনো ধৰণৰ প্ৰতিবন্ধক হৈ নাথাকিল। পৰিশ্ৰমী কণ্ঠৰ মাধুৰ্য আৰু সুৰৰ মূৰ্চ্ছনাৰ বাবেই তেওঁৰ গজল সৰ্বজন প্ৰিয়।

বেগম আখ্তাৰ আৰু মেহ্দী হাচানৰ চেষ্টাৰ পিচতো যদি কোনোবা আগ্ৰহী শ্ৰোতাৰ কাৰণে গজলৰ ৰস পান কৰাত কিবা বাধা আছিল গোলাম আলীৰ প্ৰচেষ্টাৰ অন্তত সেই বাধাৰ প্ৰাচীৰ তাচপাতৰ ঘৰৰ দৰে খহি পৰিবলৈ বাধ্য। গুণী এই পাক্-শিল্পী গৰাকীৰ অৱদানে গজল সঙ্গীতলৈ পৰিপূৰ্ণতা আনিলে। প্ৰতিটো গজলেই গোলাম আলীৰ কণ্ঠত প্ৰাণ পাই উঠে। মন্দ্ৰ, মধ্য আৰু তাৰ সপ্তকত অবাধ বিচৰণ, সুচতুৰ স্বৰৰ প্ৰয়োগ, প্ৰাণ টানি ধৰা সুৰ, তালৰ কৌশল পূৰ্ণ প্ৰয়োগ গোলাম আলীৰ গজলৰ বৈশিষ্ট্য। এইগৰাকী শিল্পীৰ পিচতেই যেন গজলৰ ওপৰত বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্ত পৰিল।

ভাৰতীয় সংগীত জগতলৈ মাজে মাজে একোটা আচৰিত পৰিবৰ্তন আহে। পূৰ্বতে দেশৰ মাটিৰ গোন্ধ থকা গীতে মানুহক আকৰ্ষণ কৰিছিল। হঠাতে পাশ্চাত্য সংগীতৰ সুৰৰ ঢৌৱে শ্ৰোতাক মুগ্ধ কৰিবলৈ ধৰিলে। কণ্ঠ আৰু সুৰৰ সলনি বাদ্যযন্ত্ৰ নিৰ্ভৰশীল এই সংগীতৰ ঢৌৱে শ্ৰোতাৰ মন সৰহ দিন ধৰি ৰাখিব নোৱাৰিলে। ইয়াৰ মাজতে গজলে হঠাতে শ্ৰোতাৰ মাজত এক মহা আলোড়নৰ সৃষ্টি কৰি দিলে। এই ক্ষেত্ৰত এগৰাকী শিল্পীৰ নাম লবই লাগিব—তেওঁ হ'ল পঙ্কজ উধাস। পঙ্কজ উধাসৰ গজলে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ এক নতুন জোৱাৰৰ সৃষ্টি কৰাই নহয় দেশৰ বাহিৰতো তেওঁৰ গজলে শ্ৰোতাৰ মন আকৰ্ষণ কৰিলে। সাফল্যই তেওঁৰ আকাশ চুলে। কণ্ঠত যেন পঙ্কজ উধাসৰ যাদু আছে। যি গীতেই তেওঁ নাগাওক সি সুৰীয়া হবলৈ বাধ্য। তথাপি পঙ্কজ উধাসৰ গজলৰ কথাংশৰ সবলতাৰ বাবে সমালোচকসকলে আপত্তি কৰা শুনা যায়। উৰ্দু আৰু পাৰ্চী প্ৰায় পৰিহাৰ কৰি সহজ-সৰল শব্দ প্ৰয়োগ কৰি তেওঁ হিন্দী ভাষাত গজল পৰিৱেশন কৰে।

সম্প্ৰতি ভাৰতীয় শ্ৰোতাৰ মাজত আন সংগীতৰ তুলনাত গজলৰ আকৰ্ষণেই সৰ্বাধিক। এই ক্ষেত্ৰত অৱদান আগবঢ়োৱা আন কেইগৰাকীমান উল্লেখ-যোগ্য শিল্পী হ'ল— পাকিস্তানৰ মেলডী কুইন নুৰজাহা, ইক্‌বাল বানু, নাহিদ আখ্‌টাৰ, চৌকত আলী, ইউনিজ পৰভেজ, চালমা আগা আদি, বাংলাদেশৰ রুণা লয়লা, ভাৰতৰ অনুপ জলোটা, শোভা গুৰ্টু, চন্দন দাস, ৰাজকুমাৰ ৰিজৰী, তালাত আজিজ, পিনাজ মাচানী আদি। যুটীয়া-ভাৱে গজল পৰিবেশন কৰা দম্পতী হ'ল— চিত্ৰা-জগজীৎ সিং, মিতালী-ভূপিন্দৰ সিং, ৰাজেন্দ্ৰ-নীতা মেহতা আদি।

শিল্পীসকলে পৰিবেশন কৰা গজলসমূহৰ সুৰকাৰ সাধাৰণতে তেওঁলোক নিজেই হয়। উল্লেখযোগ্য কেইগৰাকীমান গজল ৰচনাকাৰ হ'ল—গালিব, মোমিন, চাবাব, মমতাজ ৰচিদ, আমজাদ ইচলাম আমজাদ, আব্দুল হমীদ অদম, কৃষণ বিহাৰী নুৰ, নাচিৰ কাজমী, কাটিল সিফাই, বাহাদুৰ চাহ জফৰ, সাগৰ সিদ্দিকি, আহমদ ফাৰ্জ, খালিদ মেহমুদ আৰিফ, ইব্ৰাহিম আচক্, ফৰহাট ছাহজাদ, হসৰৎ মোহনী, জালিব, দাগ, ফয়জ আহমদ, ফয়জ আদি।

এই নিবন্ধত মাথো দেশীয় শিল্পীৰ ভূমিকাকে উল্লেখ নকৰি বিদেশী শিল্পীৰ অৱদান সম্পৰ্কেও আলোকপাত কৰিবলৈ যত্ন কৰা হৈছে। যেনে-দৰে শিল্পী আৰু মূৰ্খৰ সৃষ্টি কৰিব নোৱাৰি, জন্মহে হয়; ঠিক তেনেদৰে শিল্পীক ভৌগোলিক চাৰিসীমাৰ মাজত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। তদুপৰি সংগীতৰ ভাষা যিয়েই নহওক, তাৰ মূল কিন্তু সেই সাতোটা স্বৰেই—সা, ৰে, গা, মা, পা, ধা, নি।

— x —

---

ভাৰত থাকিলেহে ময়ো থাকিম কথাটো যেনে সঁচা, ভাৰত থাকিলেও যদি মই নাথাকো এই প্ৰশ্নটোও সঁচা। কাৰণ, বৈচিত্ৰ্যময় ভাৰতৰ ৰূপ সৃষ্টিত মোৰো এটা সক্ৰিয় চেতনাৰ অৱদান আছে। গতিকে, মই নোহোৱা ভাৰতৰ কল্পনা কৰাটো মোৰ পক্ষে সুস্থ কথা নহয়। ভাৰতো থাকিব লাগিব আৰু তাৰ অন্যতম ঘাই উপাদান ময়ো থাকিব লাগিব। মোৰ শক্তিশালী অস্তিত্ব বৰ্জিত ভাৰত মোক নালাগে।

—অম্বিকাগিৰি ৰায়চৌধুৰী।

# বৰ্ত্তমান আৰু ইতিহাসৰ পটভূমিত ছমৰীয়া সত্ৰ

প্ৰণৱ বৈশ্য
উঃ মাঃ প্ৰথম বাৰ্ষিক

ছমৰীয়া সত্ৰ কামৰূপ জিলাৰ অন্তৰ্গত বকোৰ পৰা তেৰ কিলোমিটাৰ উত্তৰত অৱস্থিত এখন মহাপুৰুষীয়া সত্ৰ। এই সত্ৰৰ লোকসংখ্যা প্ৰায় পাঁচ হেজাৰ হ'ব। সত্ৰৰ আটাইখিনি মানুহ মহাপুৰুষীয়া। ব্ৰাহ্মণ, কায়স্থ, কলিতা, বৈশ্য, কৈৱৰ্ত্ত আদি সম্প্ৰদায়ৰ লোক ইয়াত প্ৰধানকৈ বসবাস কৰে। অধিকাংশ লোক কৃষিজীৱী। সত্ৰৰ সন্মুখেৰে মৰা কলহী নামৰ নদীখন বৈ গৈছে। নদীখনে অঞ্চলটোৰ সৌন্দৰ্য বৰ্দ্ধনত বিশেষ ভূমিকা গ্ৰহণ কৰাৰ উপৰিও এই নদীখনৰ পৰা বিভিন্ন প্ৰকাৰে অঞ্চলটোৰ মানুহ উপকৃত হৈছে। এই সত্ৰখন প্ৰথমতে ছমৰীয়াত অৱস্থিত নাছিল। ১৫৮০ খৃঃত কামৰূপ জিলাৰ দক্ষিণ পশ্চিম ফালে অৱস্থিত মালচা গাঁৱত এই সত্ৰখন স্থাপিত হৈছিল। মহাপুৰুষ মাধৱদেৱ নিজে মালচালৈ আহি তাত কিছুদিন থাকি কীৰ্ত্তন ঘৰ স্থাপন কৰে। মহাপুৰুষ মাধৱদেৱে শ্ৰীশ্ৰীবৰবিষ্ণু আতাক মালা-চন্দন পিন্ধাই তাৰ অধিকাৰ পাতি থৈ যায়। সত্ৰ স্থাপিত হোৱাৰ প্ৰায় পাঁচ বছৰমান পাছত সেই অঞ্চল গড়াখহনীয়াত পৰে আৰু সত্ৰৰ স্থান কিছুদিনৰ বাবে কাঠামীলৈ স্থানান্তৰিত কৰা হয়। তাতো সত্ৰ পৰিচালনাত ব্যাঘাত ঘটাত বৰবিষ্ণু আতাই মহাপুৰুষৰ ওচৰ চাপে। সকলো কথা গম পাই মাধৱদেৱে শ্ৰীশ্ৰীঠাকুৰক লৈ নদীৰে ভটিয়াই আহি গোবিন্দপুৰ পায় আৰু তাতে ঠাকুৰ আতাৰ চকুত পৰে এগছি জ্বলন্ত বন্তি। তেখেতে মহাপুৰুষ মাধৱদেৱক সেই পোহৰটো কৰ পৰা আহিছে আৰু কিহৰ পোহৰ প্ৰশ্ন কৰাত গুৰুজনাই দিয়া উত্তৰ বৰবিষ্ণু আতাৰ চৰিত্ৰ পুথিত আছে—

"দুই নদী কলসীৰ মাজে নৌকা ৰাখি।
নৌকা হন্তে বাজ হৈয়া দেখিলা হৰিষি ।।
দেখিলন্ত ছাম এক বৃক্ষ ভয়ঙ্কৰ।
এক যে প্ৰদীপ জ্বলি আছে বৃক্ষৰ উপৰ ।।
বৃক্ষ দেখি ঠাকুৰে যে বুলিলা বচন।
কহা বাপ ইঠাইৰ বৃশন্ত কাৰণ ।।
বৃক্ষক দেখন্তে গুৰুদেৱে চিনিলন্ত।
চন্দ্ৰ সূৰ্য্য সম এক স্থান যে হৈবন্ত ।।
শুনা খনি নাৰায়ণ ঠাকুৰ কহো তত্ব।
জানা তুমি সাৰে সাৰে ইহাৰ মহত্ব ।।
মহাপ্ৰয়াণত মহাবাট যে আছিল।
সেহি বৃক্ষ আসি ছাম বৃক্ষ উপজিল ।।
নৰকাসুৰক বোধিবাক লাগি যান্ত।
এহি ছাম বৃক্ষে কৃষ্ণদেৱে চৰিলন্ত ।।
গৰুড়, সত্যভমা, কৃষ্ণ ৰহি তিনিজন।
পাঞ্চজন্য শংখ কৃষ্ণে ফুকন্ত সঘন ।।

যতদূৰ শঙ্খ ধ্বনি পথ ভেদিলন্ত।
ততদূৰ ছমৰীয়া নাম প্ৰকাশন্ত ॥
দ্বিতীয় বৈকুণ্ঠ পুৰি হৈব এহি থান।
বৰবিষ্ণু আতা আসি কৰিব নিৰ্মাণ ॥
পূৰ্ব্বত গোবিন্দপুৰ নাম আছিলন্ত।
ছামগাছ ছমৰীয়া নাম হৈবন্ত ॥”

অতীতত ছমৰীয়াৰ নাম আছিল গোবিন্দপুৰ। মালচা আৰু কাঠমীৰ পৰা স্থানান্তৰিত হৈ ১৫৮৮ চনত ছমৰীয়া সত্ৰ স্থাপিত হয়। মাধৱদেৱে নিজ হাতে কটা আসন এখন আৰু নিজে লিখা “নাম মালিকা” নামৰ পুথি এখন বৰ্ত্তমানো ইয়াত সংৰক্ষিত হৈ আছে। সত্ৰত চৈধ্য প্ৰসঙ্গ এতিয়াও নিয়মিতভাৱে চলি আছে। আগতে সত্ৰখনৰ মাটি আঠ শ বিঘা মান আছিল, এতিয়া আঠ শৰ ঠাইত আঠ দহ বিঘা মানহে আছে। স্থাপিত হোৱাৰে পৰা সত্ৰাধিকাৰৰ দায়িত্ব লোৱা সত্ৰাধিকাৰ সকল হ'ল— শ্ৰীশ্ৰী ৺বৰবিষ্ণু আতা, যদুমণি আতৈ, জীৱন আতৈ. ৰামনাৰায়ণ আতৈ, ৰাম নাথ আতৈ, জগন্নাথ আতৈ আৰু স্বৰ্গীয় কৃষ্ণ কান্ত আতৈ। বৰ্ত্তমান সত্ৰাধিকাৰ শ্ৰীযুত অচ্যুত কান্ত অধিকাৰীদেৱ।

পৰিচালনাৰ বাবে নিযুক্ত বিষয় বৰীয়া সকলৰ বিষয়বাৰ অনুসৰি নাম আছে আৰু তেওঁলোকে নিয়াৰিকৈ সত্ৰৰ কাম পৰিচালনা কৰে। সমূহ ভকত আৰু শিষ্যই পূৰ্বাপৰ চলি অহা ৰীতি আৰু নিৰিখ অনুসৰি প্ৰতি বছৰে কৰ দিয়ে। এই কৰৰ দ্বাৰাই অনুষ্ঠানটিৰ যাৱতীয় খৰচ কৰা হয়। কৰৰ বাবদ প্ৰতি গৰাকী ভকত বা শিষ্যই এদোণকৈ চাউল আৰু বন্তি জ্বলাবলৈ তেল দান কৰে।

ছমৰীয়া সত্ৰত প্ৰতি বছৰে তিনিদিনীয়া কাৰ্য্যসূচীৰে বিস্তাৰিতভাৱে ফাগুন মাহত শ্ৰীশ্ৰীবৰ বিষ্ণু আতাৰ তিৰোভাৱ তিথি পালন কৰা হয়। তদুপৰি গুৰু দুজনাৰ তিথি আৰু আন আন আতৈসকলৰ তিথিও মহাপয়োভৰে পালন কৰা হয়। দুজনা গুৰুৰ তিথিত আয়োজন কৰা নাও খেলৰ ঐতিহ্য অতি প্ৰাচীন। তাৰ লগতে কেইবাদিন জুৰি ভাওনাৰ আয়োজন কৰা হয়। বৰ্ত্তমান সত্ৰত তিনিগৰাকী উদাসীন ভকত আছে। কীৰ্ত্তন ঘৰৰ সম্মুখত দুটা পুৰণি কালৰ পুখুৰী আছে। দৌলঘৰ দুটাত শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা পূৰ্ণসমাৰোহেৰে পালন কৰা হয়। সত্ৰৰ চাৰিটা ফাল পকী দেৱালেৰে আৱৰা। প্ৰৱেশদ্বাৰ দুখন। বৃহৎ আকাৰৰ পুৰণি বকুল গছ কেইজোপামানে অঞ্চলটোৰ গাম্ভীৰ্য্য বঢ়াইছে। উদাসীন ভকত থকাৰ বাবে দুটা বাসগৃহ আছে। মূল মণ্ডপলৈ উঠি যোৱা পুৰণি শিলৰ খট্‌খটিখনত ৰাইজে প্ৰয়োজন অনুসৰি বহি মেল-মিটিঙো কৰে। সত্ৰৰ বৃহৎ চাঙত থকা ডবা আৰু বৰকাঁহৰ শব্দই সমগ্ৰ অঞ্চলটোকে ধৰ্মীয় আৱেশত নিমজ্জিত কৰি ৰাখে।

## ছমৰীয়া সত্ৰৰ প্ৰধান শাখাসমূহ :

১। দামলচুচ সত্ৰ—
সত্ৰাধিকাৰ ৺জীৱন আতৈ।

২। দীঘলকুছি সত্ৰ—
সত্ৰাধিকাৰ ৺মুহিৰাম আতৈ।

৩। কৈমাৰী সত্ৰ—
সত্ৰাধিকাৰ কৈমাৰী আতৈ।

৪। মালিবাৰী সত্ৰ—
সত্ৰাধিকাৰ বাসুদেৱ আতৈ।

**আন প্ৰধান শাখাসমূহ হ'ল ঃ**

হৰিপুৰ, ত্ৰিলোচন, খুটাবাৰী, দাৰি আৰু ৰায়পাৰা ( শ্যামৰায় )। ১৮৯৮ চনত হোৱা ভূমিকম্পৰ খেলি-মেলিৰ কাৰণে কিছুসংখ্যক লোক ভালুকঘাটালৈ গৈ সত্ৰ স্থাপন কৰি বসবাস কৰে।

মহাপুৰুষ মাধৱদেৱৰ মতে ছমৰীয়া সত্ৰ অসমৰ মহাপুৰুষীয়া সত্ৰবোৰৰ ভিতৰত অন্যতম। বস্তুতে এই সত্ৰক দক্ষিণকূলীয়া ৺বৰবিষ্ণু আতাৰ থান বুলিও কয়। পুৰণি স্থলিঘৰটো, য'ত আগতে বৰবিষ্ণু আতাৰ তিথি উদযাপিত হৈছিল, গৰাখহনীয়াৰ ফলত সেইটো জাহ গ'ল। ১৯৩৫ চনত ছমৰীয়াবাসীয়ে পুনৰ এটা নতুন স্থলিঘৰ সজাই লয়। কলহী নদীৰ গৰাখহনীয়াই যি ভয়াবহ ৰূপ ধাৰণ কৰিছে, অদূৰ ভৱিষ্যতে হয়তো ছমৰীয়াবাসী আৰু ইয়াত অৱস্থিত এই পৱিত্ৰ স্থান নদীৰ বুকুত বিলীন হৈ যাব। এই অঞ্চলটো বছৰৰ ছ-মাহ বানপানীৰ সৈতে সহাৱস্থান কৰে। কীৰ্ত্তন ঘৰৰ যিবোৰ পুৰণি মঠ-মন্দিৰ, আবাসগৃহ আছে সেইবোৰৰ অৱস্থা বৰ্ত্তমান শোচনীয়। নদীৰ গৰাখহনীয়াই অঞ্চলটোৰ বহু মানুহক নিজ বাসস্থান পৰিত্যাগ কৰিবলৈ বাধ্য কৰাইছে। সৰ্ব্বতোপৰি ১৯৮৩ চনত হোৱা এই অঞ্চলটোৰ ভয়াবহ সংঘৰ্ষৰ কথা সকলোৰে জ্ঞাত। অচিনাক্ত আক্ৰমণকাৰীৰ গৰাহত ছমৰীয়াৰ কেইবাজনো ব্যক্তি মৃত্যুমুখত পৰি শ্বহীদ আখ্যা পায়। অঞ্চলটোৰ কেউকালে চৰ অঞ্চলত অবৈধ বিদেশী প্ৰব্ৰজনকাৰীৰ বিলাসভূমি। আক্ৰমণকাৰী বুলি সন্দেহ কৰা এই অবৈধ প্ৰব্ৰজনকাৰীৰ মাৰাত্মক আক্ৰমণৰ পৰা সেই সময়ত সত্ৰৰ পুথি-পাজিকে আদি কৰি অনেক সম্পদ স্থানান্তৰ কিম্বা গোপন কৰিবলগীয়া হোৱাত সম্পদসমূহৰ বহু কেইপদ বিনাশ হয়। যিখন সত্ৰই মহাপুৰুষ দুগৰাকীৰ ধ্যান-ধাৰণা জীয়াই ৰখাত বিশেষ ভূমিকা পালন কৰি আহিছে, ক্ৰমবৰ্দ্ধমান গতিত সত্ৰখনৰ অৱক্ষয়ে সচেতন ব্যক্তিৰ মনত আঘাত নিদিয়াকৈ নাথাকে। আৰ্থিক অনাটনত জুৰুলা সত্ৰখনৰ পৰিচালনাত ব্যাঘাতে দেখা দিছে। ৰাইজৰ প্ৰতিনিধিত্ব কৰা চৰকাৰে এই দিশত মনোযোগ দিয়া উচিত; তেতিয়া হ'লে পুৰণি ঐতিহ্যপূৰ্ণ সত্ৰখনৰ সৰ্ব্বতোপ্ৰকাৰ উন্নতি সম্ভৱ। মহাপুৰুষ শংকৰ-মাধৱদেৱৰ স্মৃতি বিজড়িত এই সত্ৰখনৰ প্ৰতি সমূহ ৰাইজৰ দায়িত্ব আছে। সকলোৱে মিলি আমি শংকৰ-মাধৱদেৱৰ অতুলনীয় দান সত্ৰসমূহৰ সৰ্ব্বপ্ৰকাৰ উন্নতি সাধনত ব্ৰতী হোৱা উচিত।

"ছামগছে ছমৰীয়া নাম হৈৱন্ত।
দ্বিতীয় বৈকুণ্ঠপুৰী হৈব এহি থান।"

— × —

# বহুৰঙী ৰাভা লোকগীতত প্ৰেম আৰু ইয়াৰ ওপৰত বিহুগীতৰ প্ৰভাৱ

দিগন্ত কুমাৰ ৰাভা
স্নাতক প্ৰথম বাৰ্ষিক

অসম প্ৰকৃতিৰ ধুনীয়া জী। অসমৰ মাজেৰে বৈ গৈছে বৰ লুইত। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বৈ থকা লুইতত মিলিছে বিভিন্ন উপনৈ। এই উপনৈসমূহে উপচাই ৰাখিছে লুইতক। তেনেদৰে অসমৰ সংস্কৃতিও গঢ় লৈ উঠিছে বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক উপাদানক লৈ। সেয়েহে অসমৰ সংস্কৃতিক কোৱা হয় সমন্বয়ৰ সংস্কৃতি, যৌগিক সংস্কৃতি বুলি। অসমত আদি কালৰ পৰা বসবাস কৰি অহা বিভিন্ন জনগোষ্ঠীসমূহৰ ভিতৰত ৰাভা জনজাতিসকল অন্যতম। অসমৰ সংস্কৃতিৰ বাবেবৰণীয়া পথাৰখনলৈ ৰাভাসকলৰ আছে অনবদ্য অৱদান।

ৰাভাসকলৰ নিজা ভাষা আছে। আজিকালি অৱশ্যে দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ পূব অংশত বাস কৰা পাতি ৰাভাসকলে নিজৰ ভাষা পাহৰি অসমীয়া ভাষাকে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰি আহিছে। তথাপিও অৱশ্যে তেওঁলোকৰ ভাষাত কিছু নিজস্ব ঠাঁচ সোমাই থাকিল। এই সম্পৰ্কে "বহুৰঙী ৰাভা লোকগীত" নামৰ প্ৰবন্ধত বীৰেণ ৰাভাদেৱে লিখিছে "ৰাভাসকলৰ নিজা দোৱান আছে যদিও প্ৰকৃতিগত নানা কাৰণবশতঃ বৰ্ত্তমানে গোৱালপাৰা জিলাৰ দক্ষিণ-পশ্চিম অংশ তথা মেঘালয়ত বাস কৰা ৰংদানী মায়তৰী ৰাভাসকলৰ বাহিৰে আৰু উত্তৰ গোৱালপাৰাৰ (ধুবুৰী আৰু কোকৰাঝাৰ জিলা) 'কোচ্ছা' ৰাভাসকলৰ বাহিৰে অসমৰ বিভিন্ন অঞ্চলত সিঁচৰিতভাৱে বাসকৰা পাতি ৰাভাসকলৰ মাজত দোৱান (ভাষা) নোহোৱা হৈছে। বৰ্ত্তমানে তেওঁলোকে অসমীয়া ভাষাৰ শব্দকে নিজৰ সুবিধা অনুযায়ী পোনপটীয়াভাৱে উচ্চাচৰণ কৰে। শব্দবোৰ উচ্চাৰণ কৰোঁতে ৰূপগত কিছুমান সলনি হয়। যেনে— খাওঁ—'খাং', নেযাওঁ—'নাযাং', খুজিলো—'খুজিলং', চোৱা—'চাৱা', নাই—'নাইকা', চৰাই—'চৰে', ছলি—'ছাৱা' ইত্যাদি।

পাতি ৰাভাসকলৰ মাজত প্ৰচলিত 'বহুৰঙী' হ'ল এক জনপ্ৰিয় লোকগীত। বহুৰঙী ৰাভা লোকগীতত বহুতো ছবি প্ৰতিফলিত হয়; কিন্তু এই গীতৰ মাজেৰে প্ৰেমৰ যি প্ৰতিচ্ছবি দেখা যায় ই বৰ বৈচিত্ৰ্যপূৰ্ণ। অসমৰ বিহুগীতত যিদৰে যুৱমনৰ প্ৰেম-প্ৰীতিয়ে মুখ্য বিষয় হৈ পৰিছে তেনেদৰে বহুৰঙী লোকগীততো প্ৰেম মুখ্য হৈ পৰিছে। এই সম্পৰ্কত বীৰেণ ৰাভাদেৱে লিখিছে "সাধাৰণ মতা-তিৰোতাৰ হাঁহি-

খিকিন্দালি, যৌৱনৰ উন্মাদনাত মদমত্ত যুৱক-যুৱতীৰ উৎশৃংখল জীৱন কাহিনী, প্ৰেমিক-প্ৰেমিকাৰ গোপন অভিসাৰ আৰু মাক-বাপেক আদি অভিভাৱকৰ অবাধ্যতা, অসহায় নিঠৰুৱা জীৱনৰ দুৰ্যোগ, আবেগ-অনুভূতি আদিৰ নিখুঁত বৰ্ণনা এই গীতবোৰত বিৰাজমান।

বিহুগীতত প্ৰথমতে আই সৰস্বতী, হৰি, সমজুৱাক প্ৰণাম জনাই গায়--

"প্ৰথমে প্ৰণামো আই সৰস্বতী
দ্বিতীয়ে প্ৰণামো হৰি
তৃতীয়ে প্ৰণামো গাঁৱৰ বঢ়া মেথা
ধৰি যাওঁ নামৰে গুৰি।"

তেনেদৰে বহুৰঙী গীততো গায়—

"সৰস্বতী মোহিনী গীতৰ চাহিনী
কায়ো বজায় ঢাক ঢোল
কায়ো বজায় বাঁহী।"

বিহুগীতত ডেকাই গাভৰুক উদ্দেশ্য কৰি আঁতৰৰ পৰা গায়—

বৰ ঘৰৰ মুধতে ভঁৰালৰ টুপতে
চৰাই ফুট কল খায়,
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোমাৰ জানো মনতে নাই।

গাভৰুৱে উত্তৰত গায়—

শালে ভুমুকিয়াই শলে ভুমুকিয়াই
চেঙাই ভুমুকিয়াই খালত,
দেহাৰে ভিতৰত তুমি ভুমুক মাৰা
সদায় পৰি থাকে মনত।

ডেকা-গাভৰুৱে বিহু গীতৰ মাজেৰে মনৰ ভাব মনোৰম ভাবে প্ৰকাশ কৰাৰ লেখিয়াকৈ বহুৰঙী গীতৰ মাজেৰেও ডেকা-গাভৰুৰ মনৰ ভাব প্ৰকাশ পায়। মনৰ মাজত সাঁচি ৰখা কথা বহুৰঙী গীতৰ মাজেৰে গাভৰুৱে প্ৰকাশ কৰে এনেদৰে--

মান চেলেংকা টিউ টিউ
হিন্দল গছৰ ডালত,
তোকে দেখি মাচ মাৰং
মুকাল পথাৰত।

চেনেহীক ৰাতি সপোনত দেখে, ডেকাৰ মন উদ্বাউল হয় চেনেহীক পাবলৈ! মনৰ কথা জনাবলৈ ডেকাই সহায় লয় বহুৰঙী গীতৰ।

কি দিলুং নিদিলুং গাভৰ
কি বুলিলুং তোকে
ৰাতি ও ঘুমটি নাহে
সপোন দেখোং তোকে।

ডেকাৰ প্ৰাণ পৰশা গীত শুনি গাভৰু ৰব নোৱাৰে, জাগি উঠে অন্তৰৰ প্ৰেম। ভালপোৱাৰ সঁহাৰি দি গাভৰুৱে তেতিয়া গায়--

চেপা পাৰং মুনি পাৰং
মোৱা মাছৰ বাহা
বন কৰ্‌বা আহা যাৱা
মোকে চাবা আহা।

আকৌ ডেকাক আপোন কৰি লোৱাৰ আশাত গায়--

ধুতি লেম্ লেম্ চোলা লেম্ লেম্
কুনবা দেশৰ হাকিম
আমাৰ ফালে নাহিবি
চকু টিপাই ৰাখিম।

প্ৰেম ভালপোৱা উজাৰি দি ডেকাই গাভৰুক পোৱাৰ আশাত বৈ থাকে। পাম বুলি ভাবি

থাকোঁতে কেতিয়াবা আশা ভঙ্গ হয়। নোপোৱাৰ বেদনাত দেহ-মন কৰে ছাটি-ফুটি। ডেকাৰ হা-হুমুনিয়াহ প্ৰকাশ পায় গীতৰ মাজেৰে

গাঁও বুঢ়াৰ বাৰীতে বিহ ঢেঁকীয়া
চকিদাৰৰ বেটিটো পাম কেতিয়া।

তেনেদৰে —

বয়স গেল মোৰ ভটিয়াই
পুকিল মূৰৰ চুলি
বান্দৰ থোক দিলে মোক
বিয়া দিম দিম বুলি।

মনে বিচৰা ডেকাক নাপায় কেতিয়াবা মনঃপুত নোহোৱা ডেকালৈ বিয়া হ'ব লগা হয়। আশা ভঙ্গ হোৱা গাভৰুৱে গায় এনেদৰে—

হালধি বুলি খুন্দিলুং
কেতাৰীবে আলু,
চেঙেৰা ভাটাৰ আশা কৰি
বুঢ়া ভাটাক পালু।

সকলো প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰক উপঢৌকন দিব খোজে প্ৰেমৰ প্ৰতিদান স্বৰূপে, কিন্তু সমাজৰ বাধাৰ বাবে সুবিধা নাপায়। সেই কথাৰ ইংগিতো বহুৰণী গীতত আছে। কৃষি-জীৱী সমাজৰ ডেকাই গাভৰুৰ বাবে কিনিব খোজা উপহাৰৰ বিষয়ে কয়—

গাছ কাটিং টুং টাং
শিংৰা নদীৰ পাৰত
চকুত লাগা খাক দিম
ধুপধৰীয়া হাটত।

প্ৰত্যুত্তৰত গাভৰুৱে মনৰ সম্ভাষণ যাচি প্ৰতিদান স্বৰূপে কি দিব তাক প্ৰকাশ কৰে— গীতৰ মাজেৰে। অন্তৰত ভালপোৱা, বাহিৰত ভয়. তথাপি সংশয়ৰ মাজেৰে কয়—

একো শাক নাপাই নথাই
ৰান্ধি থৈছুং জীম
কাৰো আগত নকৰি
বাঙা ফালি দিম।

কেতিয়াবা আবেগ বিহ্বল ডেকাই একান্তভাৱে গাভৰুক পাব বিচাৰে। গাভৰুৱে সঁহাৰি নজনায়। আশাহত ডেকাই দুখ কৰে। প্ৰেম বিৰহত গায়—

আগলতি কলপাত
চিলিক চালাক কৰে
তইতো নাহিলি গাভুৰ
ঘনাই মনত পৰে।

পুৰণি অসমীয়া সমাজত জাত বিচাৰ আছিল প্ৰচুৰ। সেই কাৰণে দুটা জাতিৰ ডেকা-গাভৰুৰ মিলন সমাজে স্বীকাৰ কৰি ল'ব নোৱাৰিছিল। প্ৰেমে জাত-কুল নামানে। বিহুগীতত তাৰ মনোৰম প্ৰকাশ ঘটিছে।

তোৰে মনে গ'লে মোৰে মনে গ'লে
কি কৰিব কলিতা কুলে।

বাভা সমাজতো ঘৰৰ মানুহৰ পছন্দ অবিহনে ছোৱালী সম্প্ৰদান কৰিবলৈ টান পায়। এনে মিলনত বাধা প্ৰদান কৰে। ককায়েকৰ বাধা নেওচি মিলন হ'ব খোজা গাভৰুৱে গায়—

কাংকাবাবে গাবাতে
চেং বাহা লয়
তুই নিলি যাম মই
দাদাকে নকৰং ভয়।

ৰাভাসকলৰ বহুৰঙী গীতত এনেদৰে ৰাভা সম্প্ৰদায়ৰ ডেকা-গাভৰুৰ প্ৰেম-ভাল পোৱা, আশা-নিৰাশা, সমাজৰ বাধা, ৰীতি-নীতি তথা সমাজ-খনৰ বিভিন্ন ছবি প্ৰকাশ পাইছে। ইয়াৰে ভিত-ৰত অসমীয়া বিহুগীতৰ লগত বহুৰঙী গীতৰ বহু মিল দেখা যায় ডেকা-গাভৰুৰ মনৰ ভাব প্ৰকাশত। বহুৰঙী গীত ৰাভাসকলৰ এক প্ৰাচীন ঐতিহ্যপূৰ্ণ লোকগীত।

---

প্ৰবন্ধটো যুগুত কৰোঁতে সহায় লোৱা পুথি—

১। ৰাভা অধ্যয়ন : সম্পাদনা—শোভাৰাম ৰাভা।

২। বহুৰঙী ৰাভা লোকগীত : সংগ্ৰাহক—প্ৰভাত চন্দ্ৰ ৰাভা।

৩। ৰাভা সমাজ আৰু সংস্কৃতিৰ আভাস : হৰিমোহন সৰকাৰ।

৪। হুঁচৰি : মুকলি বিহু আৰু বিহুনাচ : জয়কান্ত গন্ধীয়া।

# পূজা-পাৰ্বনত লোক-সংস্কৃতিৰ প্ৰভাৱ

অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী
বিভাগীয় প্ৰধান, নৃতত্ত্ব বিভাগ

অসম বিভিন্ন জাতি, উপজাতি, জনজাতিৰ মিলনভূমি। আদিম কালৰ পৰাই বিভিন্ন পথেদি অসমলৈ বিভিন্ন মানুহৰ প্ৰব্ৰজন হৈ আহিছে। অসমৰ ঘাই সংস্কৃতিৰ লগত মিলি এক হৈ মূল অসমীয়া সংস্কৃতি হিচাপে স্বীকৃতি পাই আহিছে। সাধাৰণতে অসমৰ মানুহক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি আৰু সেই ভাগ দুটা হ'ল— 'ইন্দিড' ( Indid ) আৰু 'মঙ্গলয়ড' ( Mongoloid )। 'ইন্দিড' হ'ল প্ৰধানকৈ জাতিগত সম্প্ৰদায় আৰু 'মঙ্গলয়ড' হ'ল জনজাতি সম্প্ৰদায়। অসমৰ অসমীয়া জন-গোষ্ঠী এই দুটা ভাগত বিভক্ত হৈ সমগ্ৰ অসমত সিচঁৰতি হৈ আছে। জাতিগত সম্প্ৰদায় হ'ল— কলিতা, কেওঁট, ব্ৰাহ্মণ, শূদ্ৰ, বৈশ্য ইত্যাদি। আনহাতে জনজাতি সম্প্ৰদায় হ'ল-- ৰাভা, বড়ো, কছাৰী, গাৰো, কাৰ্বি, খাছি ইত্যাদি। যি সম্প্ৰ-দায়েই নহওক কিয় তেওঁলোকে অনাদি কালৰ পৰাই অসমীয়া সংস্কৃতিৰ মূল ভেটিটো সুদৃঢ় কৰি আহিছে আৰু অসমীয়া জনজীৱনৰ লগত মিলি এক বিশাল অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে।

লোক-সংস্কৃতি বুলিলে আমি প্ৰাচীন কালৰে পৰা যিবোৰ জাতি-জনজাতিৰ সমন্বয়ত নানা ধৰণৰ ধৰ্মীয় আচাৰ অনুষ্ঠান, পূজা-পাতল, ৰীতি নীতি, লোক-কথা আদি প্ৰচলিত হৈ আহিছে, সেইবোৰেই লোক-সংস্কৃতি হিচাপে প্ৰচলিত হৈ আহিছে। অসমৰ লোক-সংস্কৃতি বা অসমীয়া লোক-সংস্কৃতি এক সমন্বয়ৰ বা সংমিশ্ৰিত লোক-সংস্কৃতি। অসমৰ লোক-সংস্কৃতিত আৰ্য্য, অনাৰ্য্য, দ্ৰাবিড়, মংগোলীয় আদি জাতি আৰু প্ৰজাতিৰ লোক-সংস্কৃতিৰ বিভিন্ন উপকৰণৰ সংমিশ্ৰণ ঘটিছে। লোক-সংস্কৃতিৰ জৰিয়তে লোক মানস আৰুজীৱন যাপন আদৰ্শৰ আভাস পোৱা যায়।

অসমৰ লোক-সংস্কৃতিৰ মূল ভেটিটো অসমৰ থলুৱা লোক গোষ্ঠীৰ লোক-সংস্কৃতি বুলি ক'ব পাৰি। এই থলুৱা লোক-গোষ্ঠী সৰহ ভাগকে জনজাতি আখ্যা দিয়া হৈছে। সেইফালৰ পৰা চাব গ'লে অসমৰ লোক-সংস্কৃতিৰ ভেটি জন-জাতীয় লোক-সংস্কৃতি বুলি ক'ব পাৰি। অসমৰ বিভিন্ন ধৰ্মানুষ্ঠানৰ পৰা এইটো কথাই প্ৰতীয়মান হয় যে অসমৰ প্ৰাচীন অধিবাসী বা জনজাতীয় লোক-সংস্কৃতিয়েই আছিল অসমৰ লোক-সংস্কৃতিৰ লাইখুটা স্বৰূপ। ডঃ বাণীকান্ত কাকতি, ড° সুনীতি কুমাৰ চট্টোপাধ্যায় আদি কেইজনমান পণ্ডিতৰ মতে কামাখ্যা পীঠস্থানৰ মূল উৎস অষ্ট্ৰিক ভাষী খাচীসকল বুলি ঠাৱৰ কৰিছে। অষ্ট্ৰিক ভাষাত

'কামা' এগৰাকী দেৱী, কামই, কামায়ত, কামেত আদি শব্দৰ অৰ্থ—শ্মশান, প্ৰেত, মৰাশ। কামাখ্যাৰ অৰ্থ মৰিশালিৰ দেৱী।

অসমৰ থলুৱা জাতি জনজাতিৰ মাজত প্ৰকৃতিয়ে সৃষ্টি কৰা বিপদ-বিঘিনি, বিভিন্ন অপায়-অমঙ্গ আদিৰ পৰা উদ্ধাৰ পোৱাৰ আশাত সমাজত পূজা-পাতলৰ ব্যৱস্থা হবলৈ ধৰিলে। বিভিন্ন অপদেৱতাই যাতে ব্যক্তি তথা সমাজৰ কোনো অমঙ্গল বা বিপদ ঘটাব নোৱাৰে সেই-বোৰৰ সন্তুষ্টিৰ হকে সমাজত অতীতৰ পৰাই বিভিন্ন দেৱ-দেৱী, অপদেৱতাৰ পূজা-পাতল, মন্ত্ৰ আদি সৃষ্টি হবলৈ ধৰিলে আৰু তেতিয়াৰ পৰাই মানুহৰ মনত বিভিন্ন লোক বিশ্বাসে ঠাই পালে আৰু এইবোৰেই এসময়ত সমাজত লোক-কথা তথা লোক-সংস্কৃতিৰূপে বেলেগ এখন আসন অধিকাৰ কৰি আছে। আমাৰ হিন্দু সমাজত বিভিন্ন দেৱ-দেৱীৰ পূজা, উৎসৱ আদিত লোক-সংস্কৃতিয়ে এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে। এই লোক-সংস্কৃতিৰ প্ৰবাহ চিৰদিন জন মানসত প্ৰবাহিত হৈ থাকিব যেতিয়ালৈকে সমাজত পূজা-উৎসৱ আদি চলি থাকিব। অসমৰ জনসাধাৰণৰ মাজত প্ৰচলিত পূজ-পাৰ্বন, উৎসৱ আদি লোক-বিশ্বাস তথা লোক-সংস্কৃতিৰ ওপৰত প্ৰতিষ্ঠিত।

অতীতৰ পৰাই অসম তন্ত্ৰ-মন্ত্ৰৰ দেশ বুলি জনা-জাত হৈ আহিছে। বিভিন্ন পূজা-পাতল আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত বিভিন্ন তন্ত্ৰ-মন্ত্ৰ আছে। আমাৰ হিন্দু সমাজত আদিম কালৰ পৰাই শিৱপূজা, বৃক্ষপূজা, মূৰ্ত্তিপূজা আদি প্ৰচলিত হৈ আহিছে আৰু এই পূজাবোৰৰ পৰাই জন-জীৱনত নানান কিংবদন্তি সাধুকথা আদি লোক বিশ্বাস হিচাপে সমাজত ঠাই পাই আহিছে। এই প্ৰবন্ধৰ যোগেদি এই পূজা-পাৰ্বনবোৰৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

হিন্দু সমাজত অতীতৰ পৰাই বৃক্ষ পূজাৰ প্ৰচলন হৈ আহিছে। এতিয়াও বিভিন্ন সমাজত এই পূজাৰ প্ৰচলন দেখা যায়। এই পূজা দেৱ-দেৱীৰ অংগস্বৰূপ। প্ৰাচীন কালৰ পৰাই ভাৰতীয় ঋষি-মুনিসকলে তপস্যা কৰিছিল। পুৰণি কালত জাৰ্মানসকলৰ মাজত বৃক্ষ পূজা খুব ভক্তি সহকাৰে কৰিছিল আৰু গছডালক আঘাত কৰাটো তেওঁ-লোকৰ মনত খুব দোষণীয় কাম বুলি পৰিগণিত হৈছিল আৰু কোনোবাই গছ কাটিলে দোষী-জনক শাস্তি দিছিল। আমাৰ দেশৰ দৰে গ্ৰীচ, ইটালি আদি দেশতো পুৰণি কালত বৃক্ষ পূজা প্ৰচলিত আছিল বুলি প্ৰমাণ পোৱা যায়। আমাৰ সমাজতো ডাঙৰ গছ যেনে—বেল, আঁহত, বট আদি গছত অপদেৱতা থাকে বুলি মানুহৰ মাজত বিশ্বাস হৈ আহিছে আৰু সেইবাবে সেই গছ-বোৰ কাটিব লগা হলে মানুহে গছজোপাৰ গুৰিত পূজা দিব লাগিছিল। অসমীয়া গাঁৱলীয়া সমাজত ওপৰোক্ত কাৰণত পূজা দিছিল। ভূতে ধৰা মানুহক বেজে জৰাফুকা কৰা পদ্ধতি এতিয়াও বিভিন্ন গাঁৱলীয়া সমাজত প্ৰচলিত আৰু এইবোৰৰ লগত সংগতি ৰাখি বিভিন্ন লোক-বিশ্বাস, লোক-কথাৰ সৃষ্টি হৈছে। বিভিন্ন মন্ত্ৰ, আচাৰ অনুষ্ঠান আদি লোক বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। ডাঙৰ গছত ভূতে বাহ লোৱা বুলি এতিয়াও মানুহে (বিশেষকৈ

গাঁৱলীয়া সমাজত ) বিশ্বাস কৰে। ডাঙৰ ডাঙৰ গছত ভূত বা অপদেৱতা থকা কথাটো জনজাতীয় লোকেও ভাৱে। আঁহত গছক হিন্দু সকলে দেৱতা জ্ঞান কৰে। আম গছৰ ডাল-পাত আমাৰ সমাজত বিভিন্ন পূজা-পাতলত ব্যৱহাৰ হৈ আহিছে। বেল গছক পূজা কৰা নীতিও অতি প্ৰাচীন কালৰে পৰা চলি আহিছে। মহাদেৱ-পাৰ্বতী হেনো বেল গছৰ তলত থাকে, সেইবাবে শিৱ পূজাত বেলপাত অপৰিহাৰ্য্য। সিজু গছ, তুলসী গছ দেৱতা হিচাপে জ্ঞান কৰি বিভিন্ন পূজা-পাতল, উৎসৱ আদিত মানুহে পূজা কৰে। এনেকৈ বিভিন্ন গছৰ পূজা আদিম কালৰে পৰাই চলি আহিছে।

সৰ্পভয় নিবাৰণ, অপায় অমঙ্গল নিবাৰণ আৰু বিশেষ কাৰ্য্যত সিদ্ধি লাভ কৰিবৰ বাবে কামৰূপ আৰু গোৱালপাৰা জিলাত মনসা বা মাৰৈ পূজা অনুষ্ঠিত হয়। বহুতে বাৰ্ষিক ভাবেও এই পূজা কৰে। এই পূজা কিছুমান ঠাইত সাত দিনৰ পৰা এঘাৰ দিনলৈকে কৰে। মনসা পূজাত বলি-বিধান হয়। মনসা পূজা অতি জাগ্ৰত পূজা বুলি ভক্ত সকলে বিশ্বাস কৰে, আনকি অষ্টনাগ আৰু মনসা পূজাৰ সময়ত সৰ্প আহি মণ্ডপৰ কাষত দেখা দিয়ে বুলি বিশ্বাস কৰে। সেইবাবে পূজা-পাতলত শুদ্ধভাৱে মন্ত্ৰ উচ্চাৰণ কৰা হয় আৰু মন্ত্ৰৰ লগে লগে ওজাই পালবৰ্গৰ লগত গোৱা বিভিন্ন দেৱতাৰ বন্দনা যাতে ঠিক সময়ে সময়ে গোৱা হয় তাৰ ওপৰত সতৰ্ক দৃষ্টি ৰখা হয়। গোৱালপাৰাৰ পিনে অনুষ্ঠিত মনসা বা বিষহৰি (জনজাতীয় সমাজত প্ৰচলিত) পূজাত দেওধনী উঠে আৰু দেওধনীয়ে ভূত ভৱিষ্যতৰ কথাও কব পাৰে। গোৱালপাৰাৰ বিষহৰি পূজাত 'মজু'ৰ প্ৰচলনো আছে। 'মজু' কুঁহিলাৰে সজা বিভিন্ন দেৱ-দেৱীৰ চিত্ৰ অঙ্কিত মুকুটৰ নিচিনা বস্তু।

ব্ৰ্যাম্ভ্ৰেশ্বৰী পূজা গোৱালপাৰা অঞ্চলত প্ৰচলিত। এই পূজা থানত বা বেল গছৰ তলত কৰা হয়। এই পূজাত লাড়ু দিয়াটো নিয়ম। বলি বিধানো দিয়া হয়। বৈষ্ণৱ প্ৰথাৰেও এই পূজা কৰা হয়।

অসমীয়া গাঁৱলীয়া সমাজত সদাশিৱ বুঢ়া-গোসাঁই ৰূপে পৰিচিত। তেনেদৰে তেওঁৰ পত্নী পাৰ্বতীও বুঢ়ী গোসাঁনীৰূপে পৰিচিত। সেইবাবে সদাশিৱ-পাৰ্বতী ক্ৰমে বুঢ়াগোসাঁই, বুঢ়ীগোসাঁনী পূজা নামে পৰিচিত। মহাদেৱ বৰ জনপ্ৰিয় দেৱতা। জনসাধাৰণৰ মতে তেৱেঁই প্ৰাচীন আৰু শ্ৰেষ্ঠ দেৱতা। অসমৰ প্ৰায়বোৰ গাঁৱতে বুঢ়া গোসাঁই আৰু বুঢ়ী গোসাঁনীৰ ৰাজহুৱা গোসাঁই ঘৰ আছে। এই গোসাঁই ঘৰবোৰক কোনো ঠাইত 'মন্দিৰ' আৰু নামঘৰ বুলিও কয়। বেল গছৰ তলত হেনো বুঢ়াগোসাঁই আৰু বুঢ়ীগোসাঁনী বহে। বুঢ়াগোসাঁয়ে ভাং আৰু ধঁতুৰাৰ গুটি খায়। বিশেষকৈ বেলগছৰ তলত মহাদেৱ থাকে বুলি মানুহে ভাৱে। সেইবাবে গাঁৱলীয়া সমাজত অপায় অমঙ্গল, মাৰি-মৰক নহবৰ বাবে সকলোৱে মিলি বেলৰ তলত বুঢ়া-গোসাঁই আৰু বুঢ়ীগোসাঁনীৰ নাম প্ৰসঙ্গ কৰে। এইদৰে বুঢ়াগোসাঁই আৰু বুঢ়ীগোসাঁনীয়ে অসমীয়া গাঁৱলীয়া মানুহৰ ধাৰ্মিক জীৱনত অতি প্ৰাচীন কালৰে পৰা বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

বৈদিক যুগৰ পৰাই জল-দেৱতাৰ পূজা 'জল-পূজা' হিচাপে চলি আহিছে। জলত 'জল-নাৰায়ণ' আৰু 'জলকুঁৱৰী' থাকে বুলি অসমীয়া সমাজে বিশ্বাস কৰে। জলক বিষ্ণুৰ এটি অৱতাৰ বুলিও ধৰা হয়। সেয়েহে কোৱা হয় 'জলৰূপী নাৰায়ণ'। অসমৰ গ্ৰাম্য জীৱনতো 'জল'ক নানা-ভাৱে পূজা কৰাৰ ৰীতি চলি আহিছে। গাঁৱলীয়া মানুহৰ বিশ্বাসমতে জলৰ অধিকাৰী হৈছে জলদেৱতা। কেতিয়াবা পুখুৰী বা নৈত পানী আনিবলৈ যাওঁতে মানুহৰ গাত বেমাৰ-আজাৰে দেখা দিয়ে আৰু তেতিয়া জলকুঁৱৰীৰ দোষ লাগে বুলি বিশ্বাস কৰা হয়। মঙ্গলতীয়ে চাই জল-কুঁৱৰীৰ দোষ লাগিলে পূজা আগবঢ়োৱা হয় আৰু নাম-প্ৰসংগ পাতে। বিয়াৰ পানী তোলোতে জলনাৰায়ণৰ উদ্দেশ্যে পাণ-তামোল আগবঢ়াই সেৱা কৰা হয়। নৈ পাৰ হ'লে নৈত পইচা দলিয়াই দিয়া নিয়ম এতিয়াও আমাৰ সমাজত প্ৰচলিত, অন্যথা জল দেৱতাই অন্যায় ঘটাব বুলি লোক-বিশ্বাস এতিয়াও প্ৰচলিত। মাছ মাৰোতে মাছ উঠিবলৈও জলদেৱতাৰ পূজা দিয়া হয়। জল-দেৱতাৰ লগত শীতলা দেৱীৰ সাদৃশ্য আছে। সেইবাবে জলত শীতলা দেৱীৰ পূজা কৰি হাঁহ-পাৰ এৰি দিয়ে। অসমৰ লোক-বিশ্বাসত জল-দেৱতাই বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে।

অসমত তথা উত্তৰ-পূৱ ভাৰতত শালগ্ৰাম পূজা বা শিল পূজা অতীতৰ পৰা চলি আহিছে। সত্ৰ আৰু মন্দিৰৰ পূজাৰীয়ে শালগ্ৰামৰ পূজা নকৰাকৈ আহাৰ গ্ৰহণ নকৰে। শালগ্ৰাম অতি পৱিত্ৰ বুলি গণ্য কৰা হয়। অসমত যোনিচিহ্ন থকা কামাখ্যা ধামৰ উপৰিও অসমৰ হাবিয়ে-বননিয়ে শিৱলিঙ্গ থকা অসংখ্য থান আছে। উমানন্দ, মহাভৈৰৱ, শিৱমন্দিৰৰ শিৱৰাত্ৰি এই ক্ষেত্ৰত উল্লেখযোগ্য।

অসমত প্ৰচলিত পূজা-পাতল, উৎসৱ আদিৰ উপৰিও হিন্দু সমাজৰ দশকৰ্ম পদ্ধতিও লোক-সংস্কৃতিৰ আধাৰত প্ৰতিষ্ঠিত। হিন্দু সমাজত পূজা-পাতল, উৎসৱ আদিৰ সংখ্যা অলেখ আৰু এইবোৰৰ লোক-বিশ্বাস কিংবদন্তিও বিভিন্ন। এই উৎসৱ, পূজা-পাতল আদিত কম বেছি পৰিমাণে জনজাতীয় লোক-সংস্কৃতিৰো উপাদান সোমাই আছে। বুঢ়া ডাঙৰীয়া, ভূত-প্ৰেত, যম ইত্যাদি বিশ্বাসৰ মূল ভেটি জন-জাতীয়ৰ। মাছ, কাছ, সাপৰ লগত জড়িত বিভিন্ন কিংবদন্তি আৰু বিশ্বাস, লোক-বিশ্বাসৰ বেছি ভাগেই জনজাতীয় সকলৰ পৰা অহা বুলি পণ্ডিতসকলে অনুমান কৰে। এইদৰে লোক-সংস্কৃতিৰ বিভিন্ন দিশ অধ্যয়ন কৰিলে দেখা যায় যে এইবোৰৰ মূল আধাৰ হৈছে জনজাতীয় লোক-সংস্কৃতিহে। এই দিশত বৈজ্ঞানিক দৃষ্টি-ভংগীৰে গৱেষণা কৰিলে আৰু অধিক সমল পোৱা যাব বুলি কোৱাৰ থল আছে। ০×০

---

প্ৰবন্ধটো যুগুতাওঁতে তলত দিয়া কিতাপ কেইখনৰ সহায় লোৱা হৈছে—

১। অসমৰ মানুহ : ড° ভূৱন মোহন দাস।
২। অসমৰ জনজাতি : ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য।
৩। অসমীয়া লোক-সংস্কৃতি : ড° নিৰ্মলপ্ৰভা বৰদলৈ।
৪। অসমৰ লোক-সংস্কৃতিৰ আভাস : ড° নবীন চন্দ্ৰ শৰ্মা।

# মান্দানিঝৰা ঃ ছবি জগতত মোৰ প্ৰথম পদক্ষেপ

মিচ্ নমিতা ৰাভা
স্নাতক দ্বিতীয় বাৰ্ষিক

উত্তৰাধিকাৰ সূত্ৰে অসমৰ পিচ পৰি থকা জনজাতীয় সংস্কৃতিৰ পথাৰখনলৈ প্ৰতিশ্ৰুতি কঢ়িয়াই অনা উদীয়মান ডেকা শ্ৰীকুমুদ জুৰো হঠাতে এদিন আমাৰ ঘৰলৈ আহিল। শ্ৰীজুৰো অসমৰ সাহিত্য-সংস্কৃতি জগতৰ স্বনামধন্য ব্যক্তি শ্ৰীযুত ৰাজেন পামদেৱৰ কনিষ্ঠ পুত্ৰ। শ্ৰীযুত পামদেৱ মোৰ বাইদেউ অনাতাঁৰ শিল্পী হীৰা ৰাভাৰ সংগীতৰ গুৰু। সেই ফালৰ পৰা তেখেত সকলৰ লগত আমাৰ এক আত্মীয়তাও আছে। প্ৰসঙ্গক্ৰমে শ্ৰীজুৰোই মোৰ স'তে কলা-সংস্কৃতি সম্পৰ্কীয় কিছু কথা আলোচনা কৰিলে আৰু তেওঁৰ আগমনৰ কাৰণ ব্যক্ত কৰিলে।

'ৰাংচাৰী ফিল্ম চ'চাইটি" অসমৰ জনজাতীয় সংস্কৃতিৰ এটি উল্লেখযোগ্য প্ৰতিষ্ঠান। এই অনুষ্ঠানৰ মই এগৰাকী সদস্যা। গোৱালপাৰাত অৱস্থিত এই প্ৰতিষ্ঠানৰ উদ্যোগী ব্যক্তি সকলে পোন প্ৰথম বাৰৰ বাবে ৰাভা সংস্কৃতিৰ ওপৰত আলোকপাত কৰি কথাছবি এখন কৰিবলৈ পৰিকল্পনা কৰে। এইখন এখন টেলিফিল্ম হ'ব আৰু ছবিখনত অভিনয় কৰিবলৈ শ্ৰীজুৰোই মোক অনুৰোধ কৰে।

"তুধনৈ পৰিদৰ্শন ভৱন"ত নিৰ্দ্ধাৰিত দিনত গৈ উপস্থিত হৈ "ৰাংচাৰী ফিল্ম চ'চাইটি"ৰ সমূহ সদস্য তথা পৰিচালকক লগ পালোঁ। ছবিখনৰ পৰিচালক ৰঞ্জিত বসুমতাৰী। এখেত মাথো টেলিফিল্মেই নহয় বড়ো ভাষা আৰু অসমীয়া ভাষাৰ কেইবাখনো কথাছবি পৰিচালনা আৰু কেমেৰাৰ দায়িত্ব বহন কৰা অভিজ্ঞ ব্যক্তি। পৰিচালকে মোক অকলশৰে মাতি নি কেইটামান প্ৰশ্ন কৰিলে; সাঁতুৰিব জানো নে নেজানো, ভুঁই ৰুব জানো নে নাজানো, মাছ মাৰিব জানো নে নেজানো, যিকোনো প্ৰতিকূল পৰিস্থিতিৰ সন্মুখীন হ'ব পাৰো নে নোৱাৰো ইত্যাদি। মোৰ চমু উত্তৰ আছিল আমি অনগ্ৰসৰ গাঁৱৰ জীয়ৰী, এনেবোৰ কাৰ্য আৰু পৰিবেশৰ সৈতে আমি অভ্যস্ত। তদুপৰি নজনা কথা জনাৰ বাবে সদায়ে আগ্ৰহী। পৰিচালক গৰাকীৰ ই এক পৰীক্ষা বুলিয়েই মই পিছত ধৰি লৈছিলোঁ। ইয়াৰ পিছত কমিটিৰ তৰফৰ পৰা মোক জনোৱা হ'ল যে, তেওঁলোকে মোৰ ওপৰত এটি গুৰু দায়িত্ব অৰ্পণ কৰিব খুজিছে; সেয়া হ'ল অনুষ্ঠানটিয়ে প্ৰযোজনা কৰিবলৈ লোৱা ছবিখনৰ মই মুখ্য চৰিত্ৰ অৰ্থাৎ নায়িকাৰ ভূমিকাত অভিনয় কৰিব লাগে। মোক নায়িকাৰ চৰিত্ৰৰ বাবে নিৰ্ব্বাচন কৰাৰ তেওঁলোকৰ পূৰ্ব্ব পৰিকল্পনা আছিল যদিও মই নাজানোঁ; কিন্তু অপ্ৰত্যাশিত

ভাবে এনে এটি গুৰুত্বপূৰ্ণ প্ৰস্তাৱত প্ৰথমতে দোদুল্যমান অৱস্থাত পৰিলোঁ। এফালে অভিনয়ৰ প্ৰতি আশৈশৱ প্ৰীতি আৰু আনফালে স্নাতকৰ শেহান্তবৰ্ষৰ শ্ৰেণীৰ পাঠদান গ্ৰহণৰ পৰা বিৰত থাকিব লাগিব —এই কথা ভাবি মোৰ অৱস্থা দুই নাও দুই ভৰি। জন্মগত সূত্ৰে লাভ কৰা মোৰ ভাষা-সংস্কৃতিৰ বিকাশত সামান্য অৰিহণা যোগোৱাৰ সুবিধা সমাগত —এই কথা হৃদয়ঙ্গম কৰি আনন্দমনে প্ৰস্তাৱত সন্মতি জনালোঁ।

ছবিখনৰ নাম প্ৰথমে নিজৰা ( Nijora ) ৰখা হৈছিল যদিও সেই নামেৰে আন অসমীয়া ছবি থকা বাবে পিছত নাম ৰখা হয় "মান্দানিঝৰা"। মান্দানিঝৰা এটি অৰ্থব্যঞ্জক শব্দ। প্ৰকৃততে মান্দা আৰু নিজৰা এই শব্দ দুটা লগ লাগি মান্দানিঝৰা হ'লেও ৰাভা ভাষাত ইয়াৰ স্বকীয়া অৰ্থ আছে বুলি কোৱা হয়। মান্দা-নি-ঝৰা অৰ্থাৎ মান্দাৰঝৰা। 'নি' তে 'ৰ' হয়। গতিকে মান্দানিঝৰা। আকৌ 'দুধনৈ' নদীৰ দক্ষিণাঞ্চলক গাৰো সকলে মান্দা বুলি কয়। অসমৰ জনজাতীয় লোক সকলৰ নদীৰ লগত সম্পৰ্ক অতি নিবিড়। অসমৰ বহুতো নদীৰ নাম, আনকি লুইত নামটোও জনজাতীয় শব্দ। তদুপৰি পৰ্ব্বত ভৈয়াম উভয়তে জনজাতি লোক সকল বাস কৰে। পৰ্ব্বতৰ পৰা নিজৰাটি বৈ আহি ভৈয়ামৰ নদীত মিলি যোৱাৰ দৰে ছবিৰ নায়িকা নিজৰাৰ প্ৰেমৰ ফল্গুধাৰা মান্দাৰ প্ৰেমৰ সোঁতত অৱলীলাক্ৰমে বিলীন হৈ যায়! যেনিবা পৰ্ব্বত ভৈয়ামৰ মিলন সাকোঁ "মান্দানিঝৰা"।

ছবিখনৰ বাবে কাহিনী অংশ ৰচনা কৰিছে ৰাজেন পামদেৱে। ছবিখনৰ ভাষা অসমীয়া কিন্তু অসমৰ ৰাভা জনজাতি সকলৰ বৰ্ণময় সংস্কৃতিৰ ৰূপ-ৰেখা ইয়াত অবলোকন কৰিবলৈ বিচৰা হৈছে।

মান্দা আৰু নিজৰা ছবিখনৰ মুখ্য চৰিত্ৰ। শিশু মান্দাৰ ভূমিকাত অভিনয় কৰি পঙ্কজ ৰাভাই সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। শিশু নিজৰাৰ চৰিত্ৰত অভিনয় কৰিছে গোলকগঞ্জৰ শিশু নমিতা ৰাভাই। নায়ক মান্দাৰ চৰিত্ৰ ৰূপায়ণ কৰে কুমুদ জুৰোই আৰু নিজৰাৰ চৰিত্ৰত মই অভিনয় কৰোঁ। আমাৰ স'তে অভিনয় কৰা শিল্পী সকল হ'ল—কনিষ্ঠ অভিযন্তা বৰুণ ৰাভা, যতীন ৰাভা, নিবোদ ৰাভা, হিমালয় পৰ্বত আৰোহণকাৰী নীল পদ্মিনী আদি শিল্পী সকল। মই আৰু মোৰ ভণ্টি সুষমা ৰাভাৰ বাহিৰে আটাইবোৰ শিল্পী গোৱালপাৰা আৰু তামোলপুৰৰ। সৰহ সংখ্যক সহ শিল্পীয়েই হ'ল স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী। কেমেৰামেন প্ৰাণজিৎ ৰাৱী, পোহৰৰ দায়িত্বত থকা প্ৰফুল্ল ডেকা আদি সকলোৱে একোজন সহৃদয় সম্পন্ন কলা কুশলী।

'মান্দানিঝৰা' ছবিখনত চাৰিটা গীত আছে। গীতবোৰ ৰাভা ভাষাত গোৱা হৈছে। চিকঝৰা গীত গাওঁতে নিজৰাৰ পাৰত বহি গাব লাগে আৰু বাকী কেইটা গীত ম'হৰ পিঠিত, টঙিঘৰত উঠি ওঁঠ মিলোৱা হৈছে। জনপ্ৰিয় বহুৰঙী নৃত্যটোও ছবিখনত সন্নিবিষ্ট কৰা হৈছে। গাঁৱৰ মহিলাসকলৰ লগত একেলগে এই নৃত্যটোত অংশ লোৱা হৈছে।

পোছাক-পাতিৰ ক্ষেত্ৰত ছোৱালী বিলাকে

পাতানি (মেখেলা), ককালত পাজাৰ আৰু ল'ৰা বিলাকে গামোচা আৰু ৰাভাচোলা ব্যৱহাৰ কৰিছে। দুই এটা কলেজৰ দৃশ্য আছে, তাত আধুনিক সা-সজ্জাই পৰিধান কৰিছে। ছবিখনত ৰাভাসকলৰ পোছাক-পৰিচ্ছদ, খাদ্য, পূজা-পাৰ্বন, নাচ-গান, ভাষা, জন-বিশ্বাস আদিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

'মান্দানিঝৰা' টেলিফিল্মখনৰ কাহিনীটো চমুকৈ এনেধৰণৰ—

মান্দা কেউ-কিছু নোহোৱা এটি ঘাট-মাউৰা ল'ৰা। নিজৰাব দেউতাকে তাক ঘৰলৈ আনি তুলি-তালি ডাঙৰ-দীঘল কৰিলে। সৰুৰে পৰা একেলগে খেলি মান্দা আৰু নিজৰা ডাঙৰ হ'ল। সৰু কালৰ মিলা-প্ৰীতিয়ে ডাঙৰত প্ৰেমলৈ ৰূপান্তৰিত হ'ল। নিজৰাৰ দেউতাকে এই প্ৰেম সহজভাৱে নল'লে। উপাৰ্জনক্ষমহীন মান্দালৈ তেওঁৰ ছোৱালীক বিয়া দিবলৈ অস্বীকাৰ কৰিলে। পিছত যেনিবা তেওঁ এটা চৰ্ত দিলে যে, যদি মান্দাই শকত পৰিমাণৰ ধন ঘটি আনিব পাৰে তেতিয়া নিজৰাক লাভ কৰিব। ধন ঘটাৰ বাবে মান্দা ঘৰৰ বাহিৰ হ'ল। কিছুদিন পিছত নিজৰাক দেউতাকে জনালে যে, 'ব্লাছটিঙ'ত কাম কৰোঁতে মান্দাৰ মৃত্যু হ'ল। শোকত নিজৰা ভাঙি পৰিল; কিন্তু নিজৰাৰ অন্তৰাত্মাই মান্দাৰ মৃত্যু খবৰ সহজভাৱে ল'ব নোৱাৰিলে। নিশা মান্দাৰ সন্ধানত নিজৰা ঘৰৰ পৰা ওলাই আহিল। বাটত গাৰো সম্প্ৰদায়ৰ মানুহ এজনক লগ পাই মান্দা মৰিছে নেকি সুধিলে। গাৰো ভাষাত 'মান্দে' মানে মানুহ, গতিকে 'মান্দে চিয়াহা' বুলি ক'লে। এইখিনিতে ভুল বুজা-বুজি হৈ যিহেতু মান্দা মৰাটো সঁচাই গতিকে জীয়াই থকা বৃথা বুলি ভাবি নিজৰা আত্মহত্যাৰ উদ্দেশ্যে নদীত জাপ দিলে। ইতিমধ্যে মান্দা ধন ঘটি আনন্দমনে ঘৰলৈ ফিৰি বাছৰ পৰা নামিল। ওচৰৰ মানুহৰ পৰা ভূ-পালে যে ছোৱালী এজনী পানীত পৰিছে। মান্দা লগে লগে পানীত জাপ মাৰি পৰিল আৰু ছোৱালীজনী উদ্ধাৰ কৰি দেখে যে সেয়া নিজৰা। ঘটনাটো অনুমান কৰি দুয়ো ডিঙিত ধৰি কান্দিবলৈ ধৰিলে। এনেতে নিজৰাক বিচাৰি দেউতাকে সেইখিনিত উপস্থিত হ'ল। ঘটনাৰ সবিশেষ জানি তেওঁৰ ভুল ভাঙিল আৰু মুৰ্গী কাটি মান্দা আৰু নিজৰাৰ বিয়া পাতি দিলে। পানীৰ সোঁতে মান্দাৰ ধনৰ মোনা কৰবালৈ উটুৱাই লৈ গ'ল।

ছবিখনৰ শ্যুটিং মানিকগঞ্জ, মেন্দি, মিএগ্ৰাপাৰা, বাইদা, দুধনৈ, ৰাংচাই আৰু ইয়াৰ আশেপাশে থকা পাহাৰী অঞ্চলবোৰতে হৈছিল। 'ইন্দোৰ' শ্যুটিং মানিকগঞ্জৰ বিপুল ৰাভাৰ দুমহলীয়া ঘৰটোতে হৈছিল। তাতেই মৰণা মৰা, ধান চপোৱা, বহুৰঙী নৃত্য আদি গ্ৰহণ কৰা হৈছিল।

২।৯।৯২ ইং তাৰিখে 'দুধনৈ কালচাৰেল চেণ্টাৰ'ত শুভ মহুৰত হয়। প্ৰধান অতিথি আছিল অসমৰ সু-সাহিত্যিক ৰাজেন্দ্ৰ নাথ ৰাভাদেৱ। ১।১০।৯২ ইং তাৰিখে ছবিৰ দৃশ্য গ্ৰহণ সমাপ্ত হয়। সম্প্ৰতি ছবিখনৰ সম্পাদনাৰ কাম চলি আছে। অচিৰেই এই টেলিফিল্মখন দুৰদৰ্শনযোগে প্ৰদৰ্শিত হ'ব বুলি ভবা হৈছে।

প্ৰথম দিনা কেমেৰাৰ সন্মুখত অভিনয় কৰাটো সকলো শিল্পীৰ বাবে যেনেদৰে স্মৰণীয় আৰু ৰমণীয় ঘটনা, মোৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম ঘটা নাই। বিশেষকৈ প্ৰেমৰ আবেগ সৰ্ব্বস্ব দৃশ্যবোৰত অভিনয় কৰোঁতে মই হেনো সহজ হ'ব পৰা নাছিলোঁ —এই অভিযোগ শ্ৰীজুৰোই মোৰ আগত প্ৰায়ে কৰিছিল। প্ৰথম অৱস্থাত ছবিজগতত ব্যৱহাৰ হোৱা পাৰিভাষিক শব্দবোৰে বেমেজালিত পেলাইছিল যদিও পিছত গৈ সেই-বোৰৰ সৈতে একাত্মীয়তা অনুভৱ কৰিছিলোঁ। কেতিয়াবা বহুদূৰ খোজকাঢ়ি গৈ খোৱা-শোৱা ত্যাগ কৰি দূৰণিবটীয়া ঠাইত শ্যুটিঙৰ বাবে উপস্থিত হ'ব লাগিছিল। পৰিচালকে উপদেশ দিছিল শিল্পী হ'বলৈ হ'লে ধৈৰ্য থাকিব লাগিব, সকলোৰে সৈতে মিলি যাব পাৰিব লাগিব।

—✱—

# অৰুণাচলত এভুমুকি

—ললিত চন্দ্ৰ বড়ো
উঃ মাঃ প্ৰথম বাৰ্ষিক

পৰীক্ষা চকীত প্ৰায় আধা ঘণ্টামান সময় এনেয়ে কটালো। ইফালে বেলিও লহিয়াইছে। অচিনাকি ঠাই অচিন মানুহ, বেলি যিমানে লহিয়াইছে মনৰ সংশয়ো সিমানে বৃদ্ধি পাইছে। অনুমতি পত্ৰ নোহোৱা কথাটো পুলিচক কলোঁ। পুলিচে ওচৰতে থকা কাৰ্যালয়ৰ পৰা 'চাৰ্কুলাৰ অফিচাৰ'ৰ যোগেদি প্ৰৱেশ পত্ৰ সংগ্ৰহ কৰিবলৈ ক'লে। কাৰ্যালয় বন্ধ কৰিবলৈ মাত্ৰ দহ মিনিট সময় বাকী আছে। লৰালৰিকৈ গৈ অফিচাৰক নমস্কাৰ জনাই মোৰ সমস্যাটোৰ কথা কলোঁ। তেওঁ কিন্তু মোৰ কথাত কোনো সঁহাৰি নিদিলে। নানা ধৰণেৰে মোৰ কথাখিনি বুজাবলৈ চেষ্টা কৰিলো, মানুহজনে কিন্তু কোনো সহায়েই নকৰিলে। হতাশ হলোঁ যেনেদৰে, ক্ষুণ্ণও হলোঁ। ইমান আঁকোৰগোজ। উপায় নেদেখি তাৰ পৰা গুচি আহিলো। বৰ বিমোৰত পৰিলো, ৰাতিটো কটোৱাৰ বাবে। ইপিনে আন্ধাৰে মেদিনী গ্ৰাস কৰি আহিছে। ঠাইখনত দোকান বুলিবলৈ মাত্ৰ দুখনমান সৰু তামোল-পাণৰ দোকান। হোটেল দূৰৰেই কথা। থকাৰ কিবা ব্যৱস্থা আছে নেকি দোকানী এজনক সুধিলো। তেওঁ ওচৰৰ ডাক বঙলাটোৰ কথা ক'লে। ৰাতি থকাৰ ব্যৱস্থা তাতেই হ'ল। থকা-খোৱাৰ কষ্ট নহল। বান্ধনি, চকিদাৰ সকলো আছে। ডাকবঙলাতে শইকীয়া দম্পতী এহাল লগ পালোঁ। আচল ঘৰ তিনিচুকীয়াৰ ডুমডুমাত। তেজুলৈ যাব। শইকীয়াই তাতেই চাকৰি কৰে। শ্ৰীমতী শইকীয়াও বয়ন শিল্পৰ লগত জড়িত। ল'ৰা-ছোৱালী দুটিৰে সুখী পৰিয়াল। তেওঁলোকক লগ পাই খুউব ভাল লাগিল। প্ৰসংগক্ৰমে মোৰ সকলো কথা ক'লো। শইকীয়াই ক'লে—"তুমি একো চিন্তা নকৰিবা। অহাকালি মোৰ লগত ওলাবা। প্ৰৱেশদ্বাৰ মই নিঃসন্দেহে পাৰ কৰাই দিম।" মই অতীব আনন্দিত হলোঁ। নিশাৰ আহাৰ একেলগে কৰিলো আৰু অইন এটা কোঠাত অকলে আনন্দমনে শুই থাকিলো। পিচদিনা সঁচাকৈ তেওঁলোকৰ সহায়ত অনায়াসে প্ৰৱেশদ্বাৰ অতিক্ৰম কৰিলো। ভাবিলো—চৰকাৰী নিয়ম, মানিলে একো কৰিব নোৱাৰি, কিন্তু ব্যতিক্ৰমে সকলো সহজ। অন্ততঃ অৰুণাচলৰ চৰকাৰী বিষয়া অসমীয়া চৰকাৰী বিষয়াৰ মাজত এইখিনি সাদৃশ্য প্ৰত্যক্ষ কৰিলো। এই ঘটনাটো ঘটিছিল অসম আৰু অৰুণাচলৰ সীমাত। ঠাইখনৰ নাম হ'ল চুণপোৰা।

১৯৯২ ইং চনৰ ৩১ মে'ত মই ঘৰৰ পৰা অৰুণাচল অভিমুখে বাওনা হওঁ। মোৰ নিৰ্দিষ্ট

লক্ষ্য আছিল লোহিত জিলাৰ তেজু । বহুদিন আগৰ পৰাই তেজুলৈ যোৱাৰ সুযোগ বিচাৰি আছিলোঁ । অৰুণ্মে মোৰ যোৱাৰ উদ্দেশ্য কেইবা-টাও আছিল আমাৰ মামাৰ ল'ৰা এটাই তেজুতে ইলেকট্ৰিকেলৰ এক ব্যক্তিগত প্ৰতিষ্ঠানত কাম কৰে, পাৰিলে তেওঁৰ লগতে লগ হৈ মৰো সেই কাম কৰিম বুলি ভাবিছিলো । মানুহে কয় অৰুণাচলত বোলে মানুহৰ সংখ্যা বৰ কম আৰু হাবি-বনেৰে ভৰপূৰ । পৰ্যটকৰ মনপৰশা প্ৰকৃতিৰ লীলাভূমি । এই লীলাভূমি চোৱা আৰু শেৰৰ উদ্দেশ্যটো আছিল তেজুৰ নিচেই কাষতে থকা পৰশুৰামকুণ্ড বা ব্ৰহ্মকুণ্ড ঠাইখন চোৱা । অৰুণা-চললৈ ৰেল নাযায় । বাছেৰেও গুৱাহাটীৰ পৰা পোনপটীয়াকৈ তেজুলৈ যাব নোৱাৰি । কিন্তু ইটানগৰলৈ যোৱা পোনপটীয়া বাছ পোৱা যায় । গতিকে প্ৰথমতে মই তিনিচুকীয়ালৈ যোৱা 'অসম ট্ৰেভেলচ্' নৈশ বাছ এখনৰ টিকট ললোঁ । তিনিচুকীয়াৰ পৰা চৈখোৱা ঘাটলৈ গুৱাহাটীৰ পৰা নৈশ বাছ চলে । কিন্তু মোৰ অজ্ঞতাৰ বাবে তেনেদৰে যাত্ৰা কৰা নহ'ল । গাড়ীখনে গুৱাহাটী এৰিব সন্ধিয়া ৭-১৫ মিনিটত । ইমান সময় কি কৰিম বুলি ভাবি বন্ধু এজনৰ থকা হোষ্টেললৈ ঢাপলি মেলিলোঁ । বন্ধুজন তেতিয়া ক্লাচত আছিল । ৰুমমেট দুজন আছিল, কিছুসময় অপেক্ষা কৰি-বলৈ কৈ এওঁলোকো ক্লাচলৈ ওলাই গ'ল । হাত-মুখ ধুই মইও বিছনাখনতে অলপ দীঘল দিলো । বাৰ বজাত বন্ধুজন ক্লাচৰ পৰা আহিল । সি অহাত কৰ টোপনি কলৈ গ'ল ক'ব নোৱাৰো । আমাৰ মাজত ভাল জমিল ; এৰা জমিবই, সি হ'ল ইঞ্জিনিয়াৰিঙৰ চূড়ান্ত বাৰ্ষিকৰ ছাত্ৰ । তাৰ পঢ়া-শুনাৰ পৰা আৰম্ভ কৰি, নতুনকৈ হোষ্টেলত সোমোৱা ছাত্ৰ-ছাত্ৰীৰ ৰেগিং কৰালৈ আৰু নতুনকৈ অহা মণিপুৰী ধুনীয়া ছোৱালী-জনীয়ো আমাৰ আলোচনাত ঠাই পালে । নিৰ্দিষ্ট সময়ত আমি ষ্টেচনলৈ গ'লো । ইতিমধ্যে সাত বাজিল, সেই ঠাইখনলৈ বাছখনো আহি পালে । যাত্ৰীবোৰে বাছত উঠিবলৈ ধৰিলে । বন্ধুজনৰ পৰা বিদায় ললোঁ । অইন যাত্ৰীৰ সৈতে মৰো মোৰ নিৰ্দিষ্ট আসনখনত বহিলোঁ । গুৱাহাটী মহানগৰীৰ সোঁমাজেৰে ৩৭ নং ৰাষ্ট্ৰীয় পথেদি গাড়ীখন অগ্ৰসৰ হবলৈ ধৰিলে । মোৰ মনটো তেতিয়া ক'ব নোৱাৰাকৈ অৰুণাচলত প্ৰৱেশ কৰিলে ।

ন-বজাত এঠাইত গাড়ীখন ৰখালে । যাত্ৰী-বোৰ প্ৰায় সকলো নামিল । গাড়ীৰ পৰিচালকে ক'লে কোনোবাই যদি খোৱা-লোৱা কৰে ইয়াতে খাই ল'ব পাৰিব, আগত আৰু সুবিধা নহব । যাত্ৰীসকলে তাতেই নৈশ আহাৰ গ্ৰহণ কৰিলে । উজনি অসমত ট্ৰাকৰ লাইনৰ দৰে নৈশ বাছৰ লাইন হয় ; সেইকাৰণে চাগে নৈশ হোটেল-বোৰৰ ইয়াত অধিক তৎপৰতা । উল্লেখিত ঠাইখন আছিল মৰিগাঁও জিলাৰ জাগীৰোড । যাত্ৰীসকল কিছুসময়ৰ পিছত বাছত উঠিল । আমাৰ যাত্ৰা আকৌ আৰম্ভ হ'ল । আগতকৈ এইবাৰ গাড়ীখন তীব্ৰবেগত চলিলে । এখন হিন্দী কথাছবি ভি-ডি-অত লগাই দিলে । আধা ঘণ্টামান যোৱাৰ পাচত নগাঁও পালোঁ । দুই এজন যাত্ৰী উঠা নমা কৰিলে । নিশা বাৰ বজাত কাজিৰঙা হাবিৰ

মাজেৰে যাবলৈ ধৰিলে। এবাৰ ভুমুকিয়াই চাই পঠালো, নাই একো নাই ; ঘোপমৰা এন্ধাৰ, ইখন যে কাজিৰঙা কাষৰ যাত্ৰীজনৰ পবাহে সেইটো জানিব পাৰিলোঁ। কাজিৰঙাখন চোৱাৰ মোৰ খুবেই ইচ্ছা আছিল। যোৰহাট চহৰত সোমাওঁতে এক বাজিল। বিজুলীৰ পোহৰত যোৰহাটৰ দুই এটা শিক্ষানুষ্ঠান দেখিবলৈ পালোঁ। চাৰি বজাত ঐতিহাসিক শিৱসাগৰ চহৰখনত প্ৰৱেশ কৰিলোঁ। আলিৰ দাঁতিতে থকা বৃহৎ পুখুৰীটো আৰু তাৰ কাষতে থকা দৌল কেইটা দেখিয়ে মোৰ তাহানিৰ জয়মতী-গদাপাণিৰ কথা মনত পৰিল। ডিব্ৰুগড় জিলাৰ লানি নিছিগা চাহ বাগিচাবোৰৰ দৃশ্য চাবলগীয়া। এনেকৈ গৈ পুৱা ছয় বজাতহে তিনিচুকীয়া পালোঁ। সিদিনা কিনকিনীয়া বৰষুণ দি আছিল। তিনিচুকীয়াত বেছি সময় বোৱাৰ সময় নহ'ল। চৈখোৱা ঘাটলৈ যোৱা গাড়ী আহি পালে। ময়ো তৎ-ক্ষণাৎ সিখন গাড়ীত উঠিলোঁ। চৈখোৱা ঘাটৰ পৰা ব্ৰহ্মপুত্ৰ নদী পাৰ হ'ব লাগে ফেৰীত। ইতিমধ্যে এক বজাৰ চৰকাৰী ফেৰী গুচি গ'ল। এখন ফেৰীৰে পাৰ হলো, ভাৰা ল'লে পঁচিশ টকা। সিটোপাৰৰ শদিয়া ঘাটটো পালো। ইয়াত দেখিছো যিবোৰ মালিকে ফেৰী কৰিছে তেওঁলোক বৰ লাভবান হৈছে। এই একেখন নদীকে পাৰ হওঁতে পঞ্চৱত্ন আৰু যোগীঘোপাত ভাৰা মাত্ৰ ৬০ পইচা, এতিয়া অংকটো মিলাই চাওক কিমান পাৰ্থক্য। শদিয়াৰ পৰা এখন চৰকাৰী বাছত চূণপোৱালৈ গলোঁ। চূণপোৱা পাওঁতে আবেলি ৩-৫০ বাজিল। পাতনিতে লিখা ঘটনাটোৱেই আছিল চূণপোৱাত ঘটা ঘটনা। এনেকৈ বহুত বাধা-বিঘিনি অতিক্ৰম কৰি দুই মে'ত দিনৰ এঘাৰ বজাত তেজু ঠাইখন পালোঁ।

তেজু এখন মনোৰম পাহাৰীয়া সৰু চহৰ। ইয়াৰ কাষেদি লোহিত নদীখন বৈ গৈছে। তেজু লোহিত জিলাৰ সদৰ আৰু শিক্ষা-বাণিজ্যৰ প্ৰধান কেন্দ্ৰ। আগতে অৰুণাচল কেন্দ্ৰ শাসিত ৰাজ্য আছিল, সম্প্ৰতি ই ৰাজ্য চৰকাৰৰ অধীনলৈ আহিছে। আগতেই উল্লেখ কৰিছো আমাৰ এজন সম্বন্ধীয় দাদা এই চহৰতে কাম কৰে। তাৰ কাম কৰা "ইউনিক ইলেকট্ৰিকেল লিমিটেড" প্ৰতিষ্ঠানটো বিচাৰি বিচাৰি পালোঁ। খবৰ কৰিলো দাদা নাই, কলিকতালৈ গৈছে। ভাইটি বুলি জানিব পাৰি দাদাৰ বন্ধুবোৰে ভাল পালে। তেওঁলোকৰ লগত থাকিলোঁ আৰু তাৰ ঠাইবোৰ চালোঁ। ইয়াত এখন ইন্দিৰা গান্ধী নামৰ চৰ-কাৰী মহাবিদ্যালয়, এখন উচ্চতৰ মাধ্যমিক বিদ্যা-লয়, বিবেকানন্দ কেন্দ্ৰীয় বিদ্যালয় আৰু এখন ছোৱালী হাইস্কুল আছে। দূৰদৰ্শনৰ কেন্দ্ৰ, অনা-তাঁৰ কেন্দ্ৰ, তাপবিদ্যুত প্ৰকল্প, বিমান কোঠ আৰু প্লাইউড উদ্যোগ আছে। সুন্দৰ সুন্দৰ গীৰ্জ্জাঘৰ আৰু ডনবস্কু স্কুলবোৰ সঁচাকৈ চকুত লগা, কিন্তু মই চাম বুলি ভাবি যোৱা ব্ৰহ্মকুণ্ড বা পৰশুৰামকুণ্ডহে চোৱা নহ'ল। তেজুৰ পৰাই হেনো পঁচিশ কিলোমিটাৰ আঁতৰত। ওচৰতে থকা এখন হাই-লং নামৰ পাহাৰলৈ গলোঁ। তেজুত বহুত অসমীয়া মানুহ আছে। তেওঁ-লোকে ইয়াত বেছিভাগেই চাকৰি কৰে। দোকান-

পাহাৰবোৰ অৰুণাচলৰ স্থায়ী বাসিন্দতকৈ ভাৰতৰ অইন অইন প্ৰান্তৰ মানুহৰেই বেছি। তেজুত এখন বিতোপন উদ্যান আছে, গধূলি পৰত সোমালে ওলাই আহিবলৈ মন নাযায়।

অৰুণাচল প্ৰকৃতিৰ লীলাভূমি। হিমালয় পৰ্ব্বত অৰুণাচলতো সোমাইছে আৰু ইয়াৰ ঠাল-ঠেঙুলিয়ে শিৰৰ মুকুটৰ দৰে শোভা কৰিছে। পাটকাই পৰ্ব্বত এখন সেৰ্থত লবলগীয়া পৰ্ব্বত। চুনপোৰাৰ পৰা তেজুলৈ গোটেই পথটোৰে হাবি-বনেৰে ভৰা। এনে এখন ঠাই নেদেখিলো য'ত গছ-গছনি নাই। আচৰিত কথা ৰাস্তাটোৰ ওপৰত এখন দলঙো পাবলৈ নাই। আনকি লোহিত নদীৰ ওপৰতো দলং নাই। ঠাইবোৰ এটলীয়া হোৱা বাবেই নদীবোৰ পানীৰে উপচি নেথাকে। বাছ ট্ৰাকবোৰ পানীৰ ওপৰেৰে চলাই নিয়ে। পৰ্ব্বতবোৰ আকাশলংঘী। গোটেই পৰ্ব্বত-পাহাৰবোৰ হলং, চিচু, তিতাচোপা আদিৰে আবৰা। ইয়াৰ হাবিত শাল গছ নাই। অৰুণাচলৰ হাবিত পোৱা এবিধ মূল্যবান গছ হ'ল ডালচিনি গছ। অৰুণাচলত প্ৰচুৰ পৰিমাণে গোমধান, মাকৈ আদি উৎপাদন হয়। নাচপতি, মাটিকঠাল, আলু-কচু, আদা আদিও ইয়াত পোৱা যায়।

অৰুণাচলৰ মানুহবিলাক স্বাস্থ্যবান, কামিলা আৰু সেইবাবেই হয়তো ৰাজ্যখন খাদ্যশস্যত স্বনিৰ্ভৰশীল। মতা-তিৰোতা নিৰ্ব্বিশেষে যেনেকৈ পৰিশ্ৰম কৰে, জিৰণি আৰু আমোদ প্ৰমোদৰ কাৰণেও তেনে সুব্যৱস্থা আছে। অৰুণাচলত আদি, ডফলা, মিচিমি, আপাদানি আদি জাতি-উপজাতি আছে। মানুহবোৰ চাংঘৰত থাকে। ঘৰবোৰ আধুনিক পদ্ধতিৰ হলেও চাঙৰ ওপৰত। অৰুণাচল মুখ্যতঃ এখন মাতৃপ্ৰধান ৰাজ্য। ইয়াত তিৰোতা মানুহৰ প্ৰাধান্য বেছি। মতা মানুহবোৰে মূৰত কাপোৰ এখন মেৰিয়াই লয় আৰু ইয়াত চৰাইৰ পাখি সদৃশ কিবা কিবি গুজি লয়, কিন্তু মূৰতো ৰূপৰ মুদ্ৰাৰ মালা পিন্ধে। তিৰোতা-বোৰে আমাৰ ইয়াৰ বড়োসকলৰ দৰে দখনা পিন্ধে, অৱশ্যে চুটিকৈ পিন্ধে। তেওঁলোকে কিছু হ'লেও অসমীয়া বুজি পায়। উঠি অহা ল'ৰা-ছোৱালীবোৰে ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে আৰু তেওঁলোকে ভালদৰে ইংৰাজী কব পাৰে।

ইপদ-সিপদ বস্তু লওঁতে মোৰ টকাৰ বেগটোও সৰু হৈ আহিবলৈ ধৰিলে। তেজুত মই ঘূৰি-পকি দুদিন কটালোঁ। পাঁচ জুন তাৰিখে মই ঘৰলৈ বুলি উভতিলোঁ। যেন মই এখন স্বপ্ন ৰাজ্যৰ পৰাহে নামি আহিলোঁ।

অৰুণাচল প্ৰদেশৰ সংক্ষিপ্ত ভ্ৰমণৰ অন্তত মনলৈ কিছু বিক্ষিপ্ত চিন্তাও নহাকৈ নাথাকিল। বিদেশী পৰ্যটকৰ বাবে অকল অসমেই নহয়, সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলটোৱেই আকৰ্ষণৰ উৎস। ইয়াৰ প্ৰাকৃতিক সৌন্দৰ্য আৰু ঐশ্বৰ্যময় অতীতৰ কীৰ্তি স্থাপত্য ভাস্কাৰ্যই মানুহক আকৰ্ষণ কৰে অহৰহ। বিদেশী পৰ্যটকৰ পৰা লাভ কৰা বিদেশী মুদ্ৰা আজিকালি এটা ভাল ৰাজহৰ উৎস। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ অদূৰদৰ্শিতাই এই অঞ্চলৰ সম্ভাৱনাপূৰ্ণ বিদেশী মুদ্ৰা অৰ্জনৰ পথ ৰুদ্ধ কৰি ৰাখিছে। আজি বহু বছৰ ধৰি

এই অঞ্চলটোত প্ৰৱৰ্ত্তিত হৈছে 'ৰেছট্ৰিকটেড এৰিয়া পাৰ্মিট'। এই ব্যৱস্থা অনুসৰি উত্তৰ-পূৰ্বাঞ্চললৈ এজন দুজনৰ সলনি বহু বিদেশী একগোট হৈহে প্ৰৱেশ কৰিব পাৰে। অঞ্চলটোত থকা সময়ত প্ৰতি ২৪ ঘণ্টাৰ অন্তৰে অন্তৰে সমীপৱৰ্তী আৰক্ষী থানাত নিজৰ উপস্থিতিৰ কথা জনাই থাকিব লাগিব। বিদেশী পৰ্যটক থকাৰ বাবে ইয়াত কোনো ভাল হোটেল বা চৰকাৰী ব্যৱস্থা নাই। দেশৰ ভিতৰত বিদেশী পৰ্যটক প্ৰৱেশ কৰাৰ লগে লগে ছাঁৰ দৰে ঘূৰি ফুৰে চোৰাংচোৱা বিষয়া। অলপতে চাৰিগৰাকী শীৰ্ষস্থানীয় আন্তৰ্জাতিক পৰ্যটন সংগঠকৰ অসম ভ্ৰমণে চৰকাৰৰ অদূৰদৰ্শিতা প্ৰকট কৰি তুলিছে। তেওঁলোকৰ মন্তব্য —অঞ্চলটোত পৰ্যটকক আকৰ্ষণ কৰিব পৰা সামগ্ৰী যথেষ্ট; কিন্তু থকাৰ, খোৱাৰ ন্যূনতম সুবিধাকণো নাই। আৰু, এ, পি ৰ কটকটীয়া প্ৰয়োগ, চোৰাংচোৱাৰ তীক্ষ্ণ নজৰ— এইবোৰ অতিক্ৰম কৰি কোনো বিদেশী পৰ্যটক এই অঞ্চলৰ প্ৰতি আকৰ্ষিত নোহোৱাই স্বাভাৱিক। ৰাজ্য চৰকাৰে আৰ. এ, পিৰ বলবৎ প্ৰত্যাহাৰ কৰিবলৈ কেন্দ্ৰক অনুৰোধ কৰিও বিফল হৈছে; অথচ অসমতকৈও স্পৰ্শকাতৰ অঞ্চল বিদেশী পৰ্যটকৰ ভ্ৰমণৰ বাবে সুচল কৰি ৰখা হৈছে। পাৰ পত্ৰ থকা কেইজনমান বিদেশী পৰ্যটকক উত্তৰ পুৰ্ব্বাঞ্চলত চৰকাৰে নিৰ্ব্বিঘ্নে চলা-ফুৰা কৰিবলৈ দিব নোৱাৰে; কিন্তু পাৰ পত্ৰ বিহীন শ শ বিদেশীৰ অবৈধ প্ৰব্ৰজনৰ বাবে অসমৰ দ্বাৰ আছে সদা উন্মুক্ত। □□

---

যুগে যুগে আদান-প্ৰদানৰ কৰ্মস্থলীত যোগ-বিয়োগৰ পূৰণ হৰণৰ ভিতৰেদি সংস্কৃত হৈ হৈ শান্তি-শৃঙ্খলাৰ আনন্দক স্থায়িত্ব দি যি এটা সৌন্দৰ্য্যবোধৰ সমষ্টিগত সামাজিকতা গঢ়ি উঠিল, সেয়ে সেই ঠাই ডোখৰৰ লোক-সমষ্টিৰ সংস্কৃতি হ'ল।

— অম্বিকাগিৰী ৰায়চৌধুৰী

---

অলিম্পিক

# বাৰ্চিলোনা '৯২

গণেশ চন্দ্ৰ বড়ো
স্নাতক প্ৰথম বাৰ্ষিক

বিশ্বৰ মানুহৰ সৰ্ববৃহৎ ক্ৰীড়ানুষ্ঠান অলিম্পিক। গ্ৰীচ দেশৰ অলিম্পিয়াত এক ধৰ্মীয় অনুষ্ঠানৰ অঙ্গ হিচাপে যাৰ সূচনা হৈছিল ; বৰ্ণাঢ্য ব্যাপকতা আৰু আন্তৰ্জাতিক চূড়ান্ত মানদণ্ডৰে উত্তৰণ ঘটি —সিয়ে ৰূপ পালে আধুনিক অলিম্পিকৰ। ১৮৯৬ চনত গ্ৰীচ দেশৰ এথেন্সত অনুষ্ঠিত হোৱাৰে পৰা প্ৰতি চাৰি বছৰৰ অন্তৰে-অন্তৰে পৃথিৱীৰ বিভিন্ন দেশত আয়োজিত হৈ আহিছে অলিম্পিক সমাৰোহ 'দ্য গ্ৰেটেষ্ট শ্বো অন আৰ্থ'।

## ২৫তম্ অলিম্পিক ঃ

এইবাৰ বিশ্বৰ ২৫তম্ গ্ৰীষ্মকালীন অলিম্পিক অনুষ্ঠিত হয় স্পেইনৰ বাৰ্চিলোনা চহৰত। পৃথিৱীৰ ১৭২ খন দেশৰ ১৫,০০০ ক্ৰীড়াবিদে ইয়াত অংশ গ্ৰহণ কৰে। বাৰ্চিলোনা '৯২ নামেৰে চিহ্নিত এই সমাৰোহৰ বৈশিষ্ট্য হ'ল কোনো দেশে এইবাৰ অলিম্পিক বয়কোট কৰা নাছিল। ঐক্য আৰু সংহতিৰ বিৰল মিলন ক্ষেত্ৰলৈ পৰ্যবসিত হৈছিল বাৰ্চিলোনা '৯২।

## বাৰ্চিলোনা '৯২ ৰ উদ্বোধনী অনুষ্ঠান ঃ

স্পেইনৰ ৰজা জুৱান কাৰ্লোছে উদ্বোধনী অনুষ্ঠান মুকলি কৰে। আধুনিক কলা-কৌশলৰ সৈতে ঐতিহ্যময় স্পেইনীয় কলা-কৃষ্টিৰ অপূৰ্ব সংমিশ্ৰণ ঘটিছিল মণ্ট জুইক অলিম্পিক ষ্টেডিয়ামত। নীলা বৰণৰ চৰাই কিনীয়েৰীৰ ৰূপত লাস্যময়ী যুৱতী, ভূমধ্যসাগৰীয় ভয়ংকৰ প্ৰাণীৰ বিৰুদ্ধে যুঁজত অৱতীৰ্ণ হোৱা ৰোমান যোদ্ধা, হলিউদৰ স্পিলবাৰ্গৰ ছবিৰ দৰেই ৰহস্যময় কোনো অচিন জীৱৰ বিৰুদ্ধে জীৱন মৰণ সংগ্ৰাম মানৱ বীৰৰ। জুৱান লুইছ মৰেলিনাৰ সুমধুৰ সংগীতৰ লহৰে লহৰে 'চাৰদানা' নৃত্যত অংশ ল'লে স্পেইনীয় যুৱক-যুৱতীয়ে। মণ্টছেৰাট কাবালে, প্লেচিডো ডমিংগো, জ'ছ কৰেৰাচৰ সংগীতে মুখৰিত কৰিলে বাৰ্চিলোনাৰ আকাশ, বাৰ্চিলোনাৰ বতাহ। জ্বলন্ত কাঁড় নিক্ষেপ কৰি প্ৰজ্বলিত কৰা হল অলিম্পিক শিখা।

## প্ৰথম তিনিটা স্থানত ঃ

পূৰ্বৰ ছোভিয়েট ৰাশিয়া সম্প্ৰতি ৰাজনৈতিক ভাৱে বিপৰ্যস্ত, খণ্ড-বিখণ্ড। তৎসত্বেও নতুনকৈ জন্ম হোৱা উনৈশ খন দেশে একেখন পতাকাৰ তলত একত্ৰিত হৈ আগৰ গৌৰৱ অক্ষুণ্ণ ৰাখিলে। ৪৫ টা সোণ, ৩৮ টা ৰূপ আৰু ২৯ টা ব্ৰঞ্জৰ পদক লাভ কৰি সন্মিলিত চি, আই, এছ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দল হিচাপে পৰিগণিত হয়।

ছিউল অলিম্পিকত আমেৰিকা যুক্তৰাষ্ট্ৰই যি পাৰদৰ্শিতা দেখুৱাইছিল, বাৰ্চিলোনাত সেই গৌৰৱ অটুট নাথাকিল। তথাপি ৩৭ স্বৰ্ণ, ৩৪ ৰৌপ, ৩৭ টা ব্ৰঞ্জৰ পদক লাভ কৰি দ্বিতীয় স্থানলৈ উন্নীত হৈ নতুন সাফল্যৰ চিনাকি দিয়ে।

পশ্চিম জাৰ্মানিয়ে ছিউলত স্থান লাভ কৰিছিল দ্বিতীয় আৰু পূব জাৰ্মানিয়ে পঞ্চম। বাৰ্চিলোনাত একত্ৰিত জাৰ্মানিয়ে তৃতীয় স্থানহে লাভ কৰিবলৈ সমৰ্থ হয়। সেই ফালৰ পৰা একত্ৰিত জাৰ্মানিৰ ক্ৰীড়া নৈপুণ্যৰ অৱক্ষয় হৈছে বুলি কব পাৰি। তেওঁলোকে ৩৩ টা সোণ, ২১ টা ৰূপ আৰু ২৮ টা ব্ৰঞ্জৰ পদক লাভ কৰে।

### এছিয়াৰ ক্ৰীড়া জগতলৈ সাফল্য :

বাৰ্চিলোনা অলিম্পিকে এছিয়াৰ ক্ৰীড়া জগতলৈ এক বৈপ্লৱিক পৰিৱৰ্তন আনিলে। ইউৰোপ-আমেৰিকাৰ খেলুৱৈ তথা সংগঠক সকলে একপ্ৰকাৰ উপলুপ্তাসূচক ধাৰণা পোষণ কৰি আছিছিল এছিয়াৰ ক্ৰীড়াবিদ সকলৰ প্ৰতি। এই বাৰ এছিয়াৰ চমকপ্ৰদ সাফল্যাই তেওঁলোকৰ পূৰ্বৰ ধাৰণা ধূলিসাৎ কৰিলে।

এছিয়াৰ দেশবোৰৰ ভিতৰত চীনে সামগ্ৰিকভাৱে ১৬ স্বৰ্ণ, ২২ টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জৰ পদক লাভ কৰি বাৰ্চিলোনা অলিম্পিকত চতুৰ্থ স্থান লাভ কৰিবলৈ সমৰ্থ হয়। চীনৰ প্ৰতিযোগী সকলে জিমনাষ্টিক, সাতোৰ, শ্যুটিং আৰু এথেলেটিকছত সুন্দৰ যোগ্যতা প্ৰদৰ্শন কৰে।

চীনৰ পিচতে উল্লেখযোগ্য সাফল্য লাভ কৰে দক্ষিণ কোৰিয়াই। ১২ টা সোণ, ৫ টা ৰূপ আৰু ১২ টা ব্ৰঞ্জৰ পদক লাভ কৰি দক্ষিণ কোৰিয়াই সপ্তম স্থান অধিকাৰ কৰে। আৰ্চাৰী, শ্যুটিং, বেডমিণ্টন, বেষ্টলিং, ভাৰোত্তোলন, জুডো, হেণ্ডবল, মাৰাথান আদি ইভেণ্টত দক্ষিণ কোৰিয়াই সাফল্য লাভ কৰে।

বাৰ্চিলোনা অলিম্পিকত উত্তৰ কোৰিয়াৰ পাৰদৰ্শিতাও চমকপ্ৰদ আছিল। ৰেষ্টলিং, বক্সিং, আৰু জিমনাষ্টিকৰ প্ৰদৰ্শন আছিল দৰ্শনীয়। জাপানে জুডো আৰু সাতোৰত স্বৰ্ণপদক লাভ কৰে। ইণ্ডোনেচিয়াই পুৰুষ মহিলা উভয় শাখাতে চিংগলছৰ খিতাপ অৰ্জন কৰি স্বৰ্ণপদক লাভ কৰাৰ সন্মান অৰ্জন কৰে বেডমিণ্টনত।

### অলিম্পিক ট্ৰায়েলত ব্যৰ্থতা :

কাৰ্ললুইচ, বেন জনচন, ফ্লোৰেন্স গ্ৰিফিট জয়নাৰ আদি খেলুৱৈ সকলে ছিউল অলিম্পিকত সৃষ্টি কৰা অভিলেখৰ কথা ক্ৰীড়ামোডীয়ে পাহৰি যোৱা নাই। বাৰ্চিলোনা অলিম্পিকৰ 'অলিম্পিক ট্ৰায়েল'ত এইসকল দুৰ্দ্ধৰ্ষ খেলুৱৈৰ বিফল প্ৰদৰ্শনে আগ্ৰহী খেল প্ৰেমীকক হতাশ কৰে। বেন জনচনৰ খেলত অংশ গ্ৰহণ নকৰাকৈয়ে অলিম্পিক ভিলেজ পৰিত্যাগ, এনে বিফলতাৰ কাৰণে জয়নাৰৰ অনুপস্থিতি আৰু এশ মিটাৰ দৌৰিবলৈ পূৰ্বৰ চেম্পিয়ন কাৰ্ললুইচৰ অযোগ্যতা প্ৰদৰ্শন উল্লেখযোগ্য ঘটনা।

### ব্যক্তিগত ইভেণ্টত সাফল্য :

কাৰ্ললুইচে এশ মিটাৰ দৌৰৰ পৰিবৰ্তে লং জাম্পতহে অংশ গ্ৰহণ কৰিবলৈ যোগ্যতা লাভ কৰে। ট্ৰেক এণ্ড ফিল্ডৰ আটাইতকৈ আকৰ্ষণীয়

ইভেণ্ট এশমিটাৰ দৌৰত প্ৰথম স্থান লাভ কৰে গ্ৰেটবৃটেনৰ লিনফোৰ্ড ক্ৰিষ্টিয়ে। এতিয়ালৈ ব্যক্তিগত শাখাত আঠটা সোণৰ পদক লাভ কৰি কাৰ্ল লুইচে অভিলেখ সৃষ্টি কৰে। একেদৰে বাৰ্চিলোনা অলিম্পিকত খেল প্ৰদৰ্শন কৰি আমেৰিকাৰ জেকী জয়নাৰ শ্ৰেষ্ঠ মহিলা খেলুৱৈ হিচাপে পৰিগণিত হয়। চাৰ্গেই বুবকা আকাশ লঙ্ঘা যাৰ পৰিকল্পনা, যি নিজে বিশ্ব ৰেকৰ্ড সৃষ্টি কৰি নিজে তাক ভাঙে, বাৰ্চিলোনা অলিম্পিকৰ পোলভল্টত তেওঁ হয় চৰম ব্যৰ্থ। তাৰ পৰিৱৰ্তে মাক্সিম টাৰাচোঙ স্বৰ্ণপদকৰ গৰাকী হয় পোলভল্টত।

সন্মিলিত দলৰ জিমনাষ্টিক গাৰ্বো ভিটালি স্কেৰব' বাৰ্চিলোনা অলিম্পিকৰ মুখ্য আকৰ্ষণ আছিল। ব্যক্তিগতভাবে গাৰ্বো ভিটালিয়ে ছয়টা সোণৰ পদক লাভ কৰে।

চীনদেশৰ তেৰ বছৰীয়া ফু মিঙ্গিয়াই ডাইভিঙত তিনিটা স্বৰ্ণ পদক লাভ কৰাটো এক উল্লেখনীয় সাফল্য।

বাৰ্চিলোনা অলিম্পিক প্ৰতিযোগিতাৰ প্ৰথম স্বৰ্ণ পদক লাভ কৰে স্কুলীয়া ছাত্ৰী য়ু কেব চুনে আৰ্চাৰিত আৰু শেষ স্বৰ্ণ পদকটি লাভ কৰে য়ং চোৱকে মাৰাথানত। এওঁলোক দুয়োগৰাকী খেলুৱৈ দক্ষিণ কোৰিয়াৰ।

## একক দ্বৈত আৰু দলীয় ভূমিকা—

সকলোতকৈ দৰ্শনীয় অঘটন ঘটে লন টেনিছত। বিশ্বৰ শীৰ্ষস্থানীয় খেলুৱৈসকলৰ পৰাজয় ঘটিছিল অনামী খেলুৱৈৰ হাতত। ষ্টেফী গ্ৰাফক পৰাজিত কৰি মহিলাৰ চিংগলছত আমেৰিকাৰ জেনিফাৰ কেপ্ৰিয়াটী চেম্পিয়ন হয়। পুৰুষৰ চিঙ্গলছত চেম্পিয়ন হয় চুইজাৰলেণ্ডৰ মাৰ্কৰ ছেট। মহিলাৰ ডাবলছত আমেৰিকাৰ মেৰিজো ফাৰ্ণাণ্ডেজ আৰু জিজি ফাৰ্ণাণ্ডেজ, পুৰুষৰ ডাবলছত জাৰ্মানিৰ বৰিচ বেকাৰ আৰু মাইকেল ষ্টীচে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰে।

চুইডেন আৰু চীন ক্ৰমে চিংগলছ আৰু ডাবলছত চেম্পিয়ন হৈ স্বৰ্ণ পদক লাভ কৰে টেবুল টেনিচত।

বেডমিণ্টনৰ চিঙ্গলছত ইন্দোনেচিয়াৰ ছুচি সুশানি মহিলাৰ আৰু এলেনবাডি কুচুমাই স্বৰ্ণ পদক লাভ কৰে পুৰুষৰ শাখাত। বাস্তৱ জীৱনত এওঁলোক দুয়ো প্ৰেমিক-প্ৰেমিকা।

সাঁতোৰত আমেৰিকাৰ পূৰ্বৰ গৌৰৱ অক্ষুণ্ণ থাকে। ঘৰুৱা দল স্পেইনে জাৰ্মানিক ২-১ গলত হৰুৱাই স্বৰ্ণ পদক লাভ কৰে। ভলীবলৰ পুৰুষৰ শাখাত ব্ৰাজিল আৰু মহিলাৰ শাখাত কিউবাই প্ৰথম স্থান লাভ কৰে। বাস্কেট বলত আমেৰিকাই পুৰুষ আৰু সন্মিলিত দলে মহিলাৰ শাখাত বিজয়ী হয়। হেণ্ডবলৰ স্বৰ্ণ পদক পুৰুষৰ বিভাগত সন্মিলিত দলে আৰু মহিলাৰ বিভাগত সন্মিলিত দলে আৰু মহিলাৰ বিভাগত দক্ষিণ কোৰিয়াই স্বৰ্ণ পদক লাভ কৰে।

## ড্ৰাগছ কেলেঙ্কাৰী :

ড্ৰাগছ সেৱন কৰাৰ অপৰাধত বাৰ্চিলোনা অলিম্পিকৰ পৰা বিদায় লবলগীয়া হোৱা খেলুৱৈ কেইগৰাকীমান হ'ল আমেৰিকাৰ শট পুটাৰ

বনি দেছেক, হেমাৰ থ্ৰ'ৱাৰ জুড লোগান, চীনৰ ভলীবলৰ সদস্যা উ ডেং, লিথুৱানিয়াৰ মহিলা লংজাম্পাৰ নিজলে মেডৱাদেভা আদি। এওঁলোকে উচ্চমানৰ ফলাফল লাভৰ আশাত শক্তি বৰ্দ্ধক ড্ৰাগছ গ্ৰহণ কৰিছিল। এই ড্ৰাগছ, যাৰ উপস্থিতিয়ে আজি ক্ৰীড়া জগতত এক চিন্তাৰ কাৰণ হৈ পৰিছে। স্মৰ্তব্য যে চৈধ্য পৃষ্ঠাৰ এখনি সৰু পুথি বাৰ্চিলোনা অলিম্পিক ভিলেজত প্ৰতিযোগী সকলৰ হাতে হাতে দেখা গৈছিল। কিতাপখনৰ বিষয়বস্তু হৈছে নিষিদ্ধ ড্ৰাগছ সেৱন কৰিও কেনেদৰে ডোপ পৰীক্ষাৰ হাত সাৰিব পাৰি।

## ভাৰতৰ ব্যৰ্থতা ঃ

'ছাৰ্ক' অন্তৰ্ভুক্ত দেশ সমূহৰ ভিতৰত পাকিস্তানে হকীত ব্ৰঞ্জৰ পদক পোৱাৰ বাহিৰে আন কোনো দেশে পদক পাবলৈ সমৰ্থ নহ'ল। পচাশী কৌটি জনগণৰ দেশ ভাৰতৰ অৱস্থা আৰু শোচনীয়। অলিম্পিকৰ প্ৰস্তুতি স্বৰূপে ভাৰতীয় হকীদলে স্পেইন, হলেণ্ড, বৃটেন, জাৰ্মানিৰ বিৰুদ্ধে যি খেল প্ৰদৰ্শন কৰিছিল, তাৰ পৰা অন্ততঃ ভাৰতবাসীয়ে হকীত কিবা এটা পদক আশা কৰাটো অমূলক নাছিল। কিন্তু ভাৰতীয় হকীদলে পদকৰ পৰিবৰ্তে কঢ়িয়াই আনিলে চৰম ব্যৰ্থতা। ব্যক্তিগত শাখাত আৰ্চাৰ লিম্বাৰাম, এথেলেটিকছত ছাইনী উলছন, বেষ্টলাৰ সুভাষ বাৰ্মা সকলো বিফল হ'ল।

## অসমৰ দীপংকৰ ঃ

বাৰ্চিলোনা অলিম্পিকত পোন প্ৰথম বাৰৰ বাবে অন্তৰ্ভুক্ত কৰা বেডমিণ্টন প্ৰতিযোগিতাত অসমৰ দীপংকৰ ভট্টাচাৰ্যই নিঃসন্দেহে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰিছিল। কোৱাৰ্টাৰ ফাইনেলত যোগ্য খেলেৰে বিশ্বৰ এক নম্বৰ বেডমিণ্টন খেলুৱৈ চীনৰ জিহঙৰ হাতত পৰাজয় বৰণ কৰে।

## উপসংহাৰ ঃ

মস্কোত অনুষ্ঠিত ১৯৮০ চনৰ অলিম্পিকৰ পিচৰ পৰাই ভাৰতবৰ্ষৰ খেলুৱৈসকল প্ৰতিখন অলিম্পিক সমাবেশৰ পৰাই উভতিছে ৰিক্ত-হস্তে। দেশৰ ক্ৰীড়া জগতত এই বিপৰ্যয় দেখি ক্ৰীড়া মন্ত্ৰীয়ে আন্তৰ্জাতিক ক্ৰীড়ামঞ্চৰ পৰা চাৰি বছৰলৈ আঁতৰি থকাৰ প্ৰস্তাৱ সংসদত উত্থাপন কৰিছে। ৰাষ্ট্ৰখনৰ বিভিন্ন প্ৰান্তৰ পৰা বাৰ্চিলোনাৰ প্ৰদৰ্শন সম্পৰ্কত ক্ষোভৰ উক্তি বিচ্ছুৰিত হৈছে। হয়তো চাৰি বছৰীয়া নিষেধাজ্ঞা মূৰপাতি লৈ নীৰৱ কৃচ্ছ্ৰ সাধনাত ব্ৰতী হোৱাটোৱেই হ'ব ভাৰতীয় খেলুৱৈৰ বাবে শ্ৰেষ্ঠ মাৰ্গ।

□□

# অসমীয়া লোক সাহিত্যত আইনাম ঃ এটি দৃষ্টিপাত

**ক্ষীৰদা মালী**
প্ৰবক্তা, শিক্ষা বিভাগ

সাহিত্য সমাজৰ দাপোণ স্বৰূপ। কোনো এখন সমাজ বা এটা জাতিৰ চিন্তাধাৰা, চাৰিত্ৰিক গুণ, আচাৰ-ব্যৱহাৰ, আশা-আকাংক্ষা, সেই সমাজৰ সাহিত্যত অভিব্যক্ত হয়। জাতীয় সাহিত্য জাতীয় জীৱনৰ দিনলিপি। জাতীয় জীৱনৰ সামূহিক অভিজ্ঞতা বা লোকবিশ্বাসৰ অভিব্যক্তি বুলিয়েই লোক সাহিত্যত জাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। সাহিত্যই লিখিত ৰূপ পোৱাৰ আগতে সহজ-সৰল গ্ৰাম্য জীৱন ধাৰা প্ৰতিফলিত জনসাধাৰণৰ মুখে মুখে বিভিন্ন অনুষ্ঠান, পূজা-পাৰ্বন আদিৰ মাজেৰে স্বচ্ছন্দভাৱে প্ৰকাশ পায়। বিয়ানাম, আইনাম, অপেচৰা নাম, ধাইনাম আদি তাৰ সুন্দৰ উদাহৰণ। এই অনুষ্ঠান, পূজা-পাৰ্বনৰ ভিতৰত 'আইনাম' বা 'শীতলা' নামৰ প্ৰভাৱ ভক্তিপ্ৰাণ সহজ-সৰল গাঁৱলীয়ালোকৰ ওপৰত অপৰিসীম। আইনাম ধৰ্মবিশ্বাস আৰু লোকবিশ্বাসৰ মণিকাঞ্চন সংযোগত সৃষ্টি হৈছে। বসন্ত মহামাৰীৰ মাৰাত্মক ৰূপৰ অন্তৰালত কোনো দৈৱিক শক্তি নিহিত আছে বুলিয়েই মানুহৰ ধাৰণা। সেই শক্তিৰ ওচৰত কৰা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল 'আইনাম'। অসমীয়া লোকৰ এটি বিশ্বাস যে বসন্ত ওলালে শীতলা পূজা কৰিলে এই ৰোগ নিৰাময় হয়। আই মহামায়া বা দুৰ্গাৰ এটি ৰূপ বুলি ধৰা হয়। ঠাই আৰু জনগোষ্ঠী অনুসাৰে আইৰ নামত অনুষ্ঠিত অনুষ্ঠানৰ পাৰ্থক্য দেখা যায়। সাধাৰণতে ফুল, আখৈ, পিঠা, পায়স, কল, কুঁহিয়াৰ, অয়-অলংকাৰ, বস্ত্ৰ আদিৰে সাতখন বা ন-খন শৰাই পাতে। আৰম্ভণিৰে পৰা শেষলৈকে প্ৰতিটো কাৰ্য্যক্ৰমৰে সুকীয়া নাম আছে।

ধৰ্মসাপেক্ষে অসমীয়া জন-সাহিত্যৰ ভিতৰত 'আইনাম' প্ৰধান। কামনাসিক্ত হ'লেও কিছুমান গীতত সৰলচিতীয়া অসমীয়া তিৰোতাৰ আই ভগৱতীৰ প্ৰতি অচলা ভক্তি আৰু গভীৰ বিশ্বাস ইয়াৰ মাজেৰে যিমান সুন্দৰ আৰু জকমকীয়াভাৱে ফুটি ওলাইছে—আন কোনো কথাৰ মাজেদি তেনেভাৱে ওলোৱা নাই। ধৰ্মপ্ৰাণা অসমীয়া নাৰীৰ অন্তৰৰ ভক্তি সৰোবৰৰ পৰা এই নামবোৰ নিজৰি নিজৰি ওলাইছে আৰু ফেটোফোটোকাৰে বাঢ়ি আহি ভগৱতীৰ সমুদ্ৰত যেন বিলীন হৈ গৈছে। যদিও আইনামবোৰৰ অধিষ্ঠাত্ৰী দেৱী অম্বিকা, চণ্ডিকা, ভৱানী, কালিকা, দুৰ্গা, শীতলা আদি একাধিক পোৱা যায়, তথাপি এই সকলোবোৰ নামেই একেটা অৰ্থসূচক। এই আটাইকেইগৰাকী দেৱীক মহামায়া বা পাৰ্বতীৰ অন্যৰূপ বুলি বিশ্বাস কৰা হয়।

গাঁৱৰ বেমাৰ-আজাৰ, বিশেষকৈ বসন্ত ৰোগে ভুমুকি মাৰিলে মানুহৰ সীমাবদ্ধ জ্ঞান-বুদ্ধি আৰু শক্তিৰে ইয়াৰ প্ৰতিৰোধ কৰিব নোৱাৰে বুলি অসমীয়া তিৰোতাৰ বিশ্বাস। সেয়ে ইয়াৰ প্ৰতিকাৰ হিচাপে আইনামৰ ব্যৱস্থা কৰে। আগলতি কলপাতত আঢ়ৈ চাউল আৰু ন-বিধ ফুল দি এখন আসন সজোৱা হয়। তাৰ আগত ধূপ-ধূনা, নৈবেদ্য আদি দি তিৰোতাসকলে সৰল আৰু ভক্তিভাবে ৰাইজৰ কল্যাণৰ কাৰণে আই ভগৱতীক স্তুতি মিনতি কৰি গায়—

"প্ৰথমে প্ৰণাম কৰো আই ভগৱতী।
ভগৱতীক প্ৰণাম কৰো দিয়া অনুমতি ॥
আইকে প্ৰণাম কৰো দুই চৰণে ধৰো।
আইৰ চৰণত ভক্তি কৰি সুখ সাগৰক তৰো॥"

জনবিশ্বাস মতে প্ৰাচীন কালত দৈত্য-দানৱৰ ভক্তিপূৰ্ণ আহ্বানত দেৱতা নামি আহিছিল আৰু তেওঁলোকৰ অভীষ্ট সিদ্ধি কৰিছিল। এনেস্থলত সৰলমনা তিৰোতাসকলে ভক্তিৰসত মতলীয়া হৈ আই ভগৱতী নামি আহি আসন লোৱাৰ মানসেৰে গায়—

"কৈলাসৰে পৰা আই নামি আহে
হৰবে মন্দিৰ চাই।
শুকুলা বস্ত্ৰে আসন পাৰিছো
আগবাঢ়ি বহা আই।"

আই নামত কোৱা হৈছে যে, আই ভগৱতীয়ে নৱ-মনিচৰ পূজা খাবলৈ আহে। কিন্তু ভক্তিমতী-সকলে পূজাৰ উপযুক্ত বস্তু বিচাৰি নাপায়। তেওঁলোকৰ এনে কোনো উপাচাৰ দ্ৰব্য নাই যাৰ দ্বাৰা আই ভগৱতীৰ পূজা-সেৱা কৰিব পাৰে। যি কেইবিধ সামান্য বস্তু আছে সিও এফালৰ পৰা নহয় এফালৰ পৰা অপবিত্ৰ, তাক আইৰ পূজাত লগাব নোৱাৰি। চাউল, দালি, লোণ, কল আদি সকলোবোৰ চুৱা বস্তু। সেয়েহে নিজৰ দীনতা আৰু অক্ষমতা স্বীকাৰ কৰি অতি বিনীত ভাবে আইৰ স্তুতি গীত আৰম্ভ কৰে—

"আই আহিলা আসনে বহিলা
সবাৰো মনত ৰং
ভগৱতীৰ চৰণ কি দিয়া পূজিম
মোৰে নাই বস্তু ধন।
ফলদিয়া পূজিম আই
পচি সৰি যায়
ফুল দিয়া পূজিম আই
ভোমোৰাই আগে খায়।

পাৰ্থিব সকলো বস্তুৱেই চুৱা। আনকি মন আৰু চিতৰো সেই একে অৱস্থা—

"মন দিয়া পূজিম আই মন নাই ঠিক।
চিত দিয়া পূজিম আই পাপে জৰ্জৰিত ॥

এইদৰে বিভিন্ন স্তুতি-প্ৰাৰ্থনা যাৱতীয় কাৰ্য-ক্ৰমৰ অন্তত আসন তোলাৰ সময়ত গোৱা হয়—

"আসন দাঙি দিয়া উঠক মহামায়া
চলে লাহে লাহে কৰি
পথৰ পথিক পথ এৰি দিয়া
আই যায় আশীৰ্বাদ কৰি।"

সচৰাচৰ এইখিনিতে আইৰ গতানুগতিক স্তুতি নাম শেষ হয়। আই নামবোৰৰ মাজেদি দুই এটা অসমীয়া জাতীয় আৰু ঘৰুৱা চিত্ৰৰো

আভাস পোৱা যায়। কপাহী কাপোৰ আৰু পীবাৰ লগত অসমীয়া নাৰী জীৱনৰ বৰ সম্বন্ধ। সেয়েহে আই নামৰ মাজেদি ফুটি ওলাইছে "আইৰ পাৰ মচা কপাহী গামোচা, আইৰ জালিকটা পীৰা।" ওচৰত থকা নদীৰ লগত অসমীয়া নাৰীৰ সম্বন্ধ নিবিড়। তেওঁলোকে নদীৰ পৰা কলহেৰে পানী আনে আৰু তাত লাহ-বিলাহকৈ গা-ধোৱে। অসমীয়া তিৰোতাৰ এইটো এটা অপৰিহাৰ্য নিত্যকৰ্ম। গতিকে অসমীয়া নাৰীৰ কল্পনাত আজি "পিছলাৰ ঘাটতে আয়ে পানী তোলে, তামৰে কলসী লৈ," "পিছলাৰ ঘাটে আয়ে স্নান কৰে, লাহৰে কেশ তাৰি মেলি!" যদিও 'কৈলাসৰে পৰা আই নামি আহে" তথাপি অসমীয়া ঘৰৰ নাৰীৰ কল্পনাত আই ভগৱতীৰ বাসগৃহই অসমীয়া ঘৰৰ ৰূপৰ আভাস নলৈ থকা নাই—"দেৱী আইৰ ঘৰখনি এ সুবৰ্ণৰে।" ন-বোৱাৰী স্বামী গৃহ এৰি আহিলে ঘৰখন শুদা হৈ যায়। এনেস্থলত যদি তেওঁ আকৌ ঘূৰি আহোঁতে পলম কৰে, তেনেহলে মানুহ পঠাই তেওঁক তাগিদা দিয়ে। এইটো অসমীয়া সমাজৰ এটি ঘৰুৱা চিত্ৰ। আইৰ নামতো এই চিত্ৰই সুন্দৰভাৱে ৰূপ লৈছে—

"আই আহিবৰে হ'ল বহুদিনে
মহাদেউ পঠাইছে সাৰা
যোৱা নে নোযোৱা আই মহামায়া
কৈলাসে হৈ আছে শুদা।"

শীতলা পূজাৰ প্ৰসঙ্গত অসমৰ একাংশ জন-জাতিৰ মাজত প্ৰচলিত বসন্ত ৰোগৰ পূজাৰ বিষয়েও দুআষাৰ ক'ব পাৰি। জয়ন্তীয়া সকলে বসন্তক এগৰাকী দেৱী ৰূপে মানে আৰু বসন্তৰ দাগ লভাটো ডাঙৰ সন্মানৰ কথা বুলি ভাবে। সাঁচ যিমানেই দ হয়, সন্মানো সিমানেই ডাঙৰ বুলি বিবেচিত হয়। আইৰ গুটি সাঁচক তেওঁ-লোকে "দেৱীৰ চুমা" বোলে। বসন্ত ৰোগীয়ে ব্যৱহাৰ কৰা পানীৰে তিৰোতাসকলে মূৰ ধোৱে আৰু বসন্ত ৰোগীৰ ঠাইলৈ ল'ৰা-ছোৱালী লৈ আহে। ৰোগীৰ ঘৰ পবিত্ৰ বুলি জ্ঞান কৰা হয় আৰু দুৱাৰত থোৱা চৰিয়াৰ নিকা পানীৰে ভৰি-হাত ধুইহে মানুহে ভিতৰলৈ সোমোৱাৰ নিয়ম। খাছিয়াসকলৰ বসন্তৰ দেৱতা পুৰুষ, 'উ ছিয়েম নিআং থিল্লিউ'। আঙ্গামি নগা সকলে বসন্তৰ মহামাৰী আঁতৰাবলৈ নৰবলি দিছিল।

আইনামত সামাজিক বুৰঞ্জী আৰু লোক-বিশ্বাসৰ এটা অংশ ফট্‌ফটীয়া হৈ উঠাৰ উপৰিও কাব্যিক সৌন্দৰ্য আৰু সাহিত্যিক মূল্যৰ ফালৰ পৰাও ই বহু পৰিমাণে চহকী। আই-নামত নাৰীমনৰ কাৰুণ্যকাতৰ অভিব্যক্তি ফুটি উঠিছে। আইনামৰ চিত্ৰ, শব্দচয়ন, প্ৰকাশ ভঙ্গী অতি কোমল আৰু আলসুৱা। নাৰী কণ্ঠৰ মনোমোহা ভাষা আৰু ল'নি সুৰে যেন দৈৱিক শক্তিৰেও অন্তৰ স্পৰ্শ কৰি যায়।

সেয়ে অসমীয়া লোক-সাহিত্য আৰু সংস্কৃতিৰ সৃষ্টি হোৱা আইনামৰ এক উল্লেখযোগ্য স্থান ভঁৰালত ধৰ্ম আৰু লোক-বিশ্বাসৰ সমন্বয়ত আছে। ×× 

---

সহায়িকা পুথি :

১। অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা :
ড° লীলা গগৈ।

২ সাহিত্য আৰু সংস্কৃতি :
ড° হৰিনাথ শৰ্মাদলৈ।

---

জীৱনৰ প্ৰতিটো মুহূৰ্ত্তৰে একোটা মহৎ উদ্দেশ্য আছে। সেই চৰম উদ্দেশ্য সাধনাৰ কাৰণে কৰা কঠোৰ প্ৰচেষ্টাতেই জীৱনৰ অৰ্থ লুকাই আছে।

—মেক্সিম গৰ্কী

---

# বাদুলি

ললিত চন্দ্ৰ ৰাভা
স্নাতক তৃতীয় বাৰ্ষিক

কিংকৰ্তব্য বিমূঢ় হৈ মিঃ বৰুৱাৰ ঘৰৰ পৰা ওলায়ে পলাশে দেখিবলৈ পালে সেই মৰ্মান্তিক দৃশ্যটো। ৰাস্তাৰ কাষৰ টিউব লাইটৰ পোহৰত সি দেখিলে, বিজুলীতাঁৰত লাগি বাদুলি এটা ধপ্‌ধপাই আছে। তাৰ ক্ষীণ শক্তিৰে চেষ্টা কৰি আছে শক্তিশালী বিদ্যুৎ প্ৰৱাহিত তাঁৰৰ পৰা নিজক মুক্ত কৰিবলৈ। সৰ্বশক্তি প্ৰয়োগ কৰিও সি হাৰ মানি গ'ল। কিছু সময় ধপ্‌ধপাই থাকি বিজুলী তাঁৰৰ মাজেৰে প্ৰৱাহিত শক্তিশালী বিদ্যুতত তাৰ অকণমানি প্ৰাণটো সপি দিলে। ক্ষন্তেক পাছতে নিঃসাৰ দেহটো তাঁৰত ওলমি পৰিল। পলাশে অনুভৱ কৰিলে বাদুলিটোৰ সমগ্ৰ যাতনাই যেন তাৰ হৃদয় স্পৰ্শ কৰিছে। লগে লগে তাৰ হৃদয় যন্ত্ৰৰ কম্পন বৃদ্ধি হ'বলৈ ধৰিলে।

তাঁৰত ওলমি থকা বাদুলিটো চাই চায়েই সি আগবাঢ়িল। দূৰৰ পৰা ভাঁহি অহা কোনোবা উদ্‌ভ্ৰান্ত ডেকাৰ সঙ্গতিবিহীন হাঁহিত তাৰ সম্বিত ঘূৰি আহিল। হাতেৰে বুকুখন হেঁচা মাৰি ধৰি আগবাঢ়ি থাকিল। হঠাতে জোঙা শিল এটাত উজুটি খাই সি লুটি খাই বাগৰি পৰিল। ভৰিৰ বুঢ়া আঙুলিৰ পৰা তেজ ওলাবলৈ ধৰিলে। লংপেন্টৰ জেপৰ পৰা ৰুমালখন উলিয়াই তেজখিনি মচিবলৈ উদ্যত হৈয়ো সি থমকি ৰ'ল। সুন্দৰ এমব্ৰইডাৰী কৰা ৰুমালখনলৈ স্থিৰ দৃষ্টিৰে কিছু সময় চাই ৰ'ল। অকস্মাৎ অনাই-বনাই ফুৰা কুকুৰ এটা তাৰ ওচৰত উপস্থিত হ'ল আৰু ভুকিবলৈ ধৰিলে। অস্থি-চৰ্ম সৰ্বস্ব কুকুৰটোৰ অতপালি দেখি তাৰ এই অৱস্থাতো বাগৰি বাগৰি হাঁহিবলৈ মন গ'ল। গছৰ সৰাপাত এখিলাৰে তেজখিনি মচি ল'লে আৰু ৰুমালখন পুনৰ জেপত ভৰাই এইবাৰ সি ওলোটা ফালে ঘূৰি যাত্ৰা কৰিলে। বৰুৱাৰ ঘৰলৈ অৱশ্যে এইবাৰ তাৰ এই যাত্ৰা নহয়। এটা সময়ত বৰুৱাৰ ঘৰ এৰি অইন সৰু ৰাস্তা এটিৰে সি আগবাঢ়িল। এই খণ্ড ৰাস্তা অৱশ্যে এন্ধাৰে আৱৰা। বহুতে কয় ৰাস্তাটোৰ এই অংশৰে বৰুৱা অহা-যোৱা নকৰে, গতিকে তাত বাস কৰা মানুহখিনিৰ বাবে বিজুলীৰ অৱস্থাও হৈ উঠা নাই। বাৰিষা ৰাস্তাটোৰ বোকা আঁঠু পায়। মানুহবোৰ অৱশ্যে এইবোৰৰ স'তে অভ্যস্ত। এইবোৰ লৈ সিহঁতৰ মূৰ ঘমোৱাৰ সময়ো

অভাৱ। দৰিদ্ৰতাৰ লগত যুদ্ধ কৰি কৰি বুঢ়া-মানুহখিনি আৰু বুঢ়া হৈ যায়। আন হাতে তথাকথিত আধুনিকতাৰ সৰ্বগ্ৰাসী যুৱচাম দিক্-ভ্ৰষ্ট, কৰ্মবিমুখ। মাক-বাপেকৰ কষ্টোপাৰ্জিত ধন খৰচ কৰি ডেকা চামে চাৰিআলিৰ চ'কত আড্ডা মাৰে, ছোৱালী জোকাই, হিন্দী চিনেমাৰ গীত গাই, বিকৃত হাঁহি মাৰে। কোনোবা শিক্ষকৰ উপনাম আৱিষ্কাৰ কৰে, ছোৱালীৰ কথা ভাবে। এইবোৰৰ বাহিৰে উচ্চ চিন্তা কৰাৰ ক্ষমতা সিহঁতৰ লোপ পাইছে।

পলাশৰ আজি কালি মাক-দেউতাকৰ অৱ-দানৰ কথা ভাবিলে দুখত মন ভাঙি পৰে, পঢ়াৰ নামত তাৰ, কমতো কষ্ট স্বীকাৰ কৰা নাই মাক-দেউতাকে! কষ্ট কৰি কৰিয়ে দেউতাক বেমাৰী হ'ল। ফলা-ফল কিন্তু শূন্য। কেৱল অভাৱৰ এখন পাহাৰ আৰু নিৰাশাৰ এক নিচ্ছিদ্ৰ ক'লা মেঘৰ চামনি। এতিয়া তেওঁলোকে আশাভঙ্গৰ হতাশাত এক বোবা যন্ত্ৰণা বুকুত বান্ধি লৈ নিজৰ অসুখীয়া আৰু অভাৱগ্ৰস্ত শৰীৰ টানি লৈ ফুৰিছে।

মাক-দেউতাকৰ দৰে সিও আশা কৰিছিল এদিন তাৰ চাকৰি হ'ব। অভাৱগ্ৰস্ত ঘৰখনত হাঁহি বিৰিঙিব। মাক-দেউতাক আৰু ভনীয়েকে অধিক কষ্ট নকৰিলেও চলিব আৰু ফটা কাপোৰ পিন্ধিব নালাগিব। এইখিনি হ'লেই তাৰ সহজ সৰল জীৱনৰ বহুখিনি সমস্যা আঁতৰি যাব। কিন্তু তাৰ চাকৰি নহ'ল। এটা এটাকৈ বহুকেইটা 'ইন্টাৰভিউ' দি সি ভাগৰি পৰিল। গণতন্ত্ৰৰ মুখাপিন্ধি নিজকে সমাজ সেৱক বুলি কৈ ফুৰা ৰাষ্ট্ৰৰ বৰমূৰীয়াসকলৰ স্বাৰ্থপৰ মনো-ভাৱৰ বাবে তাৰ চাকৰি নহ'ল আৰু হয়তো কোনোদিনে তাৰ চাকৰি নহ'বও। কিন্তু আজি...

তাৰ হাত-ভৰি কঁপি উঠিল; বুকুখনো। থিয় হৈ সি মৃত মানুহৰ দৰে নিঠৰ হৈ ৰ'ল বহু সময়। তাৰ পাছত সি ভাবি ভাবি বুঢ়া গৰুৱে বিৰাট বোজাৰ গাড়ীখন টানি নিয়াৰ দৰে তাৰ কম্পিত বুকুখন টানি নিবলৈ ধৰিলে তাৰ ভাগৰুৱা শৰীৰটোৰ খীণ শক্তিৰে।

কিছুদূৰ যোৱাৰ পাছত সি ৰ'ল। তাৰ চিন্তাৰ আঁতটোও ছিঙি গ'ল। বহুত পুৰণি কাঠৰ গেট-খন খুলি সি ভিতৰলৈ সোমাই গ'ল। অচিন ফুলৰ তীব্ৰ সুবাসে তাক আলোড়িত কৰিলে।

"তুমি ও যে মা!" গোলাপীয়ে কোৱা কথাখিনি সি শুনিবলৈ পালে। "পলাশ দাই চাকৰি পাবই। দেখিছাই দেখোন, আজি বৰুৱা চাহাবে তেওঁক মাতি লৈ গৈছে। এনেয়ে নিয়া বুলি নাভাবিবা।"

ফুলৰ সুবাসে ৰঞ্জিত কৰা তাৰ মনটোত অসহনীয় আঘাত লাগিল। সজোৰেৰে কোনো-বাই চাবুকেৰে আঘাত কৰিলে। বায়ু এৰি দিয়া বেলুনৰ দৰে তাৰ মনটো হঠাতে কোঁচ খাই গ'ল।

—"অ' পলাশদা, আহা আহা, বহাহি। নাই নালাগে, কমৰ ভিতৰলৈকে আহা, আহানা।" মাকৰ ওচৰত বহিব খোজা পলাশক এক প্ৰকাৰ টানি নিয়া দি গোলাপীয়ে কমৰ ভিতৰলৈ লৈ গ'ল।

—"আমি যে তোমাৰ অপেক্ষাতে আছিলোঁ পলাশদা। দেউতাহঁত শুলেই। দিনটোৰ কামৰ অন্তত ভাগৰি পৰে নহয়।" এইবাৰ একেবাৰে কাণৰ ওচৰলৈ মুখখন নি সুধিলে : "অই, বৰুৱা চাৰেনো তোমাক কিয় মাতিছিল ?" কথাখিনি শুনাৰ লগে লগে মুহূৰ্ততে তাৰ মনত পৰি গ'ল অলপ আগতে বৰুৱাৰ ঘৰৰ সেই সৰু কমটোত ঘটি যোৱা ঘটনাটো। সি চকী এখনত অতি সংকোচ মনে বহি আছে। সন্মুখত আন এখন চকীত উপবিষ্ট হৈ আছে বিৰাট সম্পত্তি আৰু ক্ষমতাৰ প্ৰতিভূ মিঃ বৰুৱা। আভিজাত্যপূৰ্ণ ঢঙেৰে তাক সুধিছে -"তোমাৰ দেউতাৰা কালি মোৰ ওচৰলৈ আহিছিল।" সি আচৰিত হৈ প্ৰশ্ন কৰিলে—" দেউতা আহিছিল ?"

—"আহিছিল। কি হ'ল, আচৰিত হ'লা যে ?" "নহয়, মানে ... ..." দেউতাক যে কেতিয়াবা বৰুৱাৰ ঘৰলৈ আহিব পাৰে, এই কথা যেন সি বিশ্বাসেই কৰিব নোৱাৰিলে।

—"মই বুজিছোঁ, তোমাৰ দেউতাৰা আগেয়ে কোনোদিন মোৰ ওচৰলৈ অহা নাছিল। কিন্তু কালি আহিছিল কেৱল তোমাৰ কাৰণে।"

—"মোৰ কাৰণে ?"

—"কিয় ? তুমি জানো হাইস্কুলৰ শিক্ষকৰ পদৰ বাবে আবেদন কৰা নাছিলা ?"

সি—"হয়" বুলি মূৰ দুপিয়ালে।

"মই ইয়াৰ আগতে এই বিষয়ে একো ভবা নাছিলোঁ। কাৰণ তোমাৰ লগতে আন ভালে-কেইজন প্ৰাৰ্থী আছিল। কিন্তু দেউতাৰাই কথাটো কোৱাৰ পিচত মই ভাবি চালোঁ। আমাৰ স্কুল-খনৰ বাবে তোমাৰ দৰে চোকা ল'ৰা এজনৰ বৰ প্ৰয়োজন। তুমি চাকৰিটো পোৱা বুলি ধৰি ল'ব পাৰা, কাৰণ আন প্ৰাৰ্থীৰ তুলনাত তোমাৰ যোগ্যতা অধিক।"

তাৰ যে ভাগ্য ইমান সুপ্ৰসন্ন ভাবিবই পৰা নাছিল। আচৰিত হৈ গৈছিল সি। আৰু এটা কথাত পলাশ বিশেষকৈ আচৰিত হৈছিল যে কথাখিনি কোৱাৰ সময়ত বৰুৱাৰ মুখত এটি আবেগৰ অভিব্যক্তি সি যেতিয়া প্ৰত্যক্ষ কৰিছিল। সাধাৰণতে বৰুৱা কোনো কথাতে আবেগিক হৈ নপৰে। —'তুমি চাকৰিটো পাবা খাটাং; কিন্তু বিনিময়ত তুমি মোক সামান্য উপকাৰ কৰি দিব লাগিব।"

—"কি উপকাৰ কৰিব লাগিব বাৰু আপোনাৰ ? আপোনাৰ দৰে ব্যক্তি এজনৰ উপকাৰ কৰিব পাৰিলে মই নিজকে ধন্য মানিম।" কথা-খিনি শুনি বৰুৱাৰ মুখত এটি হাঁহিৰ ৰেখা বিৰিঙি উঠিল। বাওঁ ভৰিখন সোঁ ভৰিৰ ওপৰত তুলি বৰুৱাই কলে —"তুমি সন্ধ্যাক বিয়া কৰাব লাগিব।" অকস্মাৎ পলাশৰ মুখৰ পৰা বাহিৰ হৈ আহিল কেইটামান শব্দ—"বিয়া ? সন্ধ্যা ? আপোনাৰ ছোৱালী সন্ধ্যাক .........?"

"ঠিকেই শুনিছা।" কিছু সময় আগতে আবেগত মুখৰ হৈ পৰা বৰুৱা এইবাৰ যেন কঠোৰ হৈ পৰিল। "শুনা, চাকৰিটো পাবলৈ হ'লে তুমি সন্ধ্যাক বিয়া কৰাব লাগিব। তোমাৰ দেউতাৰায়ো তাকে বিচাৰে। কাৰণ তুমি চাকৰি এটা নাপালে তোমালোকৰ ঘৰখনৰ ভৱিষ্যত

অন্ধকাৰ । তুমি অতি সোনকালে ইয়াৰ সদুত্তৰ এটি দি দিবা ।” বৰুৱাই তাক একো ক’বলৈ সুযোগ নিদি ভিতৰলৈ সোমাই গ’ল । পলাশ প্ৰথমতে হতভম্ভ হৈ তাতে কিছু সময় বহি ৰ’ল । তাৰ চকুৰ আগত ভাহি উঠিল সন্ধ্যাৰ ছবি । কেইদিনমান আগতে ঠিকাদাৰ এজনৰ লগত বিয়া হোৱাৰ কথা আছিল । বিয়া ঠিক হৈ যোৱাৰ পিছত ল’ৰা জনৰ লগত মুকলি-মূৰীয়াকৈয়েই ফুৰিছিল, বেডমিণ্টন খেলিছিল, নির্জন কোঠাত বহি কেৰম খেলিছিল । নতুন উচ্ছ্বাসেৰে জীৱনৰ সকলো আনন্দ, হাঁহি স্ফূর্তিক আঁকোৱালি লৈছিল । কিন্তু বিয়ালৈ মাত্ৰ কেই-টামান দিন বাকী থাকোঁতেই এদিন আকস্মিক ভাৱে ল’ৰাটো অন্তৰ্দ্ধান হ’ল । সন্ধ্যাৰ জীৱনলৈ নামি আহিল এক গভীৰ সংকট । অবৈধ মিলনৰ সাক্ষী স্বৰূপে তাইৰ গৰ্ভত স্থিতি ল’লে এক অবাঞ্ছিত সন্তানে । সমাজত নিজৰ ভাব-মূৰ্ত্তি ম্লান হোৱাৰ আশঙ্কাত বৰুৱাই যি কোনো প্ৰকাৰে জীয়েকক কাৰোবাৰ হাতত গতাবলৈ স্থিৰ কৰিলে । পলাশকেই বৰুৱাই চিকাৰৰ লক্ষ্য হিচাপে সুযোগ গ্ৰহণ কৰিলে চাকৰিৰ প্ৰলোভন দেখুৱাই । পলাশক হাততে পাই এই সুযোগৰ সদব্যৱহাৰ কৰিবলৈ বৰুৱা বিশেষ তৎপৰ হৈ উঠিল । প্ৰবল গড়াখহনীয়াৰ পৰা তাৰ ঘৰখনক উদ্ধাৰ কৰিবলৈ পলাশক চাকৰি এটা লাগে । কিন্তু চাকৰি এটাৰ বিনিময়ত সি জানো সন্ধ্যাৰ দৰে পথভ্ৰষ্টা ছোৱালী এজনীক বিয়া কৰাব পাৰিব । তাইৰ কুকীৰ্ত্তিৰ কাহিনী অঞ্চল-টোৰ সকলোৱে জ্ঞাত । তাইৰ জীৱনত এনে বিপৰ্যয় ইয়াৰ আগতেও কেইবাবাৰো ঘটি গৈছে । এনে ক্ষেত্ৰত সেইজনী দুঃচৰিত্ৰা ছোৱালীক জানো বিয়া কৰাব পাৰি ? তাৰ মানসপটত এনেবুৰি প্ৰশ্নই খেলিমেলি ৰূপত ভাস্বত হৈ উঠিল । তাক কিন্তু যি কোনো প্ৰকাৰে চাকৰি এটা লাগেই । ৰুগ্ন মাক-দেউতাকৰ চিকিৎসাৰ বাবে, ভনীয়েকৰ মঙ্গলৰ বাবে তাক চাকৰি এটা লাগিবই ।

—“একো নোকোৱা কিয় ?” গোলাপীৰ মাতত সি সম্বিৎ ঘূৰাই পালে । বেৰত ওলমি থকা গোলাপী আৰু তাৰ সৰু কালৰ স্থিৰ ফটো-খনলৈ কিছুসময় চাই সি উত্তৰ দিলে গহীন সুৰত— “কিয় মাতিছিল জানা, বৰুৱাৰ জীয়েক সন্ধ্যাৰ সৈতে গল্প কৰিবলৈ । গোলাপী চকখাই উঠিল । পলাশে ধেমালি কৰা নাইতো ? তাইৰ কপালৰ শিৰবোৰ থোপ খালে ।

—“সঁচা কথা কোৱা বৰুৱা চাহাবে কি ক’লে ? তেওঁ তোমাক চাকৰিৰ প্ৰসঙ্গত হে মাতিছিল নহয় জানো ?”

পলাশে দীৰ্ঘশ্বাস এৰি ক’লে “চাকৰি মই পাম, চাকৰি মোক দিব গোলাপী, কিন্তু এটা স্বত্বত ।”

—“স্বত্ব ? কি সেই স্বত্ব ?”

“সন্ধ্যাক মই বিয়া কৰাব লাগিব ।”

“—বিয়া ? তুমি সন্ধ্যাক ..... দুয়ো হাতেৰে চকু-মুখ ঢাকি গোলাপী উচুপি উঠিল ।

—“সঁচা কথা গোলাপী । চাকৰি যদি মই কৰিব খোজো—বিনিময়ত গোলাপীক বিয়া কৰাব লাগিব ।”

“এতিয়া তুমি কি কৰিবা ?”

—“সেয়াইতো সমস্যা । এফালে অভাৱ গ্ৰস্তা মা-ভনী আৰু তোমাৰ অকৃত্ৰিম প্ৰেম আৰু

আনফালে চাকৰিৰ প্ৰলোভন। চাকৰি হ'লে তোমাৰ প্ৰেমক উপেক্ষা কৰি বিকৃত ৰুচি সম্পন্না সন্ধ্যাক বিয়া কৰাৰ লাগিব আৰু তোমাৰ প্ৰেমক প্ৰাধান্য দিলেও চাকৰি অবিহনে আমাৰ ভৱিষ্যত, ঘৰখৰ ভৱিষ্যত অন্ধকাৰ।

—"পলাশদা ?"

—"তোমাৰ প্ৰেমেৰে, তোমাৰ চিন্তাৰে মোৰ ভৱিষ্যত, মোৰ ঘৰখনৰ ভৱিষ্যত নচলে। চলিব টকাৰ ঝন্‌ঝন্‌নিৰে আৰু মই নিজক বিক্ৰি কৰি লোৱা চাকৰিটোৰে। আচলতে দৰিদ্ৰতাৰ মাজতে থাকি আমি প্ৰত্যেকে প্ৰত্যেকক ভাল পোৱাটোৱেই আছিল ভুল।

—"তাৰ মানে তুমি সন্ধ্যাক বিয়া কৰাবা সামান্য চাকৰি এটাৰ বিনিময়ত? এদিন তুমিয়েইতো কৈছিলা, বিপদত পৰিলেও নিজৰ ব্যক্তিত্বক বিক্ৰি কৰিবলৈ নাপায়। কিন্তু তুমি নিজেই এটি সামান্য চাকৰিৰ লোভত ব্যক্তিত্বক বেচিবলৈ ওলাইছা কিয়? আচলতে তুমি ইমানদিন নিজকে প্ৰৱঞ্চনা কৰাৰ উপৰিও আনকো প্ৰৱঞ্চনা কৰি আছিলা। তুমি ঠগ, প্ৰবঞ্চক, প্ৰতাৰক।"উন্মাদিনীৰ দৰে হুকহুকাই কান্দিবলৈ ধৰিলে গোলাপীয়ে। অলৰ-অচৰ হৈ এই সকলো কথা যেন বেৰত ওলমি থকা পলাশ আৰু গোলাপীৰ ছবিখনে চাই আছিল। পলাশ আৰু গোলাপীয়ে ইজনে সিজনক হাতত ধৰাধৰিকৈ থকা অৱস্থাৰ এই ছবিখন তোলা হৈছিল কোনোবা এটি আবেলিৰ ক্ষীণ পোহৰত।

গোলাপীয়ে মন কৰিলে পলাশে তাইৰ কথাত কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। তীব্ৰ এক অপমানত তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। পুনৰ উচ্চস্বৰত তাই চিঞৰি উঠিল;—"পলাশ দা, এইখন খাটিখোৱা মানুহৰ ঘৰ, নিজৰ শক্তি-সামৰ্থ্যৰ ওপৰত নিৰ্ভৰ কৰি চলা মানুহৰ ঘৰ। নিজৰ ব্যক্তিত্বক বিক্ৰি কৰি খোৱা মানুহৰ ঘৰ নহয়। অনুগ্ৰহ কৰি ঘৰৰ পৰা ওলাই যাওক, ওলাই যাওক। এইখন মোৰ ঘৰ, মোৰ--- বুকুফাটি ওলাই অহা কান্দোনত তাই ভাঙি পৰিল। সজোৰে বুকুখন হেঁচা মাৰি ধৰি তাই মজিয়াত বহি পৰিল। পলাশে কিংকৰ্ত্তব্য বিমূঢ় হৈ কি কৰো কি নকৰো ভাবি থাকোঁতেই দুৱাৰ মুখত গোলাপীৰ মাক উপস্থিত হ'ল। গোলাপীৰ মাকে তাক কিবা ক'ব খুজিছিল যদিও ইতিমধ্যে মজিয়াত পৰি চটফটাবলৈ ধৰা গোলাপীক দেখি সজোৰে সাৱট মাৰি ধৰিলে। 'গোলাপী, গোলাপী কি হৈছে তোমাৰ, কি হৈছে?"

- "নাই মোৰ একো হোৱা নাই মা। পলাশ দাক আমাৰ ঘৰৰ পৰা বাহিৰ হৈ যাবলৈ দিয়া।"

মাকৰ কোলাত চট্‌ফটকৈ থাকি বিৰ্‌বিৰ্‌কৈ প্ৰলাপ বকি থকা গোলাপীক তাৰ বিজুলী তাঁৰত ওলমি থকা বাদুলীটোৰ দৰেই লাগিল। সি অনুভৱ কৰিলে তাৰ দেহৰ ভিতৰখন মেগ্‌মা গহ্বৰত প্ৰচণ্ড উত্তাপত মেগ্‌মাবোৰ উতলি থকাৰ দৰে এক তীব্ৰ যন্ত্ৰণাত উতলিবলৈ ধৰিলে। সি হাতেৰে শক্তি প্ৰয়োগ কৰি বুকুখন হেঁচামাৰি ধৰি বাহিৰলৈ ওলাই আহিল। বাহিৰত তেতিয়া ঘোৰ অন্ধকাৰ। মাত্ৰ মিঃ বৰুৱাৰ চৌহদটোহে তেতিয়াও অন্নসন্ধানী বাদুলীটোৰ তেজখোৱা বিদ্যুতৰ পোহৰেৰে পোহৰ হৈ আছিল। ★

# বালিঘৰ

তুলিকা বড়ো
উঃ মাঃ প্ৰথম বাৰ্ষিক

প্ৰত্যুষতে সংঘটিত হৈছিল সেই ভয়াবহ দুৰ্ঘটনাটো। চাৰি আলিৰ চকটোতে আঘোণী নামৰ পাগলীজনীক গাড়ীয়ে চেপিলে। তাইৰ মৃত্যু হ'ল। এজনী পাগলীৰ জীৱনৰ অৱসান ঘটিল। তাইৰ মৃত্যুত দুখ কৰিবলৈ, চকুপানী টুকিবলৈ তাইৰ আজি ইহসংসাৰত কোনো নাই। তাই অকলশৰীয়া। সেয়ে তাইৰ মৃত্যু আছিল এক সাধাৰণ ঘটনা। তাইৰ দৰে কিমানজনী আঘোণীৰ প্ৰতিদিনে মৃত্যু হয় তাৰ জানো হিচাপ আছে? পাগলী হ'লেও আঘোণীও এজনী তেজ-মঙহেৰে গঢ়া মানৱীয়ে আছিল। কিন্তু তাই এদিন পাগলী হৈছিল ‥‥।

গাঁওখনৰ ভিতৰত আটাইতকৈ ভাল ছোৱালী বুলি পৰিচিত আঘোণীৰ এদিন বিয়া হৈ গৈছিল ওচৰৰ গাঁৱৰে চফল ডেকা মহেশৰ লগত। মহেশো গাঁওখনৰ এজন সৎ, উদ্যোগী আৰু সাহসী ডেকা। বিয়াৰ এবছৰ পিছত সিহঁতৰ দাম্পত্য জীৱনৰ স্বাক্ষৰ স্বৰূপে পোনাকণৰ আগমন হৈছিল। পোনাকণৰ জন্মৰ কিছুদিনৰ পিছতে এক আকস্মিক দুৰ্ঘটনাত মহেশৰ মৃত্যু হ'ল। মহেশৰ অকাল বিয়োগত আঘোণীৰ জীৱনলৈ নামি আহিল গভীৰ অমানিশাৰ অন্ধকাৰ। দিন দুপৰতে তাইৰ বাবে নামি আহিল কাল সন্ধিয়াৰ ঘোপমৰা অন্ধকাৰ। চকুৰ পানীয়ে তাইৰ অনাগত ভৱিষ্যতৰ গতি পথ আগচি ধৰিলে। মহেশৰ মৃত্যুৰ বাবে একমাত্ৰ আঘোণীয়েই দায়ী বুলি আৰু তাই থাকিলে গাঁৱৰ আৰু অমঙ্গল ঘটিব বুলি গাঁৱৰ ৰাইজে এদিন তাইক গাঁৱৰ পৰা খেদি দিলে। তাই দিশহাৰা হ'ল। চাকনৈয়াৰ কুটিল চক্ৰত পৰি তাইৰ সন্মুখৰ পৃথিৱীখনো চক্ৰাকাৰে ঘূৰিবলৈ ধৰা যেন অনুমান হ'ল। অকণমানি কেচুৱাটি পিঠিত বান্ধি লৈ জীয়াই থকাৰ আশাত তাই ওলাই আহিল ৰাজপথলৈ আশ্ৰয়ৰ অন্বেষণত। শুকান বালিময় মৰুভূমিত এটুপি পানী পোৱাৰ দৰে ৰজনী মাষ্টাৰৰ ওচৰত আশ্ৰয়ৰ বাবে তাই এটুকুৰা ঠাই পালে আৰু তাৰে পৰাই আৰম্ভ হ'ল তাইৰ যুঁজৰ নতুন সংগ্ৰাম। ইঘৰ-সিঘৰত কাম কৰি পোৱা উপাৰ্জনেৰে দুবেলা দুমঠি খাই তাই জীৱনৰ বাট বুলিবলৈ আৰম্ভ কৰিলে। লাহে লাহে পোনাকণো ডাঙৰ হৈ আহিল। এদিন সি প্ৰাইমাৰী স্কুল পাৰ হৈ হাইস্কুলত ভৰি দিলে। আঘোণীৰ চকুত হেজাৰ স্বপ্ন—পোনাকণ পঢ়ি-শুনি ডাঙৰ মানুহ হ'ব। চৰকাৰী চাকৰি কৰিব আৰু তাইৰ দুখৰ ৰজনীৰ অৱসান ঘটিব। সঁচাকৈয়ে সি এদিন সুখ্যাতিৰে প্ৰথম বিভাগত হাইস্কুল শিক্ষান্ত

পৰীক্ষাত উত্তীৰ্ণ হ'ল। পোনাকণৰ ওপৰত গাঁৱৰ সকলোৰে দৃষ্টি পৰিল আৰু তাৰ কৃতকাৰ্যতাৰ বাবে বহুতেই তাক শুভেচ্ছা আৰু আশীৰ্বাদ যাচিলে। আনৰ লগতে ধনীৰাম মহাজনৰো দৃষ্টি পৰিল তাৰ ওপৰত। আঘোণীৰ চোতালত এদিন ৰাতিপুৱাই উপস্থিত হ'ল ধনীৰাম মহাজন। ৰাতিপুৱাতেই তাইৰ চোতালত দেখি তাই হতভম্ব হ'ল। যেন তাইৰ সন্মুখত সৰগৰ দুৰ্লভ দেৱতাৰহে আৱিৰ্ভাৱ হ'ল। কৰযোৰে মূৰ দোৱাই তাই মাত লগালে—"মহাজন দেউতা ৰাতি-পুৱাতেই এই অভাগিনীৰ চোতালত যে পদধূলি দিবলৈ আহিল?"

: অ' তয়েই বাধ্য কৰালি আহিবলৈ। পিছে তোৰ পণ্ডিত পুতেৰা আছে নে নাই?

: "আছে, আছে দেউতা। পিছে সি কিবা দোষ কৰিলে নেকি?" ভয়ে ভয়ে আঘোণীয়ে সুধিলে আৰু পুতেকক ওচৰলৈ মাতিলে।

: "সি নহয়, তয়ে কৰিছ?"—মুখভৰা তামোলৰ পিকখিনি চোতালৰ মাজতে পেলাই ডিঙিত মেৰিয়াই লোৱা গামোচাখনেৰে মচি ললে মহাজনে মুখখন।

: "মহাজন দেউতাৰ কিবা দোষ লগালো?" —ভীতি-বিহ্বল কণ্ঠেৰে আঘোণীয়ে সুধিলে।

: এতিয়া নজনাই হলি? পুতেৰাৰ পঢ়াৰ খৰচৰ বাবে অনা টকাখিনি যে ঘূৰাই দিব লাগে পাহৰিলিয়ে হ'বলা? এতিয়া সুতে-মূলে দুহাজাৰ টকা হৈছে। টকাখিনি মোক এতিয়া লাগে।

: "ইমান টকা? মইতো ইমান টকা অনা নাই।" আঘোণীৰ মূৰত যেন সৰগখনহে ভাঙি পৰিল।

: "মনত নাই: এইয়া চা।" —মহাজনে জেপৰ পৰা কাগজ এখন উলিয়াই দেখুৱাই ক'লে— "এইয়াতো তয়েই চহী কৰি টকা ধাৰলৈ লৈছিলি।" তাই কামকৰাৰ বিনিময়ত টকা ললেও মহাজনৰ পৰা ইমান টকা কেতিয়াও লোৱা নাই। এদিন তাই এখন কাগজত চহী কৰি দিছিল। মহাজনে কোৱামতে সেইখন চৰকাৰলৈ লিখা এখন দৰ্খাস্তহে আছিল। দুখীয়া বিধবাসকললৈ দিয়া সাহায্য বিচাৰি লিখা সেইখন এখন দৰ্খাস্তহে আছিল। আঘোণীৰ পৰা উত্তৰ নাপাই মহাজনে ধমকি দি সুধিলে "—কি হ'ল, মনে মনে থাকিলি দেখোন? টকা দিবি নে নিদিবি?"

দুগালেৰে বৈ আহিবলৈ ধৰা তপত চকুলো দুধাৰি মচি —তাই অনুনয়ৰ সুৰত ক'লে— "দেউতা, ইমান টকা মই কোনো দিনে দেখা নাই। আপোনাক দিম ক'ৰ পৰা?"

: টকা যদি দিব নোৱাৰ তেন্তে এটা কাম কৰ। তোৰ পুতেৰক মোৰ ঘৰত থ। মোক এতিয়া কাম কৰা মানুহৰ দৰকাৰ। আৰু তয়ো মোৰ ঘৰতে কাম কৰিবি। ইমান টকা তই একেলগে দিব নোৱাৰিবি বাবেই এই উপায়টো দিছো। ভালকৈ ভাবি চাই অহাকালিৰ ভিতৰতে কিবা এটা উত্তৰ দিবি।" বাওঁহাতেৰে চুৰিয়াৰ আগটো ধৰি আনখন হাতেৰে ছাটিটো জোকাৰি মহাজন দপ্‌দপ্‌াই গুচি গ'ল। আঘোণী আৰু পোনাকণ গুলিবিদ্ধ হৰিণীৰ দৰে সতৃষ্ণ নয়নেৰে চাই থাকিল মহাজন যোৱাৰ ফালে।

জীৱনৰ সকলো জল্পনা-কল্পনা নিজ ভৰিৰে গছকি পিছ দিনা পুতেকক বুজাই-পৰাই লৈ গ'ল

মহাজনৰ ঘৰলৈ। আঘোণী আৰু পোনাকণক দেখি মহাজনে ওঁঠৰ তলেৰে—এক বক্র হাঁহি মাৰি ক'লে—"তই আহিলি আঘোণী? মই জানো তই আহিবি। আহচোন তই ভিতৰলৈ আহ।" মহাজনৰ নির্দ্দেশত আঘোণী—মহাজনৰ কোঠাৰ ভিতৰলৈ গ'ল। মহাজনৰ ৰাজহাউলী সদৃশ অট্টালিকাবোৰ দেখি পোনাকণে তবধ মানিলে। তাৰ মনত আনন্দ লাগিল। কাৰণ ঘৰৰ ভিতৰৰ পৰাই আকাশৰ তৰা লিখিব পৰা উৰুখা পজাৰ পৰিবর্তে অট্টালিকাত থাকিব পাৰিব। ৰ'দ, বতাহ, বৰষুণৰ সময়তো শান্তিৰে শুব পাৰিব। অনেক ভাৱত বিভোৰ হোৱা পোনাকণৰ তন্ময় ভাঙিল হঠাতে মাকৰ আর্তনাদ শুনি। মহাজনৰ কোঠালৈ দৌৰ মাৰিলে সি। মহাজনে তাৰ মাকৰ ওপৰত কৰা অশালীন ব্যৱহাৰ নিজ চকুৰে দেখি তাৰ সর্ব্বশৰীৰ ক্রোধত কঁপি উঠিল। দুই চকুত জ্বলি উঠিল একুৰা জুই। বয়সে ষাঠীৰ দেওনা গচকা মহাজনলৈ চাই ললে সি। পকা তামোলৰ দৰে চকুদুটাৰে মানুহজনক এটা দৈত্য যেন লাগিল তাৰ। মহাজন মানুহ নহয়, নৰৰূপী নৰখাদকহে। মাটিত থেকেছা খাই পৰি থকা মাকৰ দেহাটোলৈ চালে সি আৰু এখন্তেকো পলম নকৰি সন্মুখৰ মাটিতে পৰি থকা দাখন হাতত তুলি লৈ দেহৰ সর্ব্বস্ব শক্তি প্রয়োগ কৰি মহাজনৰ ফালে চোচা ললে। সম্ভাব্য বিপদৰ আশংকা কৰি সাজু হৈ থকা মহাজনেও নিজৰ বুদ্ধি প্রয়োগ কৰাত অলপো বিলম্ব নকৰি বেৰত আউজাই থোৱা বন্দুকটো হাতত তুলি তৎমুহূর্ততে তাৰ ট্রিগাৰটোত হাত দিলে। বন্দুকৰ শব্দত আকাশ নিনাদিত হ'ল। ঘৰৰ দুৱাৰ-খিৰিকিবোৰ কঁপি উঠিল। "আঃ মৰিলোঁ।"—তীব্র আর্তনাদ কৰি পোনাকণ তেজেৰে লুতুৰি-পুতুৰি হৈ মজিয়াত ঢলি পৰিল। আঘোণীয়ে চকু মেলি চাই দেখে চকুৰ আগত পৃথিৱীখন চক্রাকাৰে ঘূৰিবলৈ ধৰিছে। তেজেৰে ৰাঙলি হৈ পৰি থকা পুতেকৰ মৃতদেহটো দেখি তাই চকুৰেদি অন্ধকাৰৰ বাহিৰে একো নেদেখা হ'ল। "পোনাকণ"—বুলি টেটুফলা চিঞৰ মাৰি—তাই পোনাকণৰ দেহটোৰ ওপৰত বাগৰি পৰিল। আঘোণীৰ অলীক কল্পনাবোৰ শূন্যত বিলীন হৈ গ'ল। আঘোণীক ইপাৰত এৰি থৈ পোনাকণ সিপাৰৰ বহুদূৰলৈ গুচি গ'ল। পুতেকৰ দেহৰ কেঁচা-তেজেৰে দুহাত ৰাঙলী কৰি আঘোণী ৰাজপথলৈ ওলাল নতুন ৰূপেৰে—আঘোণী পাগলী হ'ল।

কংকালসাৰ দেহটোৰ ভিতৰত প্রাণটো সুমুৱাই লৈ আঘোণী অনাই-বনাই ঘূৰি ফুৰে। "পোনাকণ, আহ বোপাই" বুলি চিক্রৰি চিঞৰি তাই মানুহৰ পদূলিয়ে পদূলিয়ে পোনাকণক বিচাৰি ফুৰে। ঘৰ-সংসাৰৰ মায়ামোহ ত্যাগ কৰা আঘোণীয়ে চাৰিআলিৰ চ'কতেই অতিবাহিত কৰে তাইৰ দিনবোৰ। ৰাজপথত পৰি থকা আঘোণীৰ দেহৰ ওপৰেৰে পাৰ হৈ যোৱা গধুৰ ট্রাকৰ হেঁচাত তাইৰ প্রাণবায়ু উৰি গ'ল। পৃথিৱীৰ সমস্ত দুখবেদনা নেওচি আঘোণী গুচি গ'ল পোনাকণক বিচাৰি দূৰ দিগন্তৰ বহু সিপাৰলৈ। □

# পৰিণাম

ধনঞ্জয় তালুকদাৰ
স্নাতক তৃতীয় বাৰ্ষিক

খট্‌খট্‌কৈ মাকো মাৰি তাঁত বোৱাত ব্যস্ত বিমলাই পদূলিৰে দৌৰি পাৰ হৈ যোৱা স্কুলীয়া ছাত্ৰ-ছাত্ৰীজাক দেখি আচৰিত হ'ল। অসময়তে যে স্কুল ছুটি হ'ল ? হঠাতে তাইৰ মনটো কঁপি উঠিল। ক'তো একো অঘটন ঘটা নাইতো ? কি যে হ'ল দেশখনত ! কেতিয়া ক'ত কি ঘটনা ঘটে ঠিক নাই। চাৰিওফালে হুলস্থূল। শান্তিৰ পৰিবেশ কেতিয়াবাই বিনষ্ট হ'ল। পুলিচ-সৈন্য বাহিনীৰ অত্যাচাৰ, সন্ত্ৰাসবাদীৰ হত্যালীলাত সৰ্বসাধাৰণ ৰাইজ জৰ্জ্জৰিত। তাইৰ মনটো বিদ্ৰোহী হৈ উঠে। জুয়ে পোৰা তিৰাশীৰ এনে এটি দিনতে তাইৰ ককায়েক জয়ন্তই পুলিচৰ গুলী বুকুপাতি লৈ শ্বহীদ হৈছিল। হঠাতে তাইৰ মনত পৰিল, বুৰঞ্জীৰ পাতত পঢ়া ফৰাচী গাভৰু জোৱান ডাৰ্কৰ কাহিনীলৈ। এইজনী ষোড়শী গাভৰুৱে এদিন তাঁতৰ পাতৰ পৰা ৰাজপথলৈ ওলাই আহিছিল। বিমলাৰো মন যায় ৰাজপথলৈ ওলাই আহিবলৈ। অন্যায়, অত্যাচাৰ, অবিচাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ। বহাৰ পৰা উঠি তাই চোতালত থিয় দিলেহি মাত্ৰ, এনেতে পিছফালেৰে উধাতু খাই দৌৰি অহা মাধৱক দেখি উচপ খাই উঠিল। মাধৱৰ অৱস্থা দেখি তাইৰ ভাৱ হ'ল—নিশ্চয় কৰবাত কিবা দুৰ্ঘটনা সংঘটিত হৈছে। বিমলাৰ ওচৰ পায়েই উশাহ নোলোৱাকৈ সি ক'বলৈ ধৰিলে : "পলোৱা পলোৱা—বিমলা সৰ্বনাশ হৈছে।" এক অজান আশংকাত তাইৰ সৰ্বশৰীৰ কঁপি উঠিল। মাধৱৰ জুই জ্বলিব ধৰা চকুহাললৈ চাই কঁপা-কঁপা মাতেৰে তাই ক'লে : কিয় ? কি হৈছে ? এনে কি ঘটনা হৈছে যে পলাব লাগে ?

: সৰ্বনাশ হৈছে বিমলা ! বেগতে নপলালে তোমাৰ সৰ্বনাশ হ'ব।

: কি হৈছে ভালকৈ বুজাই নোকোৱা কিয় ? মোৰ খুউব ভয় লাগিছে। ইফালে ঘৰত আই পিতাও নাই।

: এতিয়া আৰু কথা কোৱাৰ সময় নাই। সিহঁত আহিব ধৰিছে। সিহঁত আহি পালে তোমাৰ সৰ্বনাশ হ'ব।

: সিহঁত কোন ?

: সামৰিক বাহিনীৰ লোক।

: উস্, খোলাকৈ কোৱাচোন কি হৈছে ?" দুয়োহাতেৰে মাধৱৰ বাহুত ধৰি জোকাৰি দিলে তাই। এটি দীঘল হুমুনিয়াহ কাঢ়ি মাধৱে কৈ গ'ল এফালৰ পৰা গাঁওবাসীৰ ওপৰত সৈন্য-বাহিনীয়ে কৰা অত্যাচাৰৰ কাহিনী। তাৰ কথাৰ ওপৰত হস্তক্ষেপ কৰি মাজতে তাই সুধিলে :

কিন্তু সেনাবাহিনী আহিবলৈ পালে কিয় ? গাঁৱৰ মানুহে এনে কি দোষ কৰিছে যে তেওঁলোকৰ ওপৰত নিৰ্বিচাৰে অত্যাচাৰ চলাব ।

: তুমিতো জানাই আমাৰ গাঁৱত কেইবা গৰাকীও আন্দোলনকাৰী নেতা আত্মগোপন কৰি আছিল ।

: ওঁ, তাতে কি হ'ল ?

: "সিহঁত কেইজনক দেখুৱাই দিব পাৰিলে নগদ পাঁচহেজাৰ টকা দিয়াৰ প্ৰতিশ্ৰুতি দিছিল সিহঁতে ।"

ক্ষন্তেক ৰৈ সি পুনৰ আৰম্ভ কৰিলে--

: এসপ্তাহ পিছতে আমাৰ বিয়া। গতিকে আমাকতো টকাৰ খুবেই প্ৰয়োজন ।'.. ...... বিমলাই হাতৰ সোণৰ আঙুঠিটো ছুই চালে। ও ঠিকেই আছে। ঘোপাদৃষ্টিৰে তাই চাই পঠিয়ালে মাধৱৰ ফালে। মাধৱক তাই জানে। খুউব ভালকৈয়ে জানে। হাতত চাকৰি এটা নাথাকিলেও তাক বেচ ভাল ল'ৰা বুলিয়েই বিশ্বাস কৰি আহিছে তাই।

: টকাৰ লোভ সামৰিব নোৱাৰিলোঁ বিমলা।' সি পুনৰ আৰম্ভ কৰিলে ! চকুহাল ডাঙৰকৈ মেলি তাই প্ৰশ্ন কৰিলে---

: তাৰ মানে তুমিয়েই সিহঁতক দেখুৱাই দিছিলা ?

: ভুল হৈ গ'ল বিমলা ! পাঁচ হেজাৰ টকাৰ লোভ সামৰিব নোৱাৰি মই সিহঁতক গোপন ঠাইৰ সন্ধেদ দিছিলোঁ। ল'ৰাবোৰ আগতেই পলাই সাৰিল। আন্দোলনৰ নেতা কেইজনক নেপাই গাঁৱৰ মানুহবোৰৰ ওপৰত যে অত্যাচাৰ চলিব এই কথা মই ভাবিবই পৰা নাছিলোঁ। ভীতি-বিহ্বল কণ্ঠেৰে সি কৈ গ'ল। "বৰ ভুল হৈ গ'ল মোৰ বিমলা। জনা নাছিলোঁ যে সিহঁত প্ৰকৃততে মানুহ নহয় ; নৰমাংসহাৰী একোটা জীৱন্ত পিশাচ। এই মানৱৰূপী পিশাচহঁতৰ অত্যাচাৰৰ পৰা আৱাল-বৃদ্ধা-বনিতা কোনোৱে ৰক্ষা নাপালে। কেইবাজনী জীয়ৰী গাভৰুৱে জীৱনৰ শেষ প্ৰমূল্য বিসৰ্জ্জন দিলে নৰপিশাচৰ হাতত। মই ভুলতো ভবা নাছিলোঁ ইমান সৰ্বনাশ হৈ যাব বুলি। শুকাই কাঠ মৰা ডিঙিটো জীপাল কৰাৰ চেষ্টা কৰি সি ক'লে—"পলম কৰাৰ সময় আৰু নাই বিমলা। মুহূৰ্ত এটাও পলম নকৰি পলাব লাগে।"

প্ৰস্তপ্ৰস্তৰ যুগৰ শিলৰ মূৰ্ত্তিৰ দৰে থিয় হৈ ৰ'ল বিমলা। কিবা এক অজান শিহৰণত দেহৰ ৰক্তবোৰ ধমনীৰ মাজেৰে বিদ্যুৎসঞ্চাৰে প্ৰৱাহিত হ'ল। মাধৱৰ মুখৰ পৰা ভৰিলৈ আকৌ এবাৰ চাই ললে বিমলাই।

: পলম নকৰিবা বিমলা। সিহঁত আহি পালে সৰ্বনাশ হ'ব।

: "তোমাৰ মা-দেউতা আৰু ভনী দুজনী ক'ত ?"- ইতিকিঙৰ সুৰেৰে তাই সুধিলে ।

: বিপদৰ আশংকা কৰি কালিয়েই সিহঁতক পেহীহঁতৰ ঘৰত থৈ আহিছোঁ। এতিয়া তোমাক বচাব পাৰিলেই .. ......।"

কোব খোৱা বাঘিণীৰ দৰে গৰ্জ্জি উঠিল তাই—

: দেশদ্ৰোহী, প্ৰতাৰক, প্ৰবঞ্চক, যোৱা তুমি তোমাৰ মা-দেউতাক, ভনী দুজনীক বচোৱাগৈ। গাঁৱৰ বাকীবোৰৰ লগতে মোকো মৰিবলৈ দিয়া।

মোৰ ওচৰৰ পৰা এই মুহূৰ্ত্ততে আঁতৰি যোৱা।" বিমলাৰ খং দেখি ভয় লাগিল তাৰ। স চাকৈয়ে সি পাপ কৰিছে। নিজৰ ভুলৰ বাবে সি অনুতপ্ত হ'ল।

ঃ খং, অভিমান কৰাৰ সময় এতিয়া নহয় বিমলা। মোৰে দোষ হ'ল। দোষৰ জানো ক্ষমা নাই। এইবোৰৰ হিচাপ-নিকাচ কৰাৰ সময় এতিয়া নাই? আগতে নিজকে বচোৱা নহ'লে-

ঃ নহ'লে কি হ'ব। সিহঁতে মোৰ সৰ্বস্ব ধ্বংস কৰিলে তুমি মোক বিয়া নকৰাবা?" খঙত তাই থৰ্ থৰ্ কৈ কঁপিবলৈ ধৰিলে। "কাপুৰুষ, তোমাৰ দৰে ঠগ-প্ৰৱঞ্চক এজনৰ মুখ চাবলৈ মোৰ ঘিণ লাগে। মাধৱ নামৰ মানুহ জনৰ ভিতৰত যে অন্য এজন অচিনাকি মানুহ লুকাই থাকিব পাৰে এইকথা মই ভাবিবই পৰা নাছিলোঁ। ভগৱানক অশেষ ধন্যবাদ যে তোমাৰ সৈতে বিয়া হোৱাৰ আগতেই তোমাৰ আচল স্বৰূপটো উদ-ঙাই দেখুৱালে।" নিৰবধি তুগালেৰে বৈ অহা তপত চকুলো চাদৰৰ আঁচলেৰে মচি ললে তাই।

কিংকৰ্তব্যবিমূঢ় হৈ অপলক নেত্ৰে বিমলাৰ ফালে চাই ৰ'ল সি। বিমলাৰ আপোচ বিহীন ৰণচণ্ডী মূৰ্ত্তি দেখি তাৰ ভয়ো লাগিল। দূৰৈৰ পৰা জন মিছিলৰ সমস্বৰ ভাহি আহিল। সামৰিক বাহিনীৰ অত্যাচাৰৰ প্ৰতিবাদৰ শ্লোগান গাই সমদলটো বিমলাহঁতৰ পদূলিৰ ফালে আগুৱাই আহিল।

ঃ পাঁচ হেজাৰ টকাৰে তুমি সংসাৰ কৰা গৈ। মোৰ ওচৰলৈ আৰু কেতিয়াও নাহিবা। তোমাৰ সৈতে মোৰ বিয়া কেতিয়াও হ'ব নোৱাৰে।" কথাখিনি উত্তেজনাৰে কৈ বিমলাই হাতৰ সোণৰ আঙুঠিটো খুলি মাধৱৰ গালৈ জোৰেৰে দলিয়াই দি সমদলটো যোৱাৰ ফালে দৌৰি গ'ল তাই।

ঃ বিমলা এয়া তুমি কি কৈছা? এয়া তুমি কি কৰিলা বিমলা? আৰ্তনাদ কৰি উঠিল সি। মাধৱৰ কথালৈ অকণো ভ্ৰুক্ষেপ নকৰি বিমলা উন্মাদিনীৰ দৰে মাথো দৌৰি থাকিল। দৃষ্টিৰ আঁতৰ নোহোৱা পৰ্যন্ত সি অসহায়ভাবে তাইৰ ফালে চাই থাকিল। ☆☆

---

যেতিয়া তুমি পৃথিৱীলৈ আহিছিলা—কান্দি কান্দি আহিছিলা, আৰু ওচৰ চুবুৰীয়াই হাঁহিছিল। তুমি এনে কাম কৰিবা যাতে তুমি হাঁহি-হাঁহি পৃথিৱীৰ পৰা যাব পাৰা আৰু আনে যেন তোমাৰ নিমিত্তে হিয়া ভুকুৱাই কান্দে।

--পণ্ডিত হেম চন্দ্ৰ গোস্বামী

---

# আলোচনী সম্পাদকৰ আষাৰ-চেৰেক

পাতনিতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাৰ ১৯৯১-৯২ চনৰ বছৰটোৰ বাবে মোক "জৱাহৰ জ্যোতি"ৰ সম্পাদকৰ কাৰণে নিৰ্বাচিত কৰা বাবে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আটাইলৈ পৰম স্নেহসিক্ত কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সাহিত্যক জাতিৰ দাপোণ স্বৰূপ বুলি কোৱা হয়। এটা জাতি হিচাপে কোন কিমান চহকী তাৰ বিচাৰ হয় জাতীয় সাহিত্যবাজিৰ দ্বাৰা। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ সাহিত্য চৰ্চাৰ সুবিধাৰ্থে মুখপত্ৰ জৱাহৰ-জ্যোতি প্ৰতি বছৰে প্ৰকাশ কৰা হয়।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ'ৰ বাবে ব্যস্ত হ'ব লগীয়া হয়। 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সুসামঞ্জস্য ৰাখি এখন প্ৰাচীৰ পত্ৰিকাৰ পৰিকল্পনা কৰা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰা হয়।

আলোচনী বিভাগৰ পৰা সাহিত্য সম্পৰ্কীয় কেইবাটাও প্ৰতিযোগিতা মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা হয়। প্ৰতিযোগীৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতাৰ সৌষ্ঠব বৃদ্ধি কৰে।

অকল মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লিখনীৰ ওপৰত ভিত্তি কৰি যেতিয়া এখন আলোচনী প্ৰকাশ কৰিবলগীয়া হয়, ই হৈ পৰে অতি দুৰূহ কাম। সন্তোষজনক লিখনীৰ অভাৱ, বাৰে বাৰে জাননী দিয়াৰ উপৰিও ব্যক্তিগত হিচাপে তাগিদা দিবলগীয়া হোৱা আৰ্থিক অনাটন, প্ৰেছৰ ব্যস্ততা ইত্যাদি কাৰণত সময় মতে আলোচনীখন প্ৰকাশ কৰাত ব্যাঘাত ঘটে। সেয়েহে যথা সময়ত জৱাহৰ-জ্যোতি মই আপোনালোকৰ হাতত তুলি দিব নোৱাৰা বাবে মই চৰম লজ্জিত। তাৰ বাবে ক্ষমা বিচাৰিছোঁ। আশা কৰিছোঁ আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ভৱিষ্যতে যথা সময়ত তেওঁলোকৰ লিখনী সমূহ বিভাগীয় সম্পাদকক জমা দি আলোচনীখন সোনকালে প্ৰকাশ হোৱাত সুবিধা দিব।

আলোচনীখন সম্পাদনা কৰি প্ৰকাশ কৰাত সৰ্বতোপ্ৰকাৰ সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ, অধ্যাপক শ্ৰীযুত বসন্ত কুমাৰ দত্তদেৱ, শ্ৰীযুত মৃগেন শৰ্মা দেৱ, শ্ৰীযুত লক্ষ্মী কান্ত শৰ্মাদেৱ, অধ্যাপক শ্ৰীযুত যুগল কিশোৰ নাথদেৱক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

প্ৰাচীৰ পত্ৰিকাখন প্ৰকাশ কৰোঁতে সহায় কৰা বাবে ছাত্ৰ বন্ধু খৰ্গেশ্বৰ ৰাভা, বেদান্ত ডেকা, কাৰ্যালয় সহকাৰী প্ৰদীপ দাস অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱক মৰম আৰু কৃতজ্ঞতা জনাইছোঁ।

আলোচনীখনৰ তত্বাৱধায়কৰ গুৰু দায়িত্ব লৈ সংকটপূৰ্ণ মুহূৰ্তত অকুণ্ঠ সহায় সহযোগ, দিহা-পৰামৰ্শেৰে উপকৃত কৰা বাবে অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়াদেৱৰ ওচৰত মই চিৰ কৃতজ্ঞ।

আলোচনী এখনৰ গাম্ভীৰ্য নিৰ্ভৰ কৰে লিখনী সমূহৰ ওপৰত ; সেয়েহে তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ! শেষত সকলো দোষ-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। □

শ্ৰীগণেশ চন্দ্ৰ বড়ো

সম্পাদক, জৱাহৰ জ্যোতি

# খেলবিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯১-৯২ চনৰ বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ খেল বিভাগৰ পদত নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী লৈ মোৰ কৃতজ্ঞতা জনালোঁ।

বৰ্তমান যুগত খেলবিভাগৰ গুৰুত্ব সৰ্বাধিক। ছাত্ৰ-ছাত্ৰী সকলে সেয়েহে পাঠ্যক্ৰমৰ মাজতে আৱদ্ধ নাথাকি খেলা-ধূলাত অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি নিজক প্ৰতিষ্ঠা কৰি ল'ব পাৰে।

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই 'মহাবিদ্যালয় সপ্তাহ' উৎসৱৰ বাবে জড়িত হৈ পৰিব লগীয়া হয়। প্ৰত্যেক বছৰৰ দৰে মহাবিদ্যালয় সপ্তাহত এইবাৰো বিভিন্ন খেল প্ৰতিযোগিতা অনুষ্ঠিত হয়। খেলুৱৈৰ অংশগ্ৰহণ সন্তোষজনক আছিল যদিও ভৱিষ্যতে আৰু অধিক ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা কামনা কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত ভাৰতীয় সেনা বাহিনীৰ উদ্দোগত মহাবিদ্যালয়ৰ ছাত্ৰ সকলে ভলীবল খেলত অংশ গ্ৰহণ কৰে। আমাৰ খেলুৱৈ সকলে এই প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক খেলবোৰত জয়লাভ কৰে আৰু ফাইনেল খেলত অংশ গ্ৰহণ কৰাৰ যোগ্যতা লাভ কৰে। মিৰ্জাত অনুষ্ঠিত ফাইনেল খেলত খেলুৱৈ সকলে উচ্চ মানদণ্ডৰ খেল প্ৰদৰ্শন কৰি সাফল্য লাভ কৰে।

আন্তঃ মহাবিদ্যালয়ৰ ফুটবল প্ৰতিযোগিতাত প্ৰত্যেক বছৰে আমাৰ মহাবিদ্যালয়ে আকৰ্ষণীয় খেল খেলে। এইবাৰো চেমিফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে।

সম্ভাৱনাপূৰ্ণ খেলুৱৈৰে পৰিপূৰ্ণ আমাৰ মহাবিদ্যালয়ৰ খেলুৱৈসকলে সীমিত সা-সুবিধাৰ মাজত থাকি সদায়ে খেলা ধূলা খেলিব লগীয়া হয়। আশা কৰিছোঁ ভৱিষ্যতে খেলৰ সুবিধা সমূহ বৃদ্ধি হ'ব আৰু পৰৱৰ্তী সম্পাদক সকলে এই দিশত মনোযোগ দিব।

মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱলৈ তেখেতে মোক দিয়া দিহা-পৰামৰ্শ আদিৰ বাবে প্ৰথমে কৃতজ্ঞতা জনাইছোঁ। খেলবিভাগৰ তত্বাৱধায়ক অধ্যাপক অৰনী কুমাৰ দাস চাৰলৈ মোৰ স-শ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তদুপৰি অধ্যাপক মদন চন্দ্ৰ কাকতিদেৱ আৰু অধ্যাপক দ্বিজেন দাসদেৱলৈ মোৰ পৰম শ্ৰদ্ধা ভৰা কৃতজ্ঞতা জনালোঁ। সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বন্ধু-বান্ধৱী, ছাত্ৰ-ছাত্ৰী তথা খেলুৱৈ সকললৈ মোৰ অপৰিসীম মৰম আৰু অভিনন্দন জনালোঁ।

শেষত অনিচ্ছা সত্বেও হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰৰ্থনা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। □

শ্ৰীপ্ৰবোধ বড়ো

সম্পাদক, খেলবিভাগ

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

সমাজ এখন সৰ্বাঙ্গ সুন্দৰকৈ গঢ়ি তোলাত মানুহে বিভিন্ন ধৰণেৰে অৱদান আগবঢ়াব পাৰে। ময়ো জৱাহৰলাল নেহৰু মহাবিদ্যালয়লৈ সেৱা আগবঢ়াব খুজিছিলোঁ। সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে। মোৰ আশাৰ প্ৰতি সঁহাৰি দি ১৯৯১-৯২ চনৰ মহাবিদ্যালয় একতা সভালৈ সমাজ সেৱা বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰা বাবে সমূহ বন্ধু-বান্ধৱী লৈ মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

সমাজ সেৱা বিভাগৰ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয়ৰ বছৰেকীয়া আকৰ্ষণীয় উৎসৱ মহাবিদ্যালয় সপ্তাহ' আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহ উপলক্ষে ২৫।১।৯২ আৰু ২৯।১।৯২ দুদিন ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চাফাই কামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাত শৃঙ্খলাবোধ, নিষ্ঠা, ধৈৰ্য্য আৰু সেৱাৰ মনোভাৱ দেখুৱাবলৈ সমৰ্থ হোৱা ৩৫ জন ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা হয়। তাৰে ১৫ জন ছাত্ৰ-ছাত্ৰীক বছৰৰ শ্ৰেষ্ঠ সমাজ সেৱক বুলি পৰিগণিত কৰা হয়।

মোৰ কাৰ্যকালত আমি সমাজ সেৱাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ চৌহদতে সীমিত থাকিব লগীয়া হয়। এইখিনিতে ছাত্ৰ-ছাত্ৰীসকলে সন্মুখীন হোৱা দুই এটা অসুবিধাৰ কথা উল্লেখ কৰিলোঁ; আশা কৰো পৰৱৰ্তী কালৰ বিষয়ববীয়াসকলে এই দিশত মনোযোগ দিব। ছাত্ৰ-ছাত্ৰীসকলৰ পৰিষ্কাৰ পানী খোৱাৰ বাবে টিউবেলৰ অভাৱ, চাইকেল আৰু মটৰ চাইকেল ৰখাৰ বাবে উপযুক্ত ঠাইৰ অভাৱ, শৌচাগাৰৰ অভাৱ আৰু মহাবিদ্যালয়ৰ বাছ ৰখা ঠাইত এটি যাত্ৰীৰ জিৰণি ঘৰৰ অভাৱ ছাত্ৰ-ছাত্ৰীসকলে বৰকৈ অনুভৱ কৰি আহিছে।

সমাজ সেৱা বিভাগৰ গুৰুদায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা পৰামৰ্শ আদি দি উপকৃত কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱ আৰু সমাজ সেৱা বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীযুত উমেশ কৰ; শ্ৰীযুত ভৱেশ চন্দ্ৰ গোস্বামী, শ্ৰীযুত মদন কাকতি শ্ৰীযুত দ্বিজেন্দ্ৰ নাথ দাস আৰু শ্ৰীযুত দিলীপ দাসদেৱলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বিভিন্ন দিশত সহায়-সহযোগিতাৰে মোৰ কামত উৎসাহ উদ্দীপনা আগবঢ়োৱা বাবে মোৰ বন্ধু সৰ্বশ্ৰী সিদ্ধেশ্বৰ, অনিল, দীপক, প্ৰদীপ, খৰ্গেশ্বৰ প্ৰশান্ত, লক্ষ্মণ, গণেশ, সন্ধ্যায়া, জয়শ্ৰী, নিপু লগতে প্ৰণয় আৰু জ্যোতি প্ৰসাদলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজ্ঞানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা মাৰ্জনা বিচাৰি আৰু জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছোঁ।

**শ্ৰীহীৰেণ ৰাভা**
সম্পাদক, সমাজ সেৱা বিভাগ

# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীকে প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯১-৯২ চনৰ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ বাবে মোক নিৰ্বাচিত কৰি সেৱা আগবঢ়োৱাৰ সুযোগ দিয়া বাবে মোৰ অফুৰন্ত ভালপোৱা আৰু কৃতজ্ঞতা জনাইছোঁ।

উন্নত কলা-সংস্কৃতিৰ জৰিয়তে বিশ্বৰ দৰবাৰত একোটা জাতিয়ে নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰে। যিটো জাতি নিজৰ স্বকীয় সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়া সেই জাতিয়ে মানৱ সমাজত শ্ৰেষ্ঠ জাতি হিচাপে স্বীকৃত হৈ আহিছে। মানৱ জীৱনৰ লগত কলা-সংস্কৃতিৰ সম্পৰ্ক সেয়ে ওতঃপ্ৰোত ভাৱে জড়িত।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰিয়েই ১৯৯১-৯২ চনৰ 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সাঙোৰ খাই পৰোঁ। মহাবিদ্যালয় সপ্তাহত সাংস্কৃতিক বিভাগৰ পৰা বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত যথেষ্ট সংখ্যক প্ৰতিযোগীৰ যোগদানে অনুষ্ঠানটোৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

আন আন বছৰৰ দৰে এইবাৰো আন্তঃ-মহাবিদ্যালয়ৰ সৌজন্যত 'যুৱ মহোৎসৱ' গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হয় আৰু আমাৰ মহাবিদ্যালয়ৰ পৰা যোল্লজনীয়া দল এটিয়ে অংশ গ্ৰহণ কৰে। বিভিন্ন কাৰ্যসূচীত উন্নত মানদণ্ডৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়ায় আৰু বৰ্ণাঢ্য অভিজ্ঞতা অৰ্জন কৰাৰ সুযোগ লাভ কৰে।

আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক অনুষ্ঠান পৰিবেশন কৰিবলৈ এটি প্ৰেক্ষাগৃহৰ অভাৱ। লগতে আৱশ্যকীয় বাদ্যযন্ত্ৰ আৰু বাদ্যযন্ত্ৰ সংৰক্ষণৰ বাবে যাৱতীয় ব্যৱস্থা নাই। পৰৱৰ্তী কালৰ সম্পাদকসকলে এই দিশত মনোযোগ দিব বুলি আশা কৰিলোঁ।

সাংস্কৃতিক বিভাগটোৰ দায়িত্ব পালন কৰিবলৈ যাওঁতে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে যি সহযোগ, গঠনমূলক দিহা-পৰামৰ্শ দি সহায় কৰিলে তাৰ বাবে তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ। বিভাগীয় তত্বাৱধায়ক শিক্ষাগুৰু অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱ আৰু অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়াদেৱলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ। এখেতসকলৰ সহায়-সহযোগ, দিহা-পৰামৰ্শ অবিহনে সাংস্কৃতিক অনুষ্ঠানসমূহ সুচাৰু ৰূপে হয়তো পৰিচালনা কৰাত যথেষ্ট বাধাৰ সন্মুখীন হ'ব লাগিলহেঁতেন। ইয়াৰ উপৰি মোক সততে উপকাৰ কৰা ৰতন, প্ৰদীপ, সুৰেশ, বানেশ্বৰ, শংকৰ, বেদান্ত, ডালিমী, পতুমী, মীৰা, হীৰা, নমিতা, ৰঞ্জিতা, প্ৰবোধ, ভগীৰথ দ্বিজেন দাস আদি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এবছৰীয়া এই কাৰ্য কালত মই কিমান সফল হৈছোঁ তাৰ বিচাৰৰ ভাৰ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ হাতত। সদৌ শেষত মোৰ অজ্ঞাত ভুল দোষৰ বাবে ক্ষমা বিচাৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ সৰ্বতোপ্ৰকাৰ উন্নতি কামনা কৰি সামৰিছোঁ। □

**শ্ৰীপ্ৰদীপ কলিতা**
সম্পাদক, সাংস্কৃতিক বিভাগ

# ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

জৱাহৰলাল নেহৰু মহাবিদ্যালয় একতা সভাৰ ১৯৯১-৯২ চনৰ ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ পদৰ বাবে বিনা প্ৰতিদ্বন্দ্বিতাৰে মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মনত উদ্যম আৰু দুৰ্বাৰ উৎসাহ লৈ মই মোৰ কাৰ্যকাল আৰম্ভ কৰিছিলোঁ। আমাৰ মহাবিদ্যালয়ৰ আভ্যন্তৰীণ দিশতো ওচৰৰ পৰা ভূমিকি মাৰি চোৱাৰ সুযোগ পাইছিলোঁ। কাৰ্যভাৰ গ্ৰহণ কৰিয়েই আমি 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰিছিলোঁ আৰু তাৰ পৰিচালনাত সক্ৰিয় ভূমিকা পালন কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-জিৰণি কোঠাৰ তৰফৰ পৰা ছাত্ৰৰ বাবে কেৰম, বেডমিণ্টন, ডবা আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগীৰ যোগদানো আছিল আশানুৰূপ।

ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদক হিচাপে প্ৰত্যক্ষ কৰা কেইটামান অসুবিধাৰ কথা উল্লেখ কৰিলোঁ আৰু আশা কৰোঁ পৰৱৰ্তী ছাত্ৰ একতা সভাৰ সদস্য তথা কৰ্তৃপক্ষৰ সহযোগত এই অসুবিধা-সমূহ দূৰ কৰিবলৈ চেষ্টা কৰিব। তেনে অসুবিধা দুই এটা হ'ল— পৰ্যাপ্ত পৰিমাণৰ ডেস্ক বেঞ্চৰ অভাৱ, ছাত্ৰ-জিৰণি কোঠাত বিশুদ্ধ পানীৰ যোগানৰ অসুবিধা, নিয়মিতভাৱে বাতৰি-আলোচনী আদিৰ যোগানৰ অভাৱ ইত্যাদি।

ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকৰ দায়িত্ব পালন কৰাত মোক যিসকল অধ্যাপক-অধ্যাপিকা তথা ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ আগ-বঢ়ালে এই সুযোগতে মই আটাইলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ-জিৰণি কোঠাৰ তত্বাৱধায়কৰ দায়িত্ব গ্ৰহণ কৰি মোক সকলো দিশতে দিহা পৰামৰ্শ দি উপকৃত কৰা বাবে অধ্যাপক শ্ৰীযুত ভৱেশ চন্দ্ৰ গোস্বামী দেৱলৈ মোৰ অকৃত্ৰিম শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। এই ক্ষেত্ৰত অধ্যাপক মঃ মীৰাজখান দেৱৰ কথা মোৰ সদায়ে মনত থাকিব। সকলো সময়তে সহায়ৰ হাত আগ বঢ়োৱা বন্ধু-বান্ধৱী—খৰ্গেশ্বৰ, হীৰেণ, প্ৰবোধ, গণেশ, মতিলাল, কমল, নিৰঞ্জন, দুলাল, দীপক, অৰ্জ্জুন, জনাৰ্দ্দন, ৰমেন, ভূদেৱ, মৃণাল, কমলেশ্বৰ, প্ৰদীপ, হলিৰাম, সুষমা, গীতা, ৰঞ্জু, চন্দনা, মণিকা, নীলম, চনমতীৰ নাম উল্লেখ নকৰিলে মোৰ কৃতজ্ঞতা জ্ঞাপন অসম্পূৰ্ণ হৈ ৰব।

সদৌ শেষত মোৰ কাৰ্যকালৰ সময়ছোৱাত অজানিতে কৰা ভুল ক্ৰুটিৰ বাবে আপোনালোক সকলোৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। □

**শ্ৰীঅনিল কুমাৰ ৰাভা**
সম্পাদক, ছাত্ৰ-জিৰণি কোঠা

# ছাত্ৰী-জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে বৰকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক পৰিসদৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা ৰূপে নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

১৯৯১-৯২ চনৰ একতা সভাৰ কাৰ্য-নিৰ্বাহক পৰিষদৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কেইদিনমান পিছতেই মহাবিদ্যালয়ৰ আকৰ্ষণীয় অনুষ্ঠান 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হয়। ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ছাত্ৰী জিৰণি কোঠাৰ তৰফৰ পৰা বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। কেইবা প্ৰকাৰো খেলা-ধূলাৰ উপৰিও কইনা প্ৰতিযোগিতা, পৰম্পৰাগত সাজ-পাৰৰ প্ৰতিযোগিতা, পুষ্পসজ্জা, পিঠা প্ৰতিযোগিতা, চিলাই প্ৰতিযোগিতা আদি আকৰ্ষণীয় কাৰ্যসূচীৰ আয়োজন কৰা হয়। জৱাহৰলাল নেহৰু মহাবিদ্যালয়ত ছোৱালীৰ সংখ্যা চমকপ্ৰদ; কিন্তু তেওঁলোকৰ প্ৰতিযোগিতামূলক মনোবৃত্তিৰ অভাৱ এইবাৰ পৰিলক্ষিত হ'ল। কাৰণ প্ৰতিযোগিতা-সমূহত ছাত্ৰীৰ সহযোগিতা আছিল লক্ষ্যণীয়ভাৱে দৃষ্টি কটু। আশা কৰিছোঁ ভৱিষ্যতে ছাত্ৰীসকলে পূৰ্ণ উদ্যমেৰে সকলো ধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ কাৰ্যভাৰ চলাই যাওঁতে সকলো প্ৰকাৰ দিহা-পৰামৰ্শেৰে উপকৃত কৰা বিভাগীয় তত্বাৱধায়িকা শ্ৰীমতী ক্ষীৰোদা মালী বাইদেউলৈ মোৰ সশ্ৰদ্ধ প্ৰেম, কৃতজ্ঞতা জনাইছোঁ। লগতে মোক বিভিন্ন দিশত সহায় কৰা অধ্যাপক সদানন্দ নাথদেৱ আৰু অধ্যাপিকা বিজয়া ডেকা বাইদেউলৈ জনাইছোঁ মোৰ পৰম ভালপোৱা আৰু কৃতজ্ঞতা। বান্ধৱী ভৱানী, অজন্তা, অলকা, মায়া, লিপিকা, ৰঞ্জু আৰু আন আন সহযোগী বন্ধু-বান্ধৱীলৈয়ো মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সীমিত পৰিসৰৰ মাজত থাকি ছাত্ৰী জিৰণি কোঠাৰ কাৰ্যভাৰ চলাওঁতে কিছু অসুবিধাৰ সন্মুখীন হোৱা স্বাভাৱিক। সেয়েহে মোৰ অজ্ঞাতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে সহৃদয় ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

শ্ৰীমীৰা কুমাৰী
সম্পাদিকা,
ছাত্ৰী-জিৰণি কোঠা

—:□:—

# তৰ্ক আৰু আলোচনাচক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বন্ধু-বান্ধৱীৰ মৰম আৰু বিশ্বাসে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯১-৯২ চনৰ ছাত্ৰ একতা সভাৰ "তৰ্ক আৰু আলোচনা চক্ৰ"ৰ সম্পাদক পদত বিনা প্ৰতিদ্বন্দ্বিতাই গুৰু দায়িত্ব বহন কৰিবলৈ সুযোগ দিলে তেওঁলোকলৈ মোৰ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।।

আমাৰ দেশখন হ'ল গণতান্ত্ৰিক দেশ। সকলোৱে ইয়াত নিজৰ ধ্যান-ধাৰণা স্পষ্ট ভাৱে দাঙি ধৰিব পাৰে। আজিৰ পৃথিৱীখন হ'ল প্ৰতিযোগীৰ বাবে যোগ্যতা প্ৰতিপন্ন কৰি নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শনেৰে সকলোৰে আপোন হোৱাৰ পৃথিৱী। প্ৰতিযোগিতামূলক পৃথিৱীখনত নিজকে জড়িত কৰি শিক্ষাৰ্থীয়ে প্ৰভূত জ্ঞান অৰ্জন কৰিব পাৰে। মহাবিদ্যালয়ত অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহত নিজৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীয়ে বহল পৃথিৱীখনৰ বাবে নিজক প্ৰস্তুত কৰি তুলিব পাৰে। পাঠ্যক্ৰমৰ মাজতে অকল আৱদ্ধ নাথাকি ছাত্ৰ-ছাত্ৰীয়ে তৰ্ক, কুইজ, বিভিন্ন খেল আদিত যোগদান কৰি মানসিক উৎকৰ্ষ সাধন কৰিব পাৰে। সেয়েহে সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ বৰ্তমান "তৰ্ক আৰু আলোচনা চক্ৰ" বিভাগৰ দায়িত্ব অধিক বুলি বিবেচনা কৰোঁ।।

বিগত বছৰ বোৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ" উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে 'তৰ্ক আৰু আলোচনা চক্ৰ'ৰ বিভাগৰ পৰা তৰ্ক প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, আকস্মিক বক্তৃতা প্ৰতিযোগিতা, আবৃত্তি (ইংৰাজী/অসমীয়া) প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। এই আটাইবোৰ প্ৰতিযোগিতাত প্ৰতিযোগীৰ সংখ্যা যথেষ্ট আছিল। মই আশা কৰো আগলৈ আৰু অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰি প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত সহায়-সহযোগ আগবঢ়াব।

মোৰ কাৰ্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মহাবিদ্যালয়ৰ অধ্যক্ষ, অধ্যাপক, অধ্যাপিকা সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আৰু বিশেষ ভাবে তৰ্ক আৰু আলোচনা চক্ৰৰ তত্বাৱধায়ক অধ্যাপক সদানন্দ নাথদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। লগতে ছাত্ৰ একতা সভাৰ সদস্য সকলক আৰু বন্ধু-বান্ধৱী বেবী, ৰঞ্জিতা, মীৰা, কামনা, মামণি, ফুলাঞ্জলি, ভবানী, মীনা, ৰিংকু, অৰ্চনা, অনিমা, অপ্সৰা অজন্তা, গণেশ, প্ৰবোধ, খৰ্গেশ্বৰ, সত্যজিৎ, নকুল, নিখিল, বিজু, বাবুল, জয়ন্ত আৰু জয়ন্তক তেওঁলোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত সমূহ ছাত্ৰ ছাত্ৰীৰ ওচৰত মোৰ অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা-মাৰ্জনা বিচাৰি মোৰ প্ৰতিবেদনৰ মুখনি মাৰিলোঁ।।

শ্ৰীপ্ৰশান্ত শৰ্মা
সম্পাদক,
তৰ্ক আৰু আলোচনা চক্ৰ।

# সাধাৰণ সম্পাদকৰ বছৰেকীয়া সম্পাদকীয় প্ৰতিবেদন

প্ৰতিবেদনৰ পাতনিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ কাৰ্য্যনিৰ্বাহক পৰিষদৰ ছাত্ৰ-প্ৰতিনিধি হিচাপে সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ মই আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব গ্ৰহণ কৰাৰ কেইদিনমান পিছতে ৩১-১-৯২ ইং তাৰিখৰ পৰা ৬-২-৯২ ইং তাৰিখলৈ ৭ (সাত) দিনীয়া কাৰ্য্য-সূচীৰে মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ "মহাবিদ্যালয় সপ্তাহ" উদ্‌যাপন কৰা হয়। আৰম্ভণিৰ দিনাখন মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে পতাকা উত্তোলন কৰি এই উৎসৱৰ শুভাৰম্ভ কৰে। উৎসৱৰ দিন কেইটিত কাৰ্য্যক্ৰমণিকা অনুযায়ী বিভিন্ন খেলা-ধূলা, গীত-মাত, কুইজ, নাটক, ভেশচন, আকস্মিক বক্তৃতা আদি প্ৰতি-যোগিতা অনুষ্ঠিত কৰা হয়। শেষৰ দিনাখন অধ্যক্ষৰ সভাপতিত্বত বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। বঁটা-বিতৰণী সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ কুল সচিব ডঃ মহেশ চন্দ্ৰ ভূঞাদেৱে আৰু নিৰ্দিষ্ট বক্তাৰ আসন গ্ৰহণ কৰিছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰে সহঃ কুল সচিব ড° বনমালী নাথদেৱে। তেখেত সকলে বিভিন্ন দিশৰ বিষয়ে আগবঢ়োৱা সাৰুৱা ভাষণে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক অনুপ্ৰাণিত কৰিছিল। এই সুযোগতে ছাত্ৰ ছাত্ৰী সকলৰ হৈ মই তেখেত সকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

অইন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা কৰ্মচাৰী মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ্য নিবেদন কৰা হয়। তদুপৰি মহাপুৰুষ শ্ৰীশংকৰদেৱৰ তিৰোভাৱ তিথিত ভাগৱত পাঠ, নাম-কীৰ্ত্তন আৰু মহাপুৰুষ জনাৰ জীৱনী আৰু কৰ্মৰাজি তথা তেওঁৰ কাব্য প্ৰতিভাৰ বিষয়ে অনুষ্ঠিত আলোচনা চক্ৰ আদি বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়।

বছৰৰ নৱাগত আদৰণী সভাখন জাক-জম-কতাৰে ২৯-৯-৯২ ইং তাৰিখে অনুষ্ঠিত হৈ যায়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। এই সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি গুৱাহাটী বিশ্ব-বিদ্যালয়ৰ ছাত্ৰ-কল্যাণ বিষয়া ড° প্ৰবীণ চন্দ্ৰ দাসদেৱে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰী সকলৰ উদ্দেশ্যে এটা বহুমূলীয়া ভাষণ দিয়ে। এই সুযোগতে মই ছাত্ৰ কল্যাণ বিষয়া ড° দাসদেৱলৈ আন্তৰিক ধন্যবাদ জনাইছোঁ। সভাত উপস্থিত থাকি আমাৰ বিভিন্ন কাৰ্য্যসূচী সমূহ চলাই নিয়াত সহায়-সহযোগিতা আগবঢ়োৱা বাবে স্থানীয় গণ্য-মান্য লোক সকললৈকো আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ এই বছৰৰ "আন্তঃ মহাবিদ্যালয় ফুটবল টুৰ্ণামেণ্ট" গোসাঁই গাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ে যথেষ্ট পাৰদৰ্শিতা দেখুৱাই "চেমী ফাইনেল" খেলাৰ যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হয়। লগতে বিশ্ববিদ্যালয়ত অনুষ্ঠিত "যুৱ-মহোৎসৱ"ৰ বিভিন্ন অনুষ্ঠানতো যথেষ্ট উৎসাহ-উদ্দীপনাৰে বিভিন্ন অনুষ্ঠান পৰিবেশন কৰা হয়। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিনিধিত্বকাৰী খেলুৱৈ তথা শিল্পীলৈকে মোৰ ব্যক্তিগত অভিনন্দন থাকিল আৰু তেওঁলোকৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰিলোঁ।

মই ব্যক্তিগত ভাৱে বৰ দুঃখিত যে মোৰ কাৰ্য্য-কালৰ সময়তে আমাৰ মহাবিদ্যালয়ৰ এই বছৰৰ শ্ৰেষ্ঠ অভিনেতা শ্ৰীদুলাল পাঠক আত্মঘাতী হৈ জগতৰ পৰা বিদায় লয়। মই তেওঁৰ আত্মাৰ চিৰ শান্তি কামনা কৰিছোঁ।

অভাৱ-অভিযোগ—আমাৰ মহাবিদ্যালয়ে 'ৰূপালী জয়ন্তী" বৰ্ষ উদ্‌যাপন কৰি পূৰ্ণ যৌৱন লাভ কৰিছে যদিও, ছাত্ৰ-ছাত্ৰীৰ বৃদ্ধিৰ লগে লগে সমস্যা বৃদ্ধি হৈ আহিছে। এই সমস্যাবোৰৰ ভিতৰত মুখ্য সমস্যাবোৰ উল্লেখ কৰি কৰ্তৃপক্ষৰ দৃষ্টি গোচৰ কৰিলোঁ (১) মহাবিদ্যালয়ৰ প্ৰয়োজনানুসাৰে প্ৰস্ৰাৱাগাৰ তথা শৌচাগাৰ নিৰ্মাণ কৰা (২) এটি স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণ কৰা (৩) কলা শাখাৰ স্নাতক মহলাত সকলো বিষয়তে মেজৰ (প্ৰধান) খোলা। (৪) স্নাতক বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰা (৫) শ্ৰেণী কোঠাৰ বৃদ্ধি কৰা (৬) স্থায়ী ছাত্ৰী-জিৰণি কোঠাৰ ব্যৱস্থা কৰা (৭) ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলৰ প্ৰয়োজনানুসাৰে চাইকেল ষ্টেণ্ডৰ ব্যৱস্থা কৰা (৮) মহাবিদ্যালয়ৰ সৌন্দৰ্য্য বৃদ্ধিৰ বাবে এখনি ফুলনি বাগিচাৰ ব্যৱস্থা কৰা। এই সমস্যাবোৰ কৰ্তৃপক্ষই যদিও একেলগে সমাধান কৰিবলৈ অক্ষম তথাপিও ভৱিষ্যতে এটা এটাকৈ অভাৱবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰিব বুলি আশা থাকিল।

সদৌ শেষত মোক সাধাৰণ সম্পাদক হিচাপে কাৰ্য্যভাৰ চলাই যাওঁতে বিভিন্ন দিশত দিহা পৰামৰ্শ দি উপকৃত কৰা কাৰণে মই মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ ওচৰত চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা সকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জনাইছোঁ। লগতে মোৰ কাৰ্য্যভাৰ চলাই যাওঁতে প্ৰতি পদে পদে সহায় সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয় একতা সভাৰ সহকৰ্মী সকলৰ লগতে বন্ধু লক্ষণ, অক্ষয়, শম্ভু, নকুল, বান্ধৱী বিজু, বনলতা, ডালিমী, উৎপলা, কামনা, মামণি, ফুলাঞ্জলি, অজন্তালৈকো মোৰ আন্তৰিক ধন্যবাদ যাচিছোঁ। তদুপৰি সকলো সময়তে সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক সকললৈকো মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

অৱশেষত, মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ যাচি আৰু সকলোৰে ওচৰত মোৰ জ্ঞাত অজ্ঞাত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

**শ্ৰীখৰ্গেশ্বৰ ৰাভা**
সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা
১৯৯১-৯২ বৰ্ষ

# ১৯৯১-৯২ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহঃ

## খেল-ধেমালি (ল'ৰাৰ)ঃ

**১০০ মিটাৰ দৌৰ ঃ**

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—পূৰ্ণ বড়ো (উঃ মাঃ ২য়)
৩য়—ভোগেশ্বৰ বড়ো (স্নাঃ ১ম)

**২০০ মিটাৰ দৌৰ ঃ**

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—পূৰ্ণ বড়ো (উঃ মাঃ ২য়)
৩য়—ভোগেশ্বৰ বড়ো (স্নাতক ১ম)

**৪০০ মিটাৰ দৌৰ ঃ**

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—ভোগেশ্বৰ বড়ো (স্নাতক ১ম)
৩য়—লীলা বড়ো (উঃ মাঃ ২য়)

**৮০০ মিটাৰ দৌৰ ঃ**

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য়—খৰ্গধৰ কলিতা (উঃ মাঃ ১ম)
৩য়—বিষ্ণু প্ৰসাদ ৰাভা (উঃ মাঃ ১ম)

**১৫০০ মিটাৰ দৌৰ ঃ**

১ম—সঞ্জয় ৰাভা (উঃ মাঃ ২য়)
২য় খৰ্গধৰ কলিতা (উঃ মাঃ ১ম)
৩য়—বিষ্ণু প্ৰসাদ ৰাভা (উঃ মাঃ ১ম)

**চট্‌পুট থ্ৰ' ঃ**

১ম—হীৰেণ ৰাভা (উঃ মাঃ ১ম)
২য়—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
৩য়—নিৰণ খাখলাৰী (উঃ মাঃ ১ম)

**ডিচকাচ থ্ৰ' ঃ**

১ম—প্ৰবোধ বড়ো (স্নাতক ১ম)
২য় ৰঞ্জিত বড়ো (উঃ মাঃ ১ম)
৩য়—হীৰেণ ৰাভা (উঃ মাঃ ১ম)

**জেভেলিন থ্ৰ' ঃ**

১ম—ৰঞ্জিত বড়ো (উঃ মাঃ ১ম)
২য়—উৰেণ বড়ো (উঃ মাঃ ১ম)
৩য়—প্ৰবোধ বড়ো (স্নাতক ১ম)

**লং জাম্প ঃ**

১ম—নিপেন বড়ো (উঃ মাঃ ১ম)
২য় লীলা বড়ো (উঃ মাঃ ২য়)
৩য়—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)

**হাইজাম্প ঃ**

১ম—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)
২য়—ৰবীন্দ্ৰ নাথ (উঃ মাঃ ২য়)
৩য়—দুলাল পাঠক (স্নাতক ২য়)

**পোলভল্ট জাম্প ঃ**

১ম—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
২য়—ৰিন্দাও শ্ৰাং বসুমতাৰী (উঃ মাঃ ১ম)
৩য়—বংশী ঠাকুৰীয়া (উঃ মাঃ ১ম)

**ত্ৰিপুল জাম্প ঃ**

১ম—দ্বিজেন দাস (স্নাতক ২য়)
২য়—আবিদুৰ ৰহমান (উঃ মাঃ ১ম)
৩য়—দুলাল পাঠক (স্নাতক ২য়)

**পাঞ্জা ঃ**

১ম—ৰবীন ৰাভা (উঃ মাঃ ১ম)
২য়—ভবানী প্ৰসাদ বড়ো (উঃ মাঃ ২য়)
৩য়—ডিম্বেশ্বৰ বড়ো (উঃ মাঃ ১ম)

**ভলীবল ঃ**

বিজয়ী দল—উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (খ) শাখা (কলা)

বিজিত দল—স্নাতক প্ৰথম বাৰ্ষিক।

**ক্ৰিকেট ঃ**

বিজয়ী দল—উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক (কলা)

বিজিত দল—উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)

Man of the Match—অশ্বিনী ৰাভা (উঃ মাঃ ১ম)

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ ঃ**

সঞ্জয় ৰাভা (উঃ মাঃ ২য় বাৰ্ষিক)

**খেল-ধেমালি (ছোৱালীৰ) ঃ**

১০০ মিটাৰ দৌৰ :

১ম—সন্ধ্যা কলিতা (উঃ মাঃ ১ম)
২য়—জানকী দেৱী (উঃ মাঃ ১ম)
৩য়—চম্পা দাস (স্নাতক ১ম)

২০০ মিটাৰ দৌৰ :

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—চিত্ৰা ৰাভা (স্নাতক ১ম)
৩য় { সন্ধ্যা কলিতা (উঃ মাঃ ১ম) / জানকী দেৱী (ঐ) }

৪০০ মিটাৰ দৌৰ :

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—সন্ধ্যা কলিতা (উঃ মাঃ ১ম)
৩য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

৮০০ মিটাৰ দৌৰ :

১ম—চিত্ৰা ৰাভা (স্নাতক ১ম)
২য়—নৰ্মদা ৰাভা (উঃ মাঃ ১ম)
৩য়—মেঘালী দাস (উঃ মাঃ ১ম)

**লং জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—চিত্ৰা ৰাভা (স্নাতক ১ম)
৩য়—ৰোমদা ৰাভা (উঃ মাঃ ১ম)

**চট্‌পুট থ্ৰ' ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—জুন্নু ৰাভা (উঃ মাঃ ১ম)
৩য়—চিত্ৰা ৰাভা (স্নাতক ১ম)

**ডিচ্‌কাচ থ্ৰ' ঃ**

১ম—জুন্নু ৰাভা (উঃ মাঃ ১ম)
২য়—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
৩য়—উষা চাংমা (উঃ মাঃ ১ম)

**জেভেলিন থ্ৰ' ঃ**

১ম—বিজুমণি বড়ো (স্নাতক ১ম)
২য়—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
৩য়—জুন্নু ৰাভা (উঃ মাঃ ১ম)

**হাই জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—জুন্নু ৰাভা (উঃ মাঃ ১ম)
৩য় { মেঘালী দাস (উঃ মাঃ ১ম) / চিত্ৰা ৰাভা (স্নাতক ১ম) }

**ট্ৰিপুল জাম্প ঃ**

১ম—অঞ্জলি দৈমাৰী (উঃ মাঃ ২য়)
২য়—জুন্নু ৰাভা (উঃ মাঃ ১ম)
৩য়—মেঘালী দাস (ঐ)

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ ঃ**

মিচ্‌ অঞ্জলি দৈমাৰী।
(উচ্চতৰ মাধ্যমিক দ্বিতীয় বাৰ্ষিক (কলা)।

## ছাত্ৰ জিৰ্ণি কোঠা বিভাগৰ ফলাফল :

**বেডমিণ্টন : ( একক )**

চেম্পিয়ন—প্ৰশান্ত কলিতা ( স্নাতক ২য় )
ৰানাৰ্চ আপ—ৰমেন কলিতা ( উঃ মাঃ ২য় )

**বেডমিণ্টন : ( দ্বৈত )**

চেম্পিয়ন— প্ৰশান্ত কলিতা ( স্নাতক ২য় )
জিতুমণি দাস ( উঃ মাঃ ১ম )
ৰানাৰ্চ আপ—গণেশ বড়ো ( স্নাতক ১ম )
শঙ্কৰ পাঠক ( উঃ মাঃ ২য় )

**কেৰম : ( একক )**

চেম্পিয়ন নিৰঞ্জন মণ্ডল ( স্নাতক ৩য় )
ৰানাৰ্চ আপ—মতিলাল বসুমতাৰী (স্নাঃ ২য়)

**কেৰম : ( দ্বৈত )**

চেম্পিয়ন—প্ৰবোধ বড়ো ( স্নাতক ১ম )
মঃ ৰেজাক আলী ( উঃ মাঃ ২য় )
ৰানাৰ্চ আপ—মতিলাল বসুমতাৰী ( স্নাঃ ১ম)
জগদীশ ৰাভা ( উঃ মাঃ ১ম )

**ডবা :**

চেম্পিয়ন— বিষ্ণু দাস ( স্নাতক ৩য় )
ৰানাৰ্চ আপ—খৰ্গেশ্বৰ ৰাভা ( স্নাতক ১ম )

## তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ ফলাফল :

**তৰ্ক প্ৰতিযোগিতা :**

১ম—ধনঞ্জয় তালুকদাৰ ( স্নাতক ৩য় )
২য়—মিচ্ অপ্সৰা ৰায়ন ( স্নাতক ১ম )
৩য়— দিগন্ত ৰাভা ( স্নাতক ১ম )

**অসমীয়া কবিতা আবৃত্তি :**

১ম—আবিদুৰ ৰহমান ( উঃ মাঃ ১ম )
২য় মিচ্ চম্পা দাস ( স্নাতক ১ম )
৩য়—দুলাল পাঠক ( স্নাতক ২য় )

**ইংৰাজী কবিতা আবৃত্তি :**

১ম—মিচ্ চম্পা দাস ( স্নাতক ১ম )
২য়—মিচ্ জ্যোতিকণা দেৱী ( উঃ মাঃ ২য় )
৩য়—নীলিম দত্ত ( উঃ মাঃ ২য় )

**আকস্মিক বক্তৃতা :**

১ম—নীলিম দত্ত ( উঃ মাঃ ১য় )
২য়—দুলাল পাঠক ( স্নাতক ২য় )
৩য়—ধনঞ্জয় তালুকদাৰ ( স্নাতক ৩য় )

**কুইজ প্ৰতিযোগিতা :**

১ম দল—ৰাজীব ৰাভা ( উঃ মাঃ ২য় )
হেমন্ত দাস ( ঐ )
মেদিনী ৰাভা ( ঐ )
প্ৰণৱ ৰাভা ( ঐ )
২য় দল—মৃণাল পাটোৱাৰী ( উঃ মাঃ ২য় )
নীলিম দত্ত ( ঐ )
সুৰজিৎ কাকতি ( ঐ )
নৰেণ ঠাকুৰীয়া ( ঐ )
২য় দল—খৰ্গেশ্বৰ ৰাভা ( স্নাতক ১ম )
লক্ষ্মণ ৰাভা ( স্নাতক ২য় )
দুলাল দাস ( স্নাতক ২য় )
খনিন্দ্ৰ ৰাভা ( উঃ মাঃ ২য় )
৩য় দল—মিচ্ মুন কলিতা ( উঃ মাঃ ১ম )
মিচ্ মণি নাথ ( ঐ )
মিচ্ শিখা ৰাভা ( ঐ )
মঃ নুৰুল ইছলাম ( ঐ )

## সাংস্কৃতিক বিভাগৰ ফলাফল :

**বৰগীত :**

১ম—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
২য়—মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )
৩য়—ৰঘুনাথ দাস ( উঃ মাঃ ২য় )

**লোকগীত ঃ**

১ম - মিচ্ মীৰা ভৰাঙ্গী ( স্নাতক ১ম )
২য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—ভূপেন দত্ত ( উঃ মাঃ ২য় )

**ভজন ঃ**

১ম মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )
২য়—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
৩য়—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )

**জ্যোতি সংগীত ঃ**

১ম—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়— মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
৩য়—মিচ্ উৎপলা দাস ( স্নাতক ১ম )

**বনগীত ঃ**

১ম—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
২য় মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
৩য় - প্ৰদীপ কলিতা ( স্নাতক ১ম )

**খেয়াল ঃ**

১ম—মিচ পদুমী পাঠক ( স্নাতক ২য় )
২য়—মিচ্ উৎপলা ৰাভা ( স্নাতক ১ম )
৩য়—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )

**বিহুগীত ঃ**

১ম—সুৰেশ দাস ( উঃ মাঃ ২য় )
২য়—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )
৩য়—আদিত্য দাস ( উঃ মাঃ ২য় )

**বিষ্ণুৰাভা সংগীত ঃ**

১ম—প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
৩য় —মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
মিচ্ মীৰা ভৰালী ( স্নাতক ১ম )

**ভূপেন্দ্ৰ সংগীত ঃ**

১ম— প্ৰদীপ ঠাকুৰীয়া ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
মিচ্ পদুমী পাঠক ( স্নাতক ২য় )

**বড়ো গীত ঃ**

১ম—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ কলিতা (স্নাতক ১ম )
প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
মিচ্ ভানুমতী বড়ো ( উঃ মাঃ ১ম )

**ৰাভা গীত ঃ**

১ম—মিচ্ শিখা ৰাভা ( উঃ মাঃ ১ম )
নিৰণ খাখলাৰী ( উঃ মাঃ ১ম )
২য়—প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়—মিচ্ উৎপলা দাস ( স্নাতক ১ম )
মিচ্ পদুমী পাঠক ( স্নাতক ২য় )

**গজল ঃ**

১ম—তিলক দাস ( স্নাতক ১ম )
২য়—মিচ মীৰা ভৰালী ( স্নাতক ১ম )
প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—মিচ্ পদুমী পাঠক ( স্নাতক ২য় )

**আধুনিক গীত ঃ**

১ম—প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য়—মিচ্ মীৰা ভৰালী ( স্নাতক ২য় )
মিচ্ পদুমী পাঠক ( স্নাতক ২য় )
৩য়—কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )
তিলক দাস ( স্নাতক ১ম )

**বিয়ানাম ঃ**

১ম— মিচ্ পদুমী পাঠক ( স্নাতক ২য় )

২য় - মিচ লিপিকা দেৱী ( স্নাতক ২য় )
৩য় — মিচ মীৰা ভবালী ( স্নাতক ১ম )
প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )

**জিকিৰ ঃ**

১ম - মিচ পদুমী পাঠক ( স্নাতক ২য় )
২য় - মিচ মীৰা ভবালী ( স্নাতক ১ম )
৩য়—প্ৰদীপ কলিতা ( স্নাতক ১ম )

**দলীয় বিয়া নাম ঃ**

১ম প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
২য় - প্ৰদীপ কলিতা ( স্নাতক ১ম )
৩য়—শংকৰ কলিতা ( স্নাতক ২য় )

**কৌতুক ঃ**

১ম--ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
২য়— দেৱজিৎ দাস ( উঃ মাঃ ২য় )
৩য় ভোগীৰথ দাস ( স্নাতক ২য় )

**একক অভিনয় ঃ**

১ম—প্ৰদীপ কলিতা ( স্নাতক ১ম )
২য় - ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
৩য়— মিচ মেঘালী দাস ( উঃ মাঃ ১ম )

**মূকাভিনয় ঃ**

১ম—ভূদেৱ অধিকাৰী ( উঃ মাঃ ২য় )
২য় — ভোগীৰাথ দাস ( স্নাতক ২য় )
৩য় —পৰেশ চন্দ্ৰ ৰাভা ( স্নাতক ১ম )

**বাতৰি পঢ়া ঃ**

১ম —মিচ চম্পা দাস ( স্নাতক ১ম )
২য়—নীলিম দত্ত ( উঃ মাঃ ২য় )
৩য়—প্ৰণৱ বৈশ্য ( উঃ মাঃ ১ম )

**আধুনিক নৃত্য ঃ**

১ম— মিচ ভবানী মহন্ত ( স্নাতক ১ম )
২য়—মিচ ডালিমী গোস্বামী ( স্নাতক ১ম )
৩য়—প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )

**একক বিহু নৃত্য ঃ**

১ম— মিচ প্ৰণীতা দাস ( স্নাতক ২য় )
২য়— প্ৰদীপ বড়ো ( উঃ মাঃ ২য় )
৩য়— মিচ ডালিমী গোস্বামী ( স্নাতক ১ম )

**যন্ত্ৰ সংগীত ঃ**

১ম— নয়ন কলিতা ( উঃ মাঃ ২য় )
২য়— চন্দন ঠাকুৰীয়া ( স্নাতক ১ম )
৩য়—কৰ্মেশ্বৰ বড়ো ( উঃ মাঃ ২য় )

**ভেশচন ঃ**

১ম—প্ৰশান্ত শৰ্মা ( স্নাতক ১ম )
২য়—প্ৰবীণ কলিতা ( স্নাতক ২য় )
৩য়—মিচ দেৱলা মহন্ত ( স্নাতক ২য় )
মিচ তুলিকা বড়ো ( উঃ মাঃ ১ম )

**একাংক নাট প্ৰতিযোগিতাৰ ফলাফল ঃ**

শ্ৰেষ্ঠ নাটক—'সংঘাত কবৰ'
শ্ৰেষ্ঠ অভিনেতা— দুলাল পাঠক (উঃ মাঃ ২য়)
শ্ৰেষ্ঠ অভিনেত্ৰী - মীৰা কুমাৰী (স্নাতক ১ম)
—মেঘালী দাস (উঃ মাঃ ১ম)

**বছৰৰ সৰ্বশ্ৰেষ্ঠ সংগীত প্ৰতিযোগী ঃ**

মিচ পদুমী পাঠক ( স্নাতক ২য় বাৰ্ষিক )

**ছাত্ৰী জিৰণি কোঠা বিভাগৰ ফলাফল ঃ**

**কেৰম ঃ ( একক )**

চেম্পিয়ন— মিচ তুলুমণি কলিতা (উঃ মাঃ ১ম)
ৰানাৰ্চ আপ মিচ মণি নাথ (উঃ মাঃ ১ম)

**কেৰম ঃ ( দ্বৈত )**

চেম্পিয়ন— মিচ সন্মতি স্বৰ্গীয়াৰী (উঃ মাঃ ১ম)
মিচ নীলম কলিতা (উঃ মাঃ ১ম)
ৰাণাৰ্চ আপ - মিচ ভবানী মহন্ত (স্নাতক ১ম)
মিচ চম্পা দাস (স্নাতক ১ম)

**বেডমিণ্টন ঃ ( একক )**

চেম্পিয়ন — মিচ দীপাঞ্জলি কলিতা ( স্নাঃ ২য় )
ৰানাৰ্চ আপ - মিচ মণি নাথ ( উঃ মাঃ ১ম )

অসমকে আকৌ জাতি-ভাষাৰ অজুহাতত খণ্ড-বিখণ্ড কৰিবলৈ উঠি পৰি লাগিছে। ইয়াৰ ফলস্বৰূপে অদূৰ ভৱিষ্যতত আমি যে নিশকতীয়া হ'ম—ই সুস্পষ্ট। মন কৰিবলগীয়া এয়ে যে পৰাধীন ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰিছিল একমাত্র তেওঁলোকৰ মাজত থকা ঐক্যৰ বাবে। সেয়েহে এনে শক্তিৰ বিৰুদ্ধে জাতি-বৰ্ণ নিৰ্বিশেষে আমি সকলোৱে থিয় হোৱা অতি প্ৰয়োজন।

আজিৰ ছাত্র সমাজে এক সূক্ষ্ম চিন্তাশক্তি আৰু গঠনমূলক দৃষ্টিভংগীৰে ভাঙনমুখী সমাজক একতাৰ ডোলেৰে বান্ধি প্ৰগতিৰ পথলৈ আগ বঢ়াই লৈ যোৱাৰ সময় আহি পৰিছে। সমাজ তথা দেশৰ অকল্যাণ বা ধ্বংস আনিব পৰা যি কোনো শক্তিক প্ৰতিহত কৰিবলৈ তেওঁলোক প্ৰস্তুত থাকিব লাগিব। ইয়াৰ বাবে তেওঁলোকৰ লাগিব একতা, আন্তৰিকতা, একাগ্ৰতা, ন্যায়প্ৰতিষ্ঠা আৰু সমাজ বা দেশৰ মঙ্গল আনিব পৰা মনোভাব। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ত বিভিন্ন জন-গোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীৰ সমাবেশ ঘটা সত্ত্বেও তেওঁলোকৰ মিলা-প্ৰীতি বা মৈত্ৰীভাৱ সঁচাকৈয়ে প্ৰশংসনীয়। ভৱিষ্যতলৈ এই মৈত্ৰী ভাব ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অক্ষুণ্ণ থাকক ই আমাৰ কামনা।

বিগত কালছোৱাত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে আমাৰ মহান অনুষ্ঠানটিলৈ সেৱা আগবঢ়োৱাত মই কিমান দূৰ সফলতা অৰ্জন কৰিছোঁ সেইটো আপোনালোকৰ বিচাৰ্য্য। কিন্তু এই কালছোৱাত মোৰ কাৰ্যৰ খতিয়ান এটি অকপটে দাঙি ধৰিছোঁ।

উল্লেখনীয় যে শিক্ষাৰ্থীসকলৰ প্ৰতিভা আৰু দক্ষতাৰ বিকাশৰ সুবিধা দিয়াৰ উদ্দেশ্যে প্ৰতি-বছৰে 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। মোৰ কাৰ্যকালছোৱাতো এই মহৎ উদ্দেশ্য আগত ৰাখি ৫-১-৯৪ ইং তাৰিখৰ পৰা ১২-১-৯৪ ইং তাৰিখলৈ মহাবিদ্যালয়ত আকৰ্ষণীয় কাৰ্য্য-সূচীৰে 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰা হয়। কাৰ্য্য-সূচী অনুসৰি প্ৰথমদিনা পতাকা উত্তোলনেৰে মহাবিদ্যালয়ৰ এই বাৰ্ষিক উৎসৱৰ শুভাৰম্ভ কৰে অধ্যক্ষ তথা একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে। শেষৰ দিনা মাননীয় অধ্যক্ষৰ সভাপতিত্বত বঁটা বিতৰণী সভাৰে উৎসৱৰ সামৰণি মৰা হয়। উক্ত সভাত প্ৰাক্তন সংসদ সদস্য শ্ৰীযুত অজিত কুমাৰ শৰ্মা আৰু কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা শ্ৰীযুত ভুৱনেশ্বৰী বৈশ্যই ক্ৰমে মুখ্য অতিথি আৰু বিশিষ্ট অতিথিৰ আসন অলঙ্কৃত কৰে। তেওঁলোকৰ সাৰুৱা ভাষণে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰে। এই ছেগতে সমূহ ছাত্ৰ-ছাত্ৰীৰ হৈ মই তেখেতসকললৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আন আন বছৰৰ দৰে এই বেলিও মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দই মিলি বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী আই বীণাপাণিৰ শ্ৰীচৰণত পুষ্পাৰ্ঘ্য নিবেদন কৰে। তদুপৰি মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ তিৰোভাৱ তিথিত ভাগৱত পাঠৰ লগতে বিভিন্ন কাৰ্য্য-সূচী পালন কৰা হয়। উক্ত তিথিত

আমাৰ নিমন্ত্ৰণ গ্ৰহণ কৰি কাৰ্য্য-সূচী অনুসৰি ভাগৱত পাঠ কৰি আমাক কৃতাৰ্থ কৰা বাবে মাননীয় শ্ৰীযুত দয়াল চৌধুৰীদেৱলৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। ইয়াৰ পিছত বিভিন্ন কাৰ্য্য-সূচীৰে হজৰত মহম্মদৰ জন্মতিথি 'ফাতেহা-ই-দোৱাজ দাহাম' মহাবিদ্যালয়ত পালন কৰা হয়।

এইবেলিও মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ উদ্যোগত শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজাৰ আয়োজন কৰা হয়। এই পূজা সমাপন কৰা কাৰ্যত বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ সহায়-সহযোগ মই আন্তৰিকতাৰে শলাগিছোঁ।

উল্লেখযোগ্য যে ১৯৯৪-৯৫ ইং শিক্ষা বৰ্ষত আমাৰ মহাবিদ্যালয়লৈ অহা নবীন ছাত্ৰ-ছাত্ৰী-সকলক আনুষ্ঠানিকভাবে আদৰণি জনাবলৈ যোৱা ৭-১০-৯৪ ইং তাৰিখে নৱাগত আদৰণি সভা বৰ উলহ-মালহেৰে পতা হয়। দিন জোৰা কাৰ্য্য সূচীৰে অনুষ্ঠিত হোৱা এই সভাৰ দিনাও কটন মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপিকা শ্ৰীযুতা ভুৱনেশ্বৰী বৈশ্য মহোদয়াই তেখেতৰ পিতৃ ৺কল্পনাৰায়ণ মজুমদাৰৰ স্মৃতিত দান দিয়া ৺কল্পনাৰায়ণ মজুমদাৰ নৃত্য ভৱন'টিৰ শুভ উদ্বোধন কৰা হয়। উক্ত ভৱন উদ্বোধন কৰে প্ৰফেচৰ এমেৰিটাছ মাননীয় শ্ৰীযুত মাধৱ চন্দ্ৰ গোস্বামীদেৱে। মহাবিদ্যালয়লৈ উক্ত ভৱনটি দান কৰি ছাত্ৰ-ছাত্ৰীসকলৰ মহৎ উপকাৰ সাধন কৰা বাবে মাননীয়া ভুৱনেশ্বৰী বাইদেউৰ ওচৰত আমি চিৰকৃতজ্ঞ। মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত মুখ্য অতিথিৰ আসন গ্ৰহণ কৰি তেখেতৰ বহুমূলীয়া ভাষণেৰে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰা বাবে মাননীয় ড° কুলেন্দু পাঠক মহোদয়লৈ আমাৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। সভাৰ বিশিষ্ট অতিথি হিচাপে নিমন্ত্ৰিত শ্ৰীযুত ঈন্দ্ৰ বণিয়াই উপস্থিত থকাৰ প্ৰতিশ্ৰুতি দিও উপস্থিত নথকাত আমি অতি দুঃখিত। যি হওক আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি সভাত উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰা প্ৰতিশ্ৰুতিবাকী সদাশয় ব্যক্তিলৈ আমাৰ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ইয়াৰোপৰি বিভিন্ন সময়ত খ্যাতনামা ব্যক্তি সকলৰ মৃত্যুত শোক সভা পতা হয় আৰু বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনোৱা হয়। এই খিনিতে উল্লেখ কৰিব পাৰি যে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক স্মাৰক পত্ৰৰ জৰিয়তে জনোৱা দাবী মৰ্মে ২৬-১১-৯৪ ইং তাৰিখে বহা একতা সভাৰ কাৰ্য-নিৰ্বাহক সভাত একতা সভাৰ সংবিধানখনৰ দশম অনুচ্ছেদটো সংশোধন কৰা হয়।

**অভাৱ-অভিযোগ**—আমাৰ মহাবিদ্যালয়ত কৈ শেষ কৰিব নোৱাৰা অভাৱ আছে যদিও সততে দৃষ্টি আকৰ্ষণ কৰিব পৰা অভাৱ-সমূহক বিভিন্ন সভাৰ জৰিয়তে কৰ্তৃপক্ষৰ কৰ্ণ গোচৰ কৰাৰ উপৰিও এখন স্মাৰক পত্ৰৰ জৰিয়তে সেই অভাৱসমূহ দূৰ কৰিবলৈ দাবী জনোৱা হৈছিল। কিন্তু ছাত্ৰ-ছাত্ৰীসকলে আজিও নানা

অভাৱৰ মাজত থাকি শিক্ষা জীৱন অতিবাহিত কৰিবলগীয়া হোৱাটো অকল পৰিতাপৰ বিষয় নহয়, দুৰ্ভাগ্যজনকো। এই প্ৰতিবেদনত মুখ্য অভাৱ কেইটামান সংক্ষেপে তলত উল্লেখ কৰা হ'ল—

১। শ্ৰেণী কোঠাৰ অভাৱ, ২। বিজ্ঞান শাখাত বিজুলীৰ অভাৱ, ৩। জিৰণি কোঠাৰ অভাৱ, ৪। পুথিভঁৰালত পঢ়া কোঠাৰ অভাৱ, ৫। প্ৰয়োজন অনুসৰি 'প্ৰধান বিষয়' (Major subjects) যথেষ্ট নোহোৱা, ৬। প্ৰেক্ষাগৃহৰ অভাৱ, ৭। উপযুক্ত চাইকেল আস্থান আৰু মহাবিদ্যালয়ৰ সৌন্দৰ্য বৰ্দ্ধনকাৰী এখন গেট্।

এই সুযোগতে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যে উপৰোক্ত অভাৱসমূহ সহানুভূতিশীল মনোভাৱেৰে দূৰ কৰিবলৈ চেষ্টা কৰে যেন। লগতে ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ বিনম্ৰ অনুৰোধ এয়ে যে উক্ত অভাৱসমূহ দূৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকে যেন কৰ্তৃপক্ষক বিভিন্ন দিশত পাৰ্যমানে সহায়-সহযোগ আগবঢ়ায়।

সদৌ শেষত মোৰ কাৰ্যকালছোৱাত বিভিন্ন দিশত মোক দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু অধ্যাপক-অধ্যাপিকাৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে ছাত্ৰ একতা সভাৰ সতীৰ্থসকল প্ৰমুখ্যে ছাত্ৰবন্ধু লোহিত, পংকজ, সত্যজিৎ, দেৱজিৎ, অমিতাভ, গোবৰ্দ্ধন, কন্দৰ্প, বিজয়, নয়ন, জয়, মিজানুৰ, সঞ্জীৱ আৰু ছাত্ৰী বান্ধৱী, শিপ্ৰী, অনিতা, নিজৰা, কৃষ্ণা, জুনুমণি, বৰ্ণালী, ৰবী, মণি, হীৰা, দীপাঞ্জলি, অৰুণ, ৰাস্না, ছায়া, মাহী আৰু মামণিলৈ মোৰ কাম-কাজত সহায়-সহযোগ আগবঢ়োৱা বাবে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আনহাতে সকলো সময়তে সহায়-সহযোগ আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়কসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

সামৰণিত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি আৰু সকলোৰে ওচৰত মোৰ কাৰ্যকালছোৱাত জ্ঞাত-অজ্ঞাত ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলোঁ।

এম. আবিদুৰ ৰহমান
সাধাৰণ সম্পাদক,
ছাত্ৰ একতা সভা, ১৯৯৩-৯৪ ইং চন

—:☆:—



# সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক বিপুল ভোটত জয়যুক্ত কৰি সাংস্কৃতিক সম্পাদকৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা বাবে সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

কৃষ্টি-সংস্কৃতি হ'ল জাতি এটাৰ প্ৰাণ। ইয়াৰ অবিহনে কোনো জাতি জীয়াই থকা অসম্ভৱ। ইয়াৰ জৰিয়তে এটা জাতিৰ পৰিচয় পাব পাৰি। মুঠতে নৃত্য-গীত, সুকুমাৰ কলা আদি জাতি এটাৰ স্বাক্ষৰবহনকাৰী প্ৰতীক। এই নৃত্য-গীত, সুকুমাৰ কলা আদিৰ চৰ্চাই জাতিটোৰ অতীত কীৰ্তি উপলব্ধিত সহায় কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে নিজৰ কৃষ্টি-সংস্কৃতিৰ প্ৰতি সচেতন হোৱা আৱশ্যক। অধ্যয়নৰ যোগেদি জ্ঞান অৰ্জন কৰাৰ উপৰিও তেওঁলোকে নৃত্য-গীত আদি চৰ্চা কৰা উচিত। নৃত্য-গীত আদি চৰ্চাৰ জৰিয়তে তেওঁলোকে তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ লাভ কৰাৰ সুবিধা গ্ৰহণ কৰাৰ উপৰিও জীৱনত আত্ম প্ৰতিষ্ঠা লাভ কৰিব পাৰে। এই উদ্দেশ্যে তেওঁলোকে নিয়মিতভাৱে সঙ্গীত চৰ্চা কৰা দৰকাৰ।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত হৈছিল। 'মহাবিদ্যালয় সপ্তাহ'ত সাংস্কৃতিক বিভাগৰ ফালৰ পৰা গীত-মাত আদিৰ বিভিন্ন প্ৰতিযোগিতা পতা হয়। তিনিদিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত প্ৰতিযোগিতা সমূহত যথেষ্টসংখ্যক প্ৰতিযোগীৰ উৎসাহজনক স'হাৰিয়ে প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। এই খিনিতে প্ৰতিযোগীসকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে আমাৰ নিমন্ত্ৰণ ৰক্ষা কৰি বিচাৰক মণ্ডলীয়ে আমাৰ কাৰ্যসূচী চলাই নিয়াত সহায় কৰা বাবে তেওঁ-লোকলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয়ত ২০ আগষ্ট তাৰিখে ফাতেহা-ই দোৱাজ-দাহম' বিভিন্ন কাৰ্য্যসূচীৰে পালন কৰা হয়। আনহাতে আমাৰ বিভাগৰ ফালৰ পৰাও মহাবিদ্যালয়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন উপলক্ষে শঙ্কৰদেৱৰ গুণানুকীৰ্তনৰ লগতে বৰগীত,

লোকগীত আৰু গজল প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

আন আন বছৰৰ দৰে মোৰ কাৰ্যকালছোৱাতো গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ে যোগদান কৰে। সাংস্কৃতিক বিষয়ৰ অন্তৰ্ভুক্ত বিভিন্ন কাৰ্যসূচীত আমাৰ দলে অংশগ্ৰহণ কৰে। প্ৰতিযোগিতা-সমূহত আমি কোনো স্থান লাভ কৰিব নোৱাৰিলেও সকলোৰে প্ৰশংসা পাবলৈ সক্ষম হওঁ।

সাংস্কৃতিক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই মই বিভিন্ন অভাৱ-অভিযোগৰ সন্মুখীন হ'ব লগা হয়। এইবেলি দুবিধ বাদ্যযন্ত্ৰ মেণ্ডলিন আৰু ঢুলকী লোৱা হয় যদিও উক্ত বাদ্যযন্ত্ৰখিনিৰ লগতে উন্নত মানৰ গীতাৰ, মাৰ্কাচ আদি থকা অতি প্ৰয়োজন। আনহাতে সাংস্কৃতিক বিভাগৰ গীত-মাত আদিৰ অনুশীলনৰ বাবে এটা অছুতীয়া কোঠাৰ আৱশ্যক। তদুপৰি মহাবিদ্যালয়ৰ সাংস্কৃতিক অনুষ্ঠান সমূহ পৰিবেশন কৰিবলৈ এটা প্ৰেক্ষাগৃহৰ অভাৱ। আশাকৰোঁ, পৰৱৰ্ত্তী কালৰ সম্পাদকসকলে এই অভাৱ সমূহ আঁতৰ কৰাৰ দিশত মনোযোগ দিব।

সাংস্কৃতিক বিভাগৰ সম্পাদকৰূপে কামসমূহ চলাই নিয়াৰ বিভিন্ন দিশত দিহা-পৰামৰ্শ দি মোক সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ, মোৰ চিৰ নমস্য মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ, তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত দিলীপ কুমাৰ দাস আৰু অধ্যাপক মাননীয় শ্ৰীযুত প্ৰাণেশ্বৰ নাথলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ত্ততে মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা বাবে জগত, বেদান্ত, প্ৰদীপ, বিপুল, লোহিত, শেখৰ, পংকজ, কন্দৰ্প, দেৱজিৎ, হীৰামণি, নিজৰা, কৃষ্ণা, বৰ্ণালী, কামিনী, তাহিৰা, হীৰা দেৱী আদি বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰিলোঁ।

**শ্ৰীবদন দাস**
সম্পাদক, সাংস্কৃতিক বিভাগ।

—:✯:—



# ক্ৰীড়া বিভাগৰ

## সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে মোক মনোনীত কৰা বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

বৰ্তমান যুগত খেলৰ গুৰুত্ব বৰ বেছি। খেল কেৱল আনন্দৰ বাবেই নহয়,—ইয়াক শিক্ষাৰ এটি অংগ বুলিবও পাৰি। কোৱা বাহুল্য যে শিক্ষা আহৰণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক আৰু মানসিক সুস্থতাৰ অতি প্ৰয়োজন। খেলা-ধূলাই এই শাৰীৰিক আৰু মানসিক সুস্থতা অনাত যথেষ্ট অৰিহণা যোগায়। আনহাতে খেলৰ জৰিয়তে শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে মানসিক উৎকৰ্ষ সাধনো হয়। তদুপৰি খেল-ধেমালিয়ে বিভিন্ন জাতি বা গোষ্ঠীৰ খেলুৱৈৰ মাজত মিলা-প্ৰীতিৰ ভাব আৰু শৃঙ্খলা বজাই ৰখাত সহায় কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যক্ৰমৰ মাজত নিজক আৱদ্ধ কৰি নাৰাখি বিভিন্ন খেল-ধেমালিত অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱা উচিত। আশাকৰোঁ, ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিত সক্ৰিয় অংশ গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুওৱাৰ উপৰিও নিজক প্ৰতিষ্ঠা কৰাৰ সুযোগকণ গ্ৰহণ কৰিব।

আন আন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ' বিভিন্ন কাৰ্যসূচীৰে পালন কৰা হয়। একতা সভাৰ ক্ৰীড়া বিভাগৰ দ্বাৰাও বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয়। খেল পথাৰত খেলুৱৈৰ সংখ্যা সন্তোষজনক নাছিল যদিও উপস্থিত থকা খেলুৱৈকে ধৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছিল। স্বীকাৰ্য যে খেলুৱৈসকলে খেলৰ প্ৰতিযোগিতা সমূহত স্বকীয় প্ৰতিভা দেখুৱাব পাৰিছে। মহাবিদ্যালয়ত খেলৰ বাবে প্ৰয়োজনীয় সা-সুবিধা নথকা সত্বেও খেলত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলে নিজৰ যোগ্যতা দেখুৱাবলৈ সমৰ্থ হৈছে। ভৱিষ্যতে অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ পালে জিলা তথা ৰাজ্যিক পৰ্যায়ত খেলিব পৰা খেলুৱৈ আমাৰ মাজৰ পৰা ওলাব বুলি আশা কৰিব পাৰি।

এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আন্তঃ মহাবিদ্যালয় ক্ৰিকেট, ফুটবল আৰু ভলীবল

আৰু ভলীবল টুৰ্ণামেণ্ট অনুষ্ঠিত হৈছিল যদিও বাতৰি কাকতত কিছু ভুলকৈ প্ৰকাশ হোৱাৰ বাবে ক্ৰিকেট প্ৰতিযোগিতাত আমাৰ মহা-বিদ্যালয়ে যেগদান কৰিব নোৱাৰিলে। আনহাতে ফুটবল আৰু ভলীবলৰ ক্ষেত্ৰত আমাৰ মহা-বিদ্যালয়ৰ সুদক্ষ খেলুৱৈৰ সংখ্যা সীমিত হোৱা হেতুকে যোগদান কৰিব পৰা নহ'ল।

মোৰ কাৰ্য্যকালত বিভাগীয় সম্পাদকৰ অভিজ্ঞতাৰ পৰা মই কওঁ যে "মহাবিদ্যালয় সপ্তাহ'ৰ দিন কেইটাৰ বাহিৰে আন দিনবোৰত ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালিৰ চৰ্চা নকৰে বা তাৰ সুবিধাকণ পোৱা নাই। মই আশা কৰোঁ যে ভৱিষ্যতে খেলৰ যথোচিত সুবিধা বৃদ্ধি পাব আৰু পৰৱৰ্তী সম্পাদকসকলেও এই দিশত মনোযোগ দিব।

মোৰ কাৰ্যকালছোৱাত মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ আৰু সহায়-সহানুভূতি আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু খেল বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় শ্ৰীযুত মদন চন্দ্ৰ কাকতিদেৱলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ইয়াৰ উপৰি শিক্ষাগুৰু মাননীয় অৰুণী কুমাৰ দাস, দ্বিজেন দাস, দিলীপ দাস আৰু মাননীয়া বিজয়া ডেকালৈ মোৰ পৰম শ্ৰদ্ধা ভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সকলো সময়তে পদে পদে সহায়-সহযোগ আগ-বঢ়োৱা বাবে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সকলো সদস্যৰ উপৰিও শ্ৰীপংকজ মহন্ত, বিজয় ছেত্ৰী, বেদান্ত ডেকা, গোলাপ দাস, খৰ্গেশ্বৰ ৰাভা, ৰঞ্জিত বড়ো আৰু হামিদ আলীলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।

সদৌ শেষত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ ধন্যবাদ জ্ঞাপন কৰি আৰু সকলোৰে ওচৰত অনিচ্ছাকৃতভাবে কৰা কিবা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি আৰু লগতে জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ দীৰ্ঘদিনীয়া উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীবিষ্ণু পড়োৱাল ছেত্ৰী**
সম্পাদক, ক্ৰীড়া বিভাগ,
১৯৯৩-৯৪ চন।

# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ বাবে ছাত্ৰ একতা সভাৰ নিৰ্বাচনত 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদকৰ পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিব খোজা সকলো প্ৰাৰ্থীৰে মনোনয়ন পত্ৰসমূহ নাকচ হোৱাত উক্ত পদটিৰ বাবে নিৰ্বাচন নহয়। গতিকে নৱ গঠিত কাৰ্যকৰী সমিতিৰ প্ৰথমখন বৈঠকতে মোক উক্ত পদটিৰ বাবে মনোনীত কৰা হয়। এই ছেগতে 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰ সম্পাদক হিচাপে মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ মোক দিয়া বাবে সাধাৰণ সম্পাদক প্ৰমুখ্যে একতা সভাৰ সমূহ সদস্য-সদস্যালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

কোনোবা এজন পণ্ডিতে কৈছিল যে সাক্ষৰতা আৱশ্যকীয়, কিন্তু শিক্ষাৰ লগত যদি জ্ঞানৰ সংযোগ নাথাকে তেন্তে তেনে শিক্ষা অভিশাপ স্বৰূপহে হয়। সেয়ে অকল শিক্ষানুষ্ঠান এখনৰ ঠেক গণ্ডিৰ মাজত অৰ্জন কৰা পুথিগত জ্ঞানেৰে আজিৰ এই গতিশীল জগতত সফলতাৰে আগবাঢ়িব পৰা নাযায়। সেয়ে সকলো পিনেদি নিজক সু-শিক্ষিত কৰি গঢ়ি তুলিব লাগিলে ছাত্ৰ-ছাত্ৰীসকলে পুথিগত বিদ্যাৰ উপৰিও জ্ঞান আহৰণৰ আন দিশতো সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিব। তেতিয়াহে শিক্ষাৰ পূৰ্ণাঙ্গপ্ৰাপ্ত হোৱা বুলি ক'ব পাৰি আৰু ভৱিষ্যতে তেওঁলোকে নিজক সু-নাগৰিক কৰি গঢ়ি তুলিব পাৰিব আৰু প্ৰয়োজন হ'লে দেশৰ নেতৃত্বও বহন কৰিব পাৰিব।

স্বীকাৰ্য যে বৰ্ত্তমান যুগত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন দিশত দ্ৰুত পৰিৱৰ্তনে দেখা দিছে। ফলস্বৰূপে সামাজিক পৰিৱেশো বৰ জটিল হৈ পৰিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত শিক্ষা আহৰণ কৰি সমাজত নিজক প্ৰতিষ্ঠা কৰা বৰ টান যদিও মনোবল, একাগ্ৰতা, অধ্যয়ন, কৰ্তব্যপৰায়ণতা আদি সদগুণেৰে নিজ উদ্দেশ্য সাধনৰ পথত আগবাঢ়িলে সফলতা অৰ্জন কৰিব পাৰিব। কোৱা বাহুল্য যে আমাৰ প্ৰত্যেকৰে এক বিশেষ গুণ বা স্বকীয় প্ৰতিভা নথকা নহয়। কিন্তু সুযোগ আৰু অনুশীলনৰ অভাৱত আমাৰ সুপ্ত প্ৰতিভা বিকাশ লাভ কৰিব নোৱাৰে। সেয়ে প্ৰত্যেকৰে প্ৰতিভা বিকাশ লাভ কৰোৱাত সুবিধা আগবঢ়োৱা হয় মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাসমূহৰ যোগেদি। ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন দিশত নিজ নিজ পাৰদৰ্শিতা

দেখুৱাবলৈ প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰি সুযোগ ল'ব লাগে। আশাকৰোঁ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে এনে সুযোগ ল'বলৈ সদায় যত্নপৰ হ'ব।

মহাবিদ্যালয় সপ্তাহত আমাৰ 'তৰ্ক আৰু আলোচনা চক্ৰ' বিভাগৰদ্বাৰা তৰ্ক, আকস্মিক বক্তৃতা, ইংৰাজী কবিতা আবৃত্তি, অসমীয়া কবিতা আবৃত্তি, বক্তৃতা, কুইজ আদি বিভিন্ন বিষয়ত এলানি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অপ্ৰিয় সত্য হলেও কব লাগিব যে আমাৰ মহাবিদ্যালয়ত প্ৰতিযোগীৰ সংখ্যা সিমান সন্তোষজনক নহয়। ভৱিষ্যতে উক্ত প্ৰতিযোগিতাসমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব বুলি আশা কৰোঁ। মনত ৰখা প্ৰয়োজন যে পুৰস্কাৰ পোৱাতকৈ অংশগ্ৰহণ কৰাটোহে বেছি দৰকাৰী কথা। মহাবিদ্যালয়ত 'ফাতেহা দোৱাজ' উপলক্ষে অনুষ্ঠিত বিভিন্ন প্ৰতিযোগিতাৰ লগতে আকস্মিক বক্তৃতা প্ৰতিযোগিতাও পতা হয়।

সম্পাদক হিচাপে মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত প্ৰত্যক্ষ বা পৰোক্ষভাবে মোক সহায় কৰা আৰু সু-পৰামৰ্শ দিয়াৰ বাবে মোৰ চিৰ নমস্য শিক্ষাগুৰু তথা তত্বাৱধায়ক অধ্যাপক শ্ৰীযুত দ্বিজেন দাসদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ কামৰ বিভিন্ন দিশত মোলৈ সহায়-সহযোগ আগবঢ়োৱাৰ উপৰিও কামৰ সফল ৰূপায়ণত অনুপ্ৰেৰণা যোগোৱা বাবে মোৰ প্ৰিয় বন্ধু-বান্ধৱীলৈ মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সামৰণিত বকো জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

শ্ৰীপ্ৰণৱ বৈশ্য
সম্পাদক,
'তৰ্ক আৰু আলোচনা চক্ৰ'

—:★:—



# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ পাততনি মেলাৰ আগতে উল্লেখ কৰিব লাগিব যে ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাবে মোৰ ছাত্ৰ বন্ধু শ্ৰীধীৰাজ পাটোৱাৰী নিৰ্বাচিত হয়। কিন্তু তেওঁৰ শাৰীৰিক অসুস্থতাৰ বাবে উক্ত পদটিৰ দায়িত্বৰ পৰা অব্যাহতি লোৱাত মহাবিদ্যালয়ৰ নৱগঠিত কাৰ্যকৰী সমিতিয়ে উক্ত পদটিৰ বাবে মোক মনোনীত কৰে। সেয়ে ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মই সমিতিৰ সমূহ সদস্য সদস্যালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰ জিৰণি কোঠাৰ ফালৰ পৰা কেৰম, বেডমিণ্টন, দবা আদি বিভিন্ন খেলৰ প্ৰতিযোগিতা পতা হয়। সম্পাদক হিচাপে উক্ত খেলসমূহ চলাই নিয়াত যদিও প্ৰথমতে অলপ অসুবিধাৰ সন্মুখীন হৈছিলোঁ, তথাপি মোৰ ছাত্ৰ বন্ধু ৰমেন, উৎপল, বিৰিঞ্চি, সঞ্জীৱ আৰু গৌতমৰ সহায়-সহযোগিতাত সেই অসুবিধাখিনি আঁতৰ হৈছিল আৰু খেলসমূহ ভালদৰে অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা সন্তোষজনক আছিল। বঁটা বিতৰণী সভাত বিজয়ীসকললৈ বঁটা প্ৰদান কৰা হৈছিল। বিজিতসকলকো পুৰস্কৃত কৰা হৈছিল। আশাকৰোঁ, ভৱিষ্যতে আৰু অধিক সংখক প্ৰতিযোগীয়ে খেলসমূহত অংশ গ্ৰহণ কৰি নিজ নিজ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হ'ব আৰু আন্তঃমহাবিদ্যালয় খেলসমূহৰ প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰিব পাৰিব।

উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ ছাত্ৰৰ সংখ্যা প্ৰতিবছৰে বঢ়াৰ লগে লগে খেলুৱৈৰ সংখ্যাও বৃদ্ধি পায়। সেই অনুপাতে মহাবিদ্যালয়ত খেলৰ সামগ্ৰীসমূহৰ সংখ্যা কম। সেই কাৰণে ছাত্ৰ-ছাত্ৰীসকলে অনুশীলন কৰাৰ সুবিধা নাপায়। ফলস্বৰূপে তেওঁলোকে সম্পাদকজনৰ ওচৰত আপত্তি তোলে। গতিকে ছাত্ৰ-ছাত্ৰীৰ বৰ্দ্ধিত সংখ্যাৰ অনুপাতে খেলৰ সামগ্ৰীৰ সংখ্যা বৃদ্ধি কৰিবলৈ মই এই প্ৰতিবেদনৰ জৰিয়তে কৰ্তৃপক্ষক অনুৰোধ কৰিলোঁ।

মোৰ কাৰ্যকালছোৱাত মোক সকলোপিনেদি

দিহা-পৰামৰ্শ দি মোৰ কৰ্ত্তব্য আৰু দায়িত্ব পালনত সহায় কৰা বাবে তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত যুগল কিশোৰ নাথদেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে কাৰ্যকৰী সমিতিৰ সমূহ সদস্য-সদস্যা আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ তেওঁলোকৰ সহায়-সহযোগৰ কাৰণে মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে হোৱা কিবা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলোঁ।

॥ ধন্যবাদ ॥

**শ্ৰীসঞ্জীৱ শৰ্মা**

সম্পাদক,

ছাত্ৰ জিৰণি কোঠা

—:★:—



# সমাজ সেৱা বিভাগৰ

## সম্পাদকৰ প্ৰতিবেদন

জয়ন্তয়তে বকো জৱাহৰলাল নেহৰু মহা-
বিদ্যালয়ৰ ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ
সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে মোক
নিৰ্বাচিত কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ
মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ বিভাগীয় প্ৰতিবেদনৰ পাততনি মেলাৰ
পূৰ্বে সমাজ সেৱাৰ বিষয়ে দু-আষাৰমান কোৱা
ভাল হ'ব। সমাজ সেৱাৰ অৰ্থ হ'ল দেশ
সেৱা। সমাজ বা দেশ সেৱাৰ মনোভাৱ স্বাধীন
দেশ এখনৰ প্ৰতি গৰাকী নাগৰিকৰে থকা উচিত।
এই সেৱাৰ মাজেৰে বিভিন্ন জাতি বা সম্প্ৰদায়ৰ
মাজত মিলা-প্ৰীতি স্থাপন কৰিব পাৰি আৰু
আনহাতে ঐক্যৰ এনাজৰীডাল সুদৃঢ় কৰিব
পাৰি। সেয়ে সমাজ বা দেশ সেৱা কৰা এটি
মহৎ কাম। এনে মহৎ কাম কৰিবলৈ ছাত্ৰ-
ছাত্ৰীসকলে আগবাঢ়ি আহিব লাগে। তেওঁলোকে
জনা উচিত যে এনে সেৱা শিক্ষাৰ এক অবিচ্ছেদ্য
অঙ্গ। এই সমাজ বা দেশ সেৱাৰ মনোভাৱ
থাকিলে তেওঁলোক নিজ দেশৰ কৰ্তব্যৰ প্ৰতি
সচেতন হয় আৰু সীমিতভাৱে হলেও সমাজ
সেৱাৰ জৰিয়তে দেশখনক প্ৰগতিৰ পথত আগ-
বঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাব
পাৰে। সেয়ে সমাজ সেৱাৰ মনোভাব ছাত্ৰাৱস্থাৰ
পৰাই প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে গঢ়ি তুলিব
লাগে।

সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়-
খনত সমাজ সেৱা সম্পৰ্কীয় কিছু দিশত নতুন
পদক্ষেপ লম বুলি ভাবিছিলোঁ। কিন্তু পৰিতাপৰ
বিষয় হ'ল এয়ে যে ভবামতে সকলোখিনি কাম
সম্পূৰ্ণ হৈ নুঠিল। সি যি কি নহওক এই কথা
স্বীকাৰ্য যে মহাবিদ্যালয় সপ্তাহত যি সেৱা
আঁচনি হাতত লোৱা হৈছিল তাত অংশগ্ৰহণকাৰী
ছাত্ৰ-ছাত্ৰীসকলে দেখুৱা পাৰদৰ্শিতা সঁচাকৈ
প্ৰশংসনীয় আছিল।

মহাবিদ্যালয়ৰ বছৰেকীয়া আকৰ্ষণীয় উৎসৱ
মহাবিদ্যালয় সপ্তাহ উপলক্ষে দুদিন চাফাই কামৰ
প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত
শৃঙ্খলাবোধ, ধৈৰ্য্য, নিষ্ঠা আৰু সেৱাৰ মনোভাব
দেখুৱাবলৈ সমৰ্থ হোৱা ৪০ গৰাকী অংশ গ্ৰহণ-
কাৰী ছাত্ৰ-ছাত্ৰীক নিৰ্বাচন কৰি পুৰস্কৃত কৰা
হয়। তাৰে ২০ গৰাকী ছাত্ৰ-ছাত্ৰীক বছৰৰ শ্ৰেষ্ঠ
সমাজ সেৱক/সেৱিকা বুলি বিবেচিত কৰা হয়।

মোৰ কাৰ্যকালছোৱাত সমাজ সেৱা কেৱল মহাবিদ্যালয়ৰ চৌহদত আৱদ্ধ কৰি ৰাখিবলগীয়া হয়। আনন্দৰ কথা এয়ে যে মহাবিদ্যালয়ৰ চৌহদত নিৰ্মিত প্ৰস্ৰাৱখানাই ছাত্ৰ-ছাত্ৰীসকলৰ এটা অভাৱ পূৰণ কৰিছে। কিন্তু আনহাতে শৌচাগাৰৰ অভাৱ মন কৰিবলগীয়া। সেয়ে এই প্ৰতিবেদনৰ জৰিয়তে মই কলেজ কৰ্তৃপক্ষক অনুৰোধ কৰোঁ যে এই ক্ষেত্ৰত অনতিপলমে কৰ্তৃপক্ষই বিহিত ব্যৱস্থা ল'ব।

সমাজ সেৱাৰ সম্পাদকৰ গুৰু দায়িত্ব পালন কৰাত মোক সকলো দিশৰ পৰা দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় শ্ৰীযুত দেবেন্দ্ৰ নাথ শৰ্মাদেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ কাৰ্যকৰী সমিতিৰ সমূহ সদস্য সদস্যালৈ তেওঁলোকৰ অকৃত্ৰিম সহায়-সহযোগৰ বাবে মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা থাকিল।

সদৌ শেষত মোৰ কিবা অজানিত ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি আৰু আমাৰ মহাবিদ্যালয়ৰ উত্তোৰত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ।

শ্ৰীপ্ৰতাপ কলিতা
সম্পাদক,
সমাজ সেৱা বিভাগ।

—:★:—



# ছাত্ৰী জিৰণি কোঠাৰ

## সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ–ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই মোৰ কৰ্তব্য আৰু দায়িত্ব পালনত কিমানখিনি সফলতা অৰ্জন কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য। অৱশ্যে মই এইখিনি ক'ব পাৰোঁ যে মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ কৰ্তব্য আৰু দায়িত্ব নিয়াৰিকৈ পালন কৰাত মই চেষ্টাৰ ত্ৰুটি কৰা নাই।

উল্লেখযোগ্য যে বিগত বছৰটিত সম্পাদিকা হিচাপে মোৰ কাৰ্য চলাই নিয়াত ছাত্ৰী জিৰণি কোঠা সম্পৰ্কে কিছু অসুবিধা মই অনুভৱ কৰিছোঁ। সেই অসুবিধা কেইটি মোৰ এই প্ৰতিবেদনৰ জৰিয়তে উল্লেখ কৰি কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিছো। অসুবিধাখিনি হ'ল—

(ক) প্ৰতি বছৰে বাঢ়ি অহা ছাত্ৰীৰ সংখ্যাৰ তুলনাত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাটো যথেষ্ট সৰু।

(খ) আনহাতে জিৰণি কোঠাটো একাষৰীয়া হ'লে ভাল হয়।

আশাকৰোঁ, উক্ত অসুবিধাখিনি আঁতৰ কৰিবলৈ কৰ্তৃপক্ষই যত্নপৰ হ'ব।

মহাবিদ্যালয় সপ্তাহত ছাত্ৰী জিৰণি কোঠাৰ খেলসমূহৰ প্ৰতিযোগিতা পতা হয়। প্ৰতি-যোগীসকলে উৎসাহ-উদ্দীপনাৰে অনুষ্ঠিত প্ৰতি-যোগিতাসমূহত অংশ গ্ৰহণ কৰে। অংশ গ্ৰহণ কাৰীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। বঁটা বিতৰণী সভাত বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়।

মোৰ কাৰ্য সুচাৰুৰূপে চলাই নিয়াত মোক বিভিন্ন দিশত পৰামৰ্শ দি সহায় কৰা বাবে তত্বাৱধায়ক অধ্যাপিকা শ্ৰীযুতা ৰুমিতা ফুকন বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে

সমূহ 'ছাৰ', বাইদেউলৈ প্ৰতিবেদনৰ জৰিয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ এই প্ৰতিবেদন শেষ কৰাৰ আগতে কাৰ্যকালৰ প্ৰতিটো মুহূৰ্ত্ততে মোলৈ সহায়-সহযোগ আৰু পৰামৰ্শ আগবঢ়োৱা ৰমেনদা, সঞ্জয়, সুনীল, বাপন, নিৰ্মল, খৰ্গধৰ, অৰ্জুন, যোগেশ, ধীৰাজ, সৰীন, বিজন, সুৰেশ আৰু লগতে ৰেৱতী, বীণাপাণি, যুথিকা, মাহেন্দ্ৰী, ৰবিতা, মীনা বাইদেউ, হীৰা, জয়া, মামণি, সন্তোষীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোৰ অজানিতে কৰা কিবা ভুল ত্ৰুটিৰ বাবে তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক প্ৰমুখ্যে প্ৰতি গৰাকী সদস্য-সদস্যালৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছোঁ।

মিচ্ চিত্ৰা বড়ো
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা।

—:★:—

# আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে ১৯৯৩-৯৪ বৰ্ষৰ মহাবিদ্যালয়ৰ মুখপত্ৰ "জৱাহৰ জ্যোতি"ৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি সম্পাদকৰ গুৰু দায়িত্ব লোৱাৰ সুযোগকণ দিয়া বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

আলোচনী এখন ছপা কৰি প্ৰকাশ কৰাৰ গধুৰ দায়িত্ব সৰ্বজনবিদিত। সম্পাদক হিচাপে নিৰ্বাচিত হৈ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত এই গধুৰ দায়িত্ব মই উপলব্ধি কৰিছিলোঁ। সন্দেহ হৈছিল যে এই গধুৰ দায়িত্ব মই সুচাৰুৰূপে পালন কৰিব পাৰিম নে নাই! লগতে মই আৰু সন্দিহান হৈছিলোঁ যে এখন উচ্চমান-বিশিষ্ট আলোচনী মই ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিব পাৰিম নে নাই! মোৰ সন্দেহ আৰু বাঢ়ি গৈছিল যেতিয়া কেবাখনো জাননী দিয়া সত্বেও লেখক-লেখিকাসকলৰ পৰা পোৱা প্ৰবন্ধপাতিৰ সংখ্যা নিচেই কম আছিল। কিন্তু শেষ মুহূৰ্ত্তত পলমকৈ হ'লেও হাতলৈ অহা প্ৰবন্ধপাতিৰ সংখ্যা অসন্তোষজনক হোৱা নাছিল। অৱশ্যে 'We want quality and not quantity' কথাষাৰে মোক অলপ চিন্তিত কৰি তুলিছিল। সেই চিন্তাৰ ক'লীয়া ডাৱৰ মোৰ মনাকাশৰ পৰা কিছু আঁতৰ হৈছিল যেতিয়া মোৰ পৰম শ্ৰদ্ধাস্পদ শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্ত, শ্ৰীযুত লক্ষীকান্ত শৰ্মা, শ্ৰীযুত যতীন মেধি আৰু শ্ৰীযুত মৃগেন শৰ্মাদেৱৰ অশেষ চেষ্টাৰ ফলত কিছু সংখ্যক প্ৰবন্ধপাতি নিৰ্বাচিত হৈছিল আৰু 'জৱাহৰ জ্যোতি'ত প্ৰকাশৰ বাট মুকলি হৈছিল। খৰধৰকৈ হ'লেও আলোচনীখন প্ৰকাশৰ পথলৈ আনি ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীসকলৰ হাতত তুলি দিবলৈ পাই মই আনন্দিত হৈছোঁ। অৱশ্যে আলোচনীখনৰ মানদণ্ড কিমান উন্নত হৈছে সেইটো পঢ়ুৱৈ সমাজৰ বিচাৰ্য।

উল্লেখযোগ্য যে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱ 'মহাবিদ্যালয় সপ্তাহ'ত নিজক ব্যস্ত ৰাখিবলগীয়া হয়। উক্ত 'মহাবিদ্যালয় সপ্তাহ'ত আন আন বছৰৰ দৰে সাহিত্য প্ৰতিযোগিতা এখন পতা হয়। এই প্ৰতিযোগিতাৰ বাবে কবিতা আৰু চুটি গল্পৰ মৌলিক ৰচনা ইচ্ছুক প্ৰতিযোগীসকলৰ পৰা জাননী মৰ্মে আহ্বান কৰা হৈছিল। আহ্বানক্ৰমে কিছু সংখ্যক লিখনি হাতত পৰিছিল। প্ৰতিযোগীসকলৰ ১ম আৰু ২য় স্থান পোৱা লেখকসকলক প্ৰমাণ পত্ৰ

সহ পুৰস্কৃত কৰা হয়। লেখক-লেখিকাসকলৰ সাহিত্য চৰ্চাত ঘূণে ধৰিবলৈ নিদি যাতে তেওঁ· লোকে নিয়মিতভাবে চৰ্চা কৰি থাকে তাকে কামনা কৰোঁ।

মহাবিদ্যালয়ত শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি পালন উপলক্ষে থিতাতে লিখা কবিতা প্ৰতিযোগিতা এখন পতা হয়। উক্ত প্ৰতিযোগিতাত প্ৰতি-যোগীসকলৰ উৎসাহজনক সঁহাৰিয়ে প্ৰতিযোগিতা খনক সাফল্যমণ্ডিত কৰি তোলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে নৱাগত আদৰণি সভা উপলক্ষে ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ লিখনিৰে এখন প্ৰাচীৰ পত্ৰিকাও উন্মোচন কৰা হয়।

'জৱাহৰ জ্যোতি'ৰ সম্পাদনা কাৰ্যত মোক সকলো প্ৰকাৰে দিহা-পৰামৰ্শ দি সহায় কৰা বাবে মোৰ শ্ৰদ্ধাস্পদ শিক্ষাগুৰু তথা তত্ত্বাৱধায়ক অধ্যাপক শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত যতীন্দ্ৰ চন্দ্ৰ নাথদেৱে বহুমূলীয়া দিহা-পৰামৰ্শেৰে আলোচনীখনৰ প্ৰকাশৰ বাট মুকলি কৰি দিয়াৰ ক্ষেত্ৰত মোক সহায় কৰা বাবে মই তেখেতৰ ওচৰত চিৰকৃতজ্ঞ। আনহাতে আলোচনীখন প্ৰকাশৰ কাৰণে কবিতা, প্ৰবন্ধ-পাতি নিৰ্বাচন কৰি, চাই-মেলি, শুধৰাই দি সেইবোৰ প্ৰকাশৰ উপযোগী কৰি দিয়া বাবে মই মাননীয় শিক্ষাগুৰু শ্ৰীযুত বসন্ত কুমাৰ দত্ত, শ্ৰীযুত লক্ষীকান্ত শৰ্মা, শ্ৰীযুত যতীন মেধি আৰু শ্ৰীযুত মৃগেন্দ্ৰ কুমাৰ শৰ্মা দেৱলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আকৌ বিভিন্ন দিশত সহায়-সহানুভূতি আগবঢ়োৱা বাবে মাননীয় অধ্যাপক কমলেশ্বৰ ঠাকুৰীয়া আৰু অধ্যাপক প্ৰাণেশ্বৰ নাথদেৱলৈ মই কৃতজ্ঞতা জনাইছোঁ।

উল্লেখনীয় যে "জৱাহৰ জ্যোতি"ক প্ৰকাশৰ পথলৈ অনা কাৰ্যত বিভিন্ন প্ৰকাৰে সহায়-সহ-যোগিতা আগবঢ়োৱা বাবে কাৰ্যকৰী সমিতিৰ সকলো সদস্য-সদস্যা প্ৰমুখ্যে আন বন্ধু-বান্ধৱীলৈও মোৰ অকৃত্ৰিম মৰম যাচিছোঁ আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। তদুপৰি জনতা প্ৰেছৰ মাননীয় স্বত্বাধিকাৰী প্ৰমুখ্যে সমূহ কৰ্মচাৰীবৃন্দলৈ আলো-চনীখন ছপাই উলিয়াই দিয়া বাবে আমাৰ কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

পৰিশেষত আলোচনীখন উলিওৱাত মোৰ অজানিত কিবা দোষ-ত্ৰুটি থাকিলে তাৰ বাবে ক্ষমা বিচাৰি আৰু "জৱাহৰ জ্যোতি"ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**শ্ৰীবাবুল বড়ো**
সম্পাদক,
'জৱাহৰ জ্যোতি'।

—:★:—

# ১৯৯৩-৯৪ চনৰ মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা বিভিন্ন প্ৰতিযোগিতাৰ ফলাফলসমূহ

**খেল-ধেমালি ( ল'ৰাৰ ) :**

১০০ মিটাৰ দৌৰ :

১ম—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )
২য়—মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

২০০ মিটাৰ দৌৰ :

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য়—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )

৪০০ মিটাৰ দৌৰ :

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য় মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

৮০০ মিটাৰ দৌৰ :

১ম—নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )
২য়—নবীন ৰাভা ( উঃ মাঃ ১ম )
৩য়—মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )

১৫০০ মিটাৰ দৌৰ :

১ম—নবীন ৰাভা ( উঃ মাঃ ১ম )
২য়—সুমীত ৰাভা ( উঃ মাঃ ২য় )
৩য়—মৃগেন ৰাভা ( উঃ মাঃ ১ম )

**ৰিলেৰেচ ( ১০০×৪ ) :**

১ম—গোলাপ দাস ( উঃ মাঃ ২য় )
মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )
মৃগেন ৰাভা ( ঐ )
নবীন ৰাভা ( ঐ )

২য়—ব্ৰজেন ৰাভা ( উঃ মাঃ ১ম )
ৰুহিনি গয়াৰী ( স্নাঃ ৩য় )
হামিদ আলী ( স্নাঃ ১ম )
নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

**ৰিলেৰেচ ( ৪০০×৪ ) :**

১ম—ৰঞ্জন ৰাভা ( স্নাঃ ৩য় )
নৰজিৎ তালুকদাৰ ( স্নাঃ ৩য় )
ৰুহিনি গয়াৰী ( ঐ )
কান্তেশ্বৰ ৰাভা ( ঐ )

২য়—জয়ন্ত ৰাভা ( উঃ মাঃ ২য় )
জয়ন্ত কুমাৰ বড়ো ( ঐ )
কমল নয়ন বড়ো ( স্নাঃ ১ম )
দিগন্ত ৰাভা ( ঐ )

**লং জাম্প :**

১ম—মধুমিলন পাটোৱাৰী ( উঃ মাঃ ১ম )
২য়—বীৰেণ কলিতা ( ঐ )

**হাইজাম্প :**

১ম—বীৰেণ কলিতা ( উঃ মাঃ ১ম )
২য়—দীপক ৰাভা ( ঐ )

**ট্ৰিপুল জাম্প :**

১ম—জয়ন্ত কুমাৰ বড়ো ( উঃ মাঃ ২য় )
২য়—আবিছুৰ ৰহমান ( স্নাঃ ১ম )

**ছট্‌পুট :**

১ম—ডালিম ৰাভা ( স্নাঃ ১ম )
২য়—হামিদ আলী ( ঐ )

**জেভেলিন থ্ৰ:**

১ম—ডালিম ৰাভা (স্না: ১ম)

২য়—দুৰ্গেশ্বৰ ৰাভা (উ: মা: ১ম)

**ডিচ্‌কাচ থ্ৰ:**

১ম- মদন কলিতা (উ: মা ১ম)

২য়—অমৰেন্দ্ৰ ৰাভা (উ: মা: ২য়)

**পোল ভল্ট:**

১ম—হামিদ আলী (স্না: ১ম)

২য়—মৃগেন ৰাভা (উ: মা: ১ম)

**ভলী বল:**

বিজয়ী দল—স্না: ১ম বাৰ্ষিক

বিজিত দল—স্না: ৩য় বাৰ্ষিক

**ক্ৰিকেট:**

বিজয়ী দল-স্না ১ম বাৰ্ষিক

বিজিত দল—স্না: ২য় বাৰ্ষিক

**Man of the Match:**

বিজয় কুমাৰ ছেত্ৰী (স্না: ১ম)

**Man of the Series:**

দীপক কুমাৰ ছেত্ৰী (স্না ২য়)

**Best Bowler:**

বিষ্ণু পডৱাল ছেত্ৰী (স্না: ১ম)

**বছৰৰ শ্ৰেষ্ঠ খেলুৱৈ:**

মধুমিলন পাটোৱাৰী (উ: মা: ১ম)

**খেল-ধেমালি (ছোৱালীৰ):**

১০০ মিটাৰ দৌৰ:

১ম—অঞ্জনা ৰাভা (স্না: ২য়)

২য়—অনুপমা ৰাভা (উ: মা: ১ম)

১০০ মিটাৰ দৌৰ:

১ম অঞ্জনা ৰাভা (স্না: ২য়)

সুশীলা ৰাভা (ঐ)

৪০০ মিটাৰ দৌৰ:

১ম—অঞ্জনা ৰাভা (স্না: ২য়)

২য়—অনুপমা ৰাভা (উ: মা: ১ম)

**লং জাম্প:**

১ম-অঞ্জনা ৰাভা (স্না: ২য়)

২য়-সুশীলা ৰাভা (ঐ)

**জেভেলিন থ্ৰ:**

১ম—মৃণালিনী বৰ্মন (স্না: ২য়)

২য় অঞ্জনা ৰাভা (ঐ)

**ডিচ্‌কাচ থ্ৰ:**

১ম—মৃণালিনী বৰ্মন (স্না: ২য়)

২য়—যুথিকা কাকতি (ঐ)

**ছুটপুট:**

১ম—যমুনা বড়ো (স্না: ১ম)

২য়—অঞ্জনা ৰাভা (স্না: ২য়)

**Blind Hit:**

১ম—বীণাপাণি নাথ (স্না: ২য়)

ডালিমী গোস্বামী (স্না: ৩য়)

হীৰামণি দেৱী (স্না: ২য়)

**Musical Chair:**

১ম—অঞ্জনা ৰাভা (স্না: ২য়)

২য়—অনুপমা ৰাভা (উ: মা: ১ম)

**বছৰৰ শ্ৰেষ্ঠা খেলুৱৈ:**

মিচ্ অঞ্জনা ৰাভা (স্না: ২য়)

## ছাত্র জিৰণি কোঠা ঃ

কেৰম ( একক ) ঃ

চেম্পিয়ন মতিলাল বসুমতাৰী ( স্নাঃ ৩য় )

ৰাণাৰ্চ আপ সত্যজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

### কেৰম ( দ্বৈত ) ঃ

চেম্পিয়ন—হেমন্ত কৰ্মকাৰ ( উঃ মাঃ ২য় )

শৈলেন কলিতা ( উঃ মাঃ ২য় )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )

সঞ্জয় জৈন ( উঃ মাঃ ১ম )

বেডমিণ্টন ( একক ) ঃ

চেম্পিয়ন—ৰমেন কলিতা ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )

### বেডমিণ্টন ( দ্বৈত ) ঃ

চেম্পিয়ন—বিৰিঞ্চি পাঠক ( উঃ মাঃ ২য় )

হিৰণ্য পাঠক ( ঐ )

ৰাণাৰ্চ আপ—সন্দীপ শৰ্মা ( স্নাঃ ১ম )

সত্যজিৎ তালুকদাৰ ( স্নাঃ ৩য় )

### দবা ঃ

চেম্পিয়ন—খৰ্গেশ্বৰ ৰাভা ( স্নাঃ ৩য় )

ৰাণাৰ্চ আপ—দুলাল চন্দ্ৰ দাস ( ঐ )

## ছাত্ৰী জিৰণি কোঠা ঃ

কেৰম ( একক ) ঃ

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—অনুপমা ৰাভা ( উঃ মাঃ ১ম )

বেডমিণ্টন ( একক ) ঃ

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—ৰেৱতী ৰাভা ( ঐ )

### বেডমিণ্টন ( দ্বৈত ) ঃ

চেম্পিয়ন—বীণাপাণি নাথ ( স্নাঃ ২য় )

ৰীণা নাথ ( ঐ )

ৰাণাৰ্চ আপ—মনি নাথ ( স্নাঃ ১ম )

দুলুমণি কলিতা ( ঐ )

### ৰিং ( একক ) ঃ

চেম্পিয়ন—ৰীণা নাথ ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ বীণাপাণি নাথ ( ঐ )

### কইনা প্ৰতিযোগিতা ঃ

১ম ডালিমী গোস্বামী ( স্নাঃ ৩য় )

২য়—হান্না মাৰাক ( উঃ মাঃ ১ম )

শিল্পী ভদ্ৰ ( ঐ )

### চিলাই প্ৰতিযোগিতা ঃ

১ম—বিজুলী অধিকাৰী ( স্নাঃ ১ম )

২য়—সুভদ্ৰা দাস ( ঐ )

### পিঠা প্ৰতিযোগিতা ঃ

১ম—তাহিৰা বেগম ( উঃ মাঃ ১ম )

ববিতা শৰ্মা ( স্নাঃ ১ম )

২য়—বিজুলী অধিকাৰী ( স্নাঃ ১ম )

মৃণালিনী বৰ্মন ( স্নাঃ ২য় )

তুলিকা বড়ো ( স্নাঃ ১ম )

### দবা প্ৰতিযোগিতা ঃ

চেম্পিয়ন—যুথিকা কাকতি ( স্নাঃ ২য় )

ৰাণাৰ্চ আপ—দুলুমণি কলিতা ( স্নাঃ ১ম )

### পুষ্প সজ্জা ঃ

১ম—হান্না মাৰাক ( উঃ মাঃ ১ম )

২য়—যুথিকা কাকতি ( স্নাঃ ২য় )

অখিল দৈমাৰী ( ঐ )

**বেডমিণ্টন ঃ ( দ্বৈত )**

চেম্পিয়ন—মিচ্ মণি নাথ ( উঃ মাঃ ১ম )
মিচ্ বীণা নাথ ( উঃ মাঃ ২য় )
বানার্চ আপ— মিচ্ ডালিমী গোস্বামী (স্নাঃ ১ম)
মিচ্ উৎপলা দাস ( স্নাঃ ১ম )

**ৰিং ঃ ( একক )**

চেম্পিয়ন—মিচ্ বীণা নাথ ( উঃ মাঃ ২য় )
ৰাণাৰ্চ আপ—মিচ্ মণি নাথ ( উঃ মাঃ ১ম )

**ৰিং ঃ ( দ্বৈত )**

চেম্পিয়ন—বীণা নাথ ( উঃ মাঃ ২য় )
—মণি নাথ ( উঃ মাঃ ১ম )
ৰানাৰ্চ আপ—জুলুমণি কলিতা ( উঃ মাঃ ১ম )
— প্রণিতা দাস ( উঃ মাঃ ১ম )

**ডবা প্রতিযোগিতা ঃ**

১ম জুলুমণি কলিতা ( উঃ মাঃ ১ম )
২য়— সন্মতি স্বৰ্গীয়াৰী ( উঃ মাঃ ১ম )

**কইনা প্রতিযোগিতা ঃ**

১ম - ডালিমী গোস্বামী ( স্নাতক ১ম )
২য়—লিপিকা দেৱী ( স্নাতক ২য় )
৩য়— অঞ্জু ৰয় ( উঃ মাঃ ১ম )

**চিলাই ঃ**

১ম—ৰঞ্জু ৰাণী ব্ৰহ্ম ( উঃ মাঃ ১ম )
২য়—ভবানী মহন্ত ( স্নাতক ১ম )
৩য়—যমুনা বসুমতাৰী ( উঃ মাঃ ১ম )

**পুষ্পসজ্জা ঃ**

১ম—সন্মতি স্বৰ্গীয়াৰী ( উঃ মাঃ ১ম )
২য়—ভবানী মহন্ত ( স্নাতক ১ম )
৩য়—ডালিমী গোস্বামী ( স্নাতক ১ম )

**পিঠা প্রতিযোগিতা ঃ**

১ম—প্ৰতিভা মেধি ( উঃ মাঃ ১ম )
২য়—ভবানী মহন্ত ( স্নাতক ২ম )

**জাতীয় সাজপাৰ ঃ**

১ম—মিচ্ ডালিমী গোস্বামী ( স্নাতক ১ম )
২য়— ভানু বড়ো ( উঃ মাঃ ১ম )
৩য়—লিপিকা দেৱী ( স্নাতক ২য় )

**সাহিত্য প্রতিযোগিতাৰ ফলাফল ঃ**

**কবিতা ঃ**

১ম— ধনঞ্জয় তালুকদাৰ ( স্নাতক ৩য় )
২য়— ললিত চন্দ্ৰ ৰাভা ( ঐ )
৩য়— সত্যজিৎ কলিতা ( উঃ মাঃ ১ম )
মিচ্ প্ৰভা কলিতা ( উঃ মাঃ ১ম )

**গল্প ঃ**

১ম— ললিত চন্দ্ৰ ৰাভা ( স্নাতক ৩য় )
২য়—দেবলা মহন্ত ( স্নাতক ২য় )
৩য়—চম্পা দাস ( স্নাতক ১ম )

**ঠাইতে লিখা কবিতা ঃ**

১ম—সুৰজিৎ কাকতি ( উঃ মাঃ ২য় )
২য়—ললিত চন্দ্ৰ ৰাভা ( স্নাতক ৩য় )
নীলিম দত্ত ( উঃ মা. ২য় )
৩য় —বিমল তামুলী ( উঃ মাঃ ১ম )

**ঠাইতে লিখা প্ৰবন্ধ**

১ম—ললিত চন্দ্ৰ ৰাভা ( স্নাতক ৩য় )
২য়—নীলিম " ( উঃ মাঃ ২য় )
৩য়—দেৱলা " ( স্নাতক ২য় )

**বেটুপাত ঃ অংকন**

১ম—গণেশ বড়ো ( স্নাতক ১ম )
২য়—লোহিত ৰাভা ( স্নাতক ২য় )
৩য়— প্ৰশান্ত কলিতা ( স্নাতক ২য় )

—:□:—

# THE JAWAHAR JYOTI

## JAWAHARLAL NEHRU COLLEGE MAGAZINE

FOURTEENTH ISSUE

1991-92

# ENGLISH SECTION

Prof. Incharge
*Sri Kamaleswar Thakuria*

Editor.
*Sri Ganesh Ch. Boro*

# ENGLISH SECTION


| | | |
|---|---|---|
| Physiographic Characteristics and Existing Land-Use Pattern of Boko Area : | N. C. Mudiar | 1 |
| Present Teaching and Office Staff of the College : | | 8 |

# Physiographic Characteristics And Existing Land-Use Pattern Of Boko Area

**N. C. Mudiar**
Lecturer in Geography,

Boko area is in the south-west of the district of Kamrup. The total geographical area including the reserve forests is about 605 sq. kms. or 60500 hectares. The boundary of this area touches the state of Meghalaya to the south, the district of Goalpara to the west, Chamaria block to the north and Bongaon block to the east. The latter two blocks are in the district of Kamrup.

Physiographically the area covers Boko, Bekely and Luki mouzas, and it can be divided into three units that are as follows :

[A] The foot-hills zone,

[B] The middle flood plain, and

[C] The old alluvial Brahmaputra flood plain

The average elevation ranges from 150 ft. to 1500 ft. above the main sea-level. The Boko and Singra rivers are the main drainage system in the area.

The foot-hills zone comprises the high elevation of the isolated hillocks, the remnants of the undulating Meghalaya plateau penetrating the province of Assam, and also the dense forest known as the related isolated areas that are debarred from th free movement of any rational b gs. This foot-hills zone is parallel to the dissected hill ranges of the Meghalaya state border in the numerous streams and valleys.

The middle flood plain is formed by old alluvium and deposited

materials carried away by the onrush of flood-waters through small, narrow and wide gullys, and also streams and rivers. In it there are some heterogeneous components, such as Jakhala hill, Parbati hill and tabular form of land mass called Papitara. This area is severely affected by flood waters during the rainy season every year.

The old alluvial Brahmaputra flood plain contains the most fertile soil suitable for the production of food grians. Almost every year the entire old alluvial plain area is touched by the flood waters of the Brahmaputra river. The striking feature in the drainage system of this area is the dominant control of the river Brahmaputra flowing on the northern side. The Singra and Boko rivers are the two principal rivers of the area. The rivers are fedup with waters during the rainy season and the result is that they cause extensive damage to standing crops in the agricultural lands and also communications.

The soil-condition of this area plays an important role in regard to the agricultural products. The southern part of this area is totally built up by the red-yellow soil having high contents of aluminium and iron. The northern part is built up by the old alluvium of the river Brahmaputra. Depending on the colour, texture and mode of the origin, the soil of this area can be divided into three types, viz., -

[a] The red-yellow (Ferruginous) soil,

[b] The old alluvial soil, and

[c] The marshy soil.

The third type of the soil is found in the perennial water-logged areas. The soil is muddy and black in colour.

The flora and fauna of this area are much like those of the other parts of Assam ley. The reserve forests occupy . out 50% of the land of this area. The forest falls into the tropical evergreen and most deciduous type of vegetation. The most deciduous riverine patches of forest contain tall grasses and soft wooded trees like simalu ( Bombax

malbaricum ), khaira ( Acacia catchu) etc. There is also swamp vegetation with luxariant rowth of many species of gramineous plants such as reed, water hyacinth etc. Sal, som, saulo, simalu, nahar, hollock, teak, gomari and sishu can be found in the related isolated areas. Bamboo, cane, be-telnut, arecanut, cocconut etc. are available in the homestead lands. Orange, pineaple, banana, mango and sugarcane are the important fruit trees in the area.

Varieties of fauna like elephant, monkey, jackal, squirrel, bear, deer, pig, rabbit and also different kinds of snake are found in the jungles of of this area. Besides, dove, vulture cuckoo, duck, crow, fowl, parrot etc. are the important birds commonly seen in the area.

The region is mostly influenced by the south-west monsoon. The pioneer climatologist Dr. Koppen hr recognized it as the area that belong to the type of 'CWG' or Humid Mesothermal Gangetic type. The most important variable are the rainfall and the temperatue which are directly influenced by the dense of rests.

'The lithological structure of the foot-hills zone, the middle flood plain and the old alluvial Brahmaputra flood plain indicates a graphic terrain complexity. Thus it has the most potent influence on land -use and the growth and distribution of crops. The three most significant aspects of terrain are the gradual high altitude of the foot-hills zone, the nature of slope-gradient from the hilly to the old alluvial plain and the role of drainage pattern. The direct effect of terrain operates particularly through elevation, rugged relief and slope. There three factors determine the pace of cultivation, the farm mechanization, the degree of accessibility and the flooding of the low-lying areas. Its indirect effect is evident is farming and modifying the climate and the consequential change in soil and erosion pattern.

The slope of land is also one of the important physiographic aspects influencing the agricultural land. The effect of slope manifests itself in pedological and climatic modifications including the position

of water-table development of soil, air, drainage and the relative free-dom from frost. There are marked local variations in terms of both degree and direction of slope. The general trend is from the south-west to the north-west up to the northern limit of the middle plain, and beyond that, towards the north, it is from the south-easts to the north-west. The gradient of the southern high land is relatively steep (0·79 metre/km.), while it is very gentle (0·38 metre/km.) for the rest, including the middle plain of this area. The average slope varies from 1° to 20°. The area with <1° slope i. e. the very low slope zone, comprises largely the active flood plain of the Brahmaputra. The next slope zone covering mostly the middle built-up plain is a low slope (1°–5°) area. This zone is relatively well drained and favours rich agriculture and dense settlement. The moderately sloped (5°–10°) third zone is basically a part of the northern-extension of the Meghalaya foot-hills. The fourth slope zone is followed by a zone of steep slope (10°–20°). The last high elevated (steep) slope >20° covers about 10 percent of the total area and is under the thick, natural forest cover least affected by human interference.

| Slope zone with degree of slope | Cultivated land-area in hectare | Percentage of the total area |
|---|---|---|
| Very low slope (<1°) | 5, 185 (59 · 52) | 8·16 |
| Low slope (1°—5°) | 22, 844 (64·13) | [illegible]·38 |
| Moderate slope (5°—10°) | 11, 791 (44·48) | 24·34 |
| Steep slope (10°—20°) | 1, 466 (28·17) | 21·17 |
| Very steep slope (>20°) | 1871 (14.08) | 12·45 |

[ Source North-Eastern Geographer, Journal of the North-East India Geographical Society. Vol. 21, No. 1 & 2, 1989. ]

Of the total cultivated area of 49,157 hectare in Boko area ( Thana base ), the very steep solpe zone accounts for only 3·80 percent.

The nature of land-use in an area reflects the level of socio-cultural and economic development of the people under different physio-cultural milieu. Different types of tribes and castes play an important role in the area by using its land in different traditional ways. The existing land-use pattern of Boko area for the year 1991—'92 is as follows. :

| Sl. No. | Categories | Area in hectare | Percentage of the total area |
|---|---|---|---|
| 1 | Forest land | 282·69 | 6·64 - |
| 2 | Area put to non-agricultural use | 186·36 | 4·37 |
| 3 | Barren and uncultivated land | 1493·75 | 5·89 |
| 4 | Permanent pasture and grazing land | 64·43 | 1·51 |
| 5 | Land under Misc. tree crops and groves | 588·75 | 13·83 |
| 6 | Cultivable waste land | 1019·46 | 4·02 |
| 7 | Fallow other than current fallow land | 181·67 | 4·27 |
| 8 | Current fallow land | 207·51 | 4·87 |
| 9 | Net area sown | 2439·08 | 57·30 |

[Source—The Circle Office, Boko.]

It is to be noted that more than 50 percent of the total geographical land is under reserve forests. Only 6·64 percent of the entire forest land is under revenue villages. The foot-hills zone and the middle flood plain bear high amount of forest resources. Forestry is one of the most important sources of livelihood for the majority of the inhabitants in the area.

A sizable portion ( 4·37 percent ) of the total geographical Boko area is already put to non-agricultural uses for settlements, roads, railways under construction, canals, government buildings and commercial centres etc. Only 1.51 percent of the area is under grazing land and permanent pasture.

The plots of land representing 5·89 percent of the total area are found to be barren and uncultivable. It is due to the high absorbing capacity of valuable tall trees such as sal, teak, etc. A large tract of land is covered by stony, barren hillocks, high grounds, sandy patches and swamps which cannot be used for any productive purposes. Land under miscellaneous tree crops and groves covers 13·83 percent of the area. These tree crops and groves are very important for day-to-day use of the people inhabiting the area.

The area under cultivable waste land has decreased by about 5 percent over the last twenty years. The cultivable waste land constitutes 4·02 percent of the total area. The growth of population and the increasing pressure of the use of land thereafter are held responsible for such trend in general. All the three zones have also experienced the reduction of cultivable waste land.

The follow other than current fallow land constitutes 4·27 percent of the total area. This type of land remains fallow because of natural calamity, inability of the farmers to till lands owing to prolonged illness and indebtedness, and also the frequent attacks of the wild pests, and animals such as elephants in the agricultural fields.

The region under the current fallow land is not negligible. It cons-

titutes 4·87 percent of the total geographical area. However the people living in the entire area are, by and large, the cultivators and agricultural labourers. Agriculture is the mainstay of economy of the area. The net area sown is 57·30 percent and it indicates the proper utilization of the agricultural fields in the region.

It may be mentioned that at present the prospect of land-use development planning of the micro-region is that "all the sites and resources from forest to city, from high land to low-lying tracts should be properly developed so that the population may be evenly distributed to utilize the resources rather than to destroy or nullify its natural endowments." ★

REFERENCES :

1. Alfred E. S, Alcock :—The application of Rural Regional Planning Techniques to Rural Development Programme, Housing, Building and Planning, by UNESCO, Vol. 12 & 13.
2. H. N. Sarma :—1990, Integrated Land-Use Planning : An Urgent Need of North-East India. North Eastern Geographer, Vol. 22, No. 1 & 2.
3. A. K. Bhagawati :—1985, Pattern of Land Utilization in the Brahmaputra Valley. Indian Journal of Landscape Systems and Ecological Studies. Vol. 8, No.—II
4. M. M. Das & L. Dutta :—Regional Variation in Land-use and Agriculture in North-East India. Geography of ' h-East India, Vol. 18, No—1 & 2, 1986.

# Present Teaching and Office Staff of the College

**Principal :**

Sri Jatindra Chandra Nath, M. A. ( B. H. U. )

**Department of Assamese :**

1. Sri Basanta Kumar Dutta, M. A. (Head of the Deptt. )
2. ,, Madan Chandra Kakati, M. A.
3. ,, Dharma-Kanta Baruah, M. A.
4. ,, Jatin Chandra Medhi, M. A.
5. ,, Kamaleswar Thakuria, M. A.

**Deptt. of English :**

1. Sri Dilip Kumar Das, M. A. (Head of Deptt. )
2. ,, Mrigendra Kumar Sarmah, M. A.
3. ,, Umesh Chandra Kar, M. A.

**Deptt. of Economics :**

1. Sri Sarat Ch. Talukdar, M. A. (Hd. of the Deptt.)
2. ,, Debendra Nath Sarmah, M. A. B. T.
3. ,, Akan Chandra Patowary, M.
4. ,, Sadananda Nath, M. A.

**Deptt. of History :**

1. Sri Dwijendra Nath Das, M. A. (Hd. of the Deptt.)
2. ,, Lakshi Kanta Sarmah, M. A.

**Deptt. of Political Science :**

1. Md. Mozibar Rahman, M. A. (Head of the Deptt.)
2. Sri Prabodh Chandra Das, M. A.
3. ,, Praneswar Nath, M. A. B. Mus.

**Deptt. of Anthropology :**

1. Sri Bhabesh Chandra Goswami, M. Sc. (Head of the Deptt.)
2. Mrs Joyashree Bhuyan, M. A.
3. ,, Binaya Devi, M. Sc.

**Deptt. of Education :**

1. Mrs. Rumita Phukan, M. A.
2. ,, Bijaya Deka, M. A.
3. ,, Khiroda Mali, M. A.

**Deptt. of Geography :**

1. Sri Nabin Chandra Mudiar, M. A.
2. ,, Abani Kumar Das, M. Sc.
3. ,, Jugalkishore Nath, M. Sc.

**Deptt. of Biology :**

1. Mrs. Nanda Devi, M. Sc.
2. ,, Purabi Rabha, M. Sc.

**Deptt. of Physics :**

1. Sri Pranab Kumar Sarmah, M. Sc.

**Deptt. of Chemistry :**

1. Md. Meraj Khan, M.

**Deptt. of Mathematics :**

1. Sri Dhiraj Kumar Das, M. Sc.

**Office Staff :**

1. Sri Kanak Chandra Das, ( U. D. A. )
2. ,, Radha Chandra Medhi, ( L. D. A )

3. Sri Sailendra Nath Sarmah, ( L. D. A. )
4. ,, Amal Chandra Rabha, ( L. D. A. )
5. .. Pradip Kumar Das, ( L. D. A. )
6. ,, Sarbeswar Das, ( Grade IV )
7. ,, Mahesh Das, ( Grade IV )
8. Mrs. Urbashi Das, ( Girls' Common Room Attendant )

**Library Staff :**

1. Sri Gautam Rabha, B. A. ( Librarian )
2. ,, Bharat Choudhury, ( Library Asstt. )
3, Md. Taher Ali ( Library Bearer )
4. Sri Bharat Rabha ( Library Bearer )

**Laboratory Bearer :**

1. Sri Jibeswar Thakuria
2. ,, Narayan Rabha
3. ,, Ajoy Das, Bearer, Students' Union.

**Gardener :**

1. Sri Sabharam Rabha

**Graduates of the Year, 1991**

1. Sri Biren Ch. Rabha, Ec. G.
2. ,, Bhaba Kalita, As. (M)
3. ,, Chandra Kanta Roy, As. (M)
4. ,, Dulal Bharali, Eco. Psc.
5. ,, Hari Das Roy, Psc. Eco.
6. ,, Md. Mozzamil Hoque, Eco. G.
7. Md. Mrinal Hoque Choudhury, Psc. Ed.
8. Sri Naba Kumar Kalita, Ec. Psc.
9. ,, Nirmal Das, As. (M)

10. Sri Purna Chandra Boro (II), Ec. G.
11. Miss Jutee Roy, Psc. Ed.
12. ,, Mira Mahanta, As. (M)
13. Pratima Dhar, Ed. An.
14. ,, Sikha Sarkar. As. (M)
15. ,, Tara Bayan, As. (M)
16. Sri Umesh Chandra Boro, As. (M)
17 Md. Faridal Islam, Ec. G.
18. Sri Karna Bhushan Basumatary, Ec. An.
19. ,, Amrit Kumar Kalita, Psc. Ec.
20. ,. Gobinda Chandra Kalita, Ec. Psc.
21. „ Kailash Kalita, As. (M)
22. ,, Lakhan Rabha, Psc. An.
23. „ Mahindra Mohan Baishya Psc. Ed.
24. ,, Nilkamal Roy, Psc. Ec
25. ,, Purna Chandra Boro (I), Psc. Ec.
26. ,, Pabitra Daimari, Psc. Ec.
27. Miss Madhumita Das, Ass. (M)
28. ,, Nirmala Bayan Psc. H.
29. ,. Renu Medhi Psc. Ed.
30. ,, Satyabhama Devi Psc. H.
31. Sri Premananda Mandal Psc. Ec.
32. ,, Prithiraj Kumar Roy As. (M)
33. ,, Ranjit Kumar Thaki Psc. Ec.
34. ,, Upen Chandra Rabha As. (M)
35. ,, Basanta Boro Psc. H.
36. ,, Banshidhar Kalita Ec. Psc.
37. ., Haladhar Choudhury Psc. Ec.
38. ,, Ripun Boro Psc. Ec.

39. Miss Pratibha Choudhury As. (M)
40. Sri Chandra Kanta Karmakar Ec. Psc.
41. ,, Laba Kumar Rabha As. (M)
42. ,, Rupen Kaibarta Ec. Psc.

# END